www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সপোন সেইটো নহয়, যিটো মানুহে শুই শুই দেখে। সপোন সেইটোহে- যিয়ে মানুহক শুবলৈ নিদিয়ে। — এ পি জে আব্দুল কালাম।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ ষষ্ঠ বছৰ □ সংখ্যা - ২৪৯ □ শুকুৰবাৰ □ ৫ ডিচেম্বৰ, ২০২৫ চন □ ১৮ আঘোণ, ১৯৪৭ শক □ VOL - 6 □ NO.- 249 □ Friday □ 5th December, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮



'গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগৰ বাবে শাস্তি দিয়াটো অন্যায় নহয়, অমানৱীয়'

## মন্ত্ৰী অশোক সিংহলৰ দৰমহা কৰ্তনৰ দাবী দেৱব্ৰত শইকীয়াৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন তীখা পত্ৰ প্ৰেৰণ কৰি ▸▸৬ পৃষ্ঠাত

## ধুবুৰীত নিচাজাতীয় ড্ৰাগছসহ আটক সৰবৰাহকাৰী

**অসম বাৰ্তা, ধুবুৰী, ৪ ডিচেম্বৰ ঃ** ধুবুৰী আৰক্ষীৰ বৃহৎ সফলতা। এক গোপন সূত্ৰৰ পম খেদি কালি নিশা ধুবুৰী আৰক্ষীৰ এটি দলে ধুবুৰীৰ চান্দাখোল বজাৰত চলায় অভিযান। অভিযানত ▸▸৬ পৃষ্ঠাত

২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশ ল'ব পুটিনে

# দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত ৰাছিয়াৰ ৰাষ্ট্ৰপতি

**নিউজ ডেস্ক, গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** আজি সন্ধিয়া নতুন দিল্লীৰ পালাম বিমানবন্দৰত অৱতৰণ কৰে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি বিমানবন্দৰত উপস্থিত হোৱাৰ পূৰ্বেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উক্ত স্থানত উপস্থিত হৈ তেওঁক আদৰণি জনায়। তাৰ পাচতে দুয়োৱে ইজনে সিজনক আলিংগন কৰে। পৰৱৰ্তী সময়ত একেখন বাহনতে বহি দুই বন্ধু-পুটিন আৰু মোদীয়ে নিৰ্দিষ্ট স্থান অভিমুখে ৰাওনা হয়। উল্লেখে যে ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনৰ বাবে ভাৰতলৈ আহিছে পুটিন। তেওঁৰ সৈতে ৰাছিয়াৰ এটা প্ৰতিনিধি দলে বাণিজ্য, প্ৰতিৰক্ষা, প্ৰযুক্তি



আৰু সংস্কৃতিৰ ক্ষেত্ৰত সহযোগিতাৰ ওপৰত আলোচনা কৰিব। ৫ ডিচেম্বৰত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। তেওঁ ৰাজঘাটত মহাত্মা গান্ধীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে এক আলোচনাতো মিলিত হ'ব। ইয়াৰ পিছতে দুয়োগৰাকী নেতাই সংবাদ মাধ্যমক সম্বোধন কৰি কিছু মন্তব্য প্ৰকাশ কৰিব। ইয়াৰ পিছতে তেওঁলোকে ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ্ছ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীৰ (Federation of Indian Chambers of Commerce and Industry) সৈতে এক ব্যৱসায়িক বৈঠকত অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত ৰাছিয়া-ইউক্ৰেইন যুদ্ধ আৰম্ভ হোৱাৰ পিছত এইটোৱেই ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ প্ৰথম ভাৰত ভ্ৰমণ। ২০২১ চনৰ ৬ ডিচেম্বৰত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ২১ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিবলৈ ইয়াত উপস্থিত হৈছিল। ইফালে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাখনো দ্বিপাক্ষিক বৈঠকত অংশ ল'ব। ৰাষ্ট্ৰপতি পুটিনৰ ভাৰত ভ্ৰমণৰ সময়ছোৱাত দুয়োখন দেশৰ মাজত বিভিন্ন বিষয়ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য, প্ৰতিৰক্ষা অন্যতম। ৰাছিয়া ভাৰতৰ দীৰ্ঘদিনীয়া আৰু বিশ্বাসযোগ্য প্ৰতিৰক্ষা সহযোগী। পুটিনৰ এই ভ্ৰমণৰ সময়ত ভাৰতে ৰাছিয়াৰ সৈতে বহু যুদ্ধ সা-সৰঞ্জাম ক্ৰয় কৰাৰ বাবে চুক্তি কৰিব পাৰে। বিশেষকৈ ছুখয়-৫৭ যুঁজাৰু বিমান আৰু এছ-৫০০ এয়াৰ ডিফেন্স চিষ্টেম ৰাছিয়াৰ পৰা ক্ৰয় কৰিব পাৰে ভাৰতে। এছ-৪০০ এয়াৰ ডিফেন্স চিষ্টেম ক্ৰয় কৰাৰো সম্ভাৱনা আছে। উল্লেখ্য যে, এতিয়ালৈকে ভাৰত আৰু ৰাছিয়াৰ মাজত প্ৰায় ২১খন দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ হৈছে। বিশেষকৈ সৈন্য বাহিনীৰ অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণক লৈ দুয়োখন দেশে একেলগে বহু কাম কৰিছে।



ডলাৰৰ বিপৰীতে ৯০.২ৰ তললৈ নামিল ভাৰতীয় মুদ্ৰা

## টকাৰ মূল্য সৰ্বকালৰ সৰ্বনিম্ন স্তৰত

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** বুধবাৰে ভাৰতীয় টকা আমেৰিকান ডলাৰৰ বিপৰীতে সৰ্বকালৰ সৰ্বনিম্ন ▸▸৬ পৃষ্ঠাতস্ৰ

## শ্ৰীলংকালৈ সহায়ৰ হাত ভাৰতৰ

কলম্বোত অৱতৰণ উদ্ধাৰকাৰী ভাৰতীয় সেনা জোৱান কঢ়িয়াই নিয়া আই এফ চি ১৭ বিমান



**অনলাইন ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** শেহতীয়াকৈ ভাৰতে সহায়ৰ হাত আগবঢ়াইছে চুবুৰীয়া দেশ শ্ৰীলংকালৈ। দাক্ষিণাত্যত অহা দিতৱাহ ধুমুহা বতাহৰ ফলত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে তামিলনাডু ৰাজ্য। এই ঘূৰ্ণী বতাহ ইমানেই প্ৰবল যে ই ঘণ্টাত ১০০ কিলোমিটাৰৰো অধিক বেগত বলে। ফল স্বৰূপে চুবুৰীয়া দেশ শ্ৰীলংকাকো বহু পৰিমাণে ক্ষতিগ্ৰস্ত কৰিছে দিতৱাহ ঘূৰ্ণী বতাহে। দিতৱাহে প্ৰবল বৃষ্টিপাতৰ লগতে প্ৰচণ্ড ধুমুহাৰ সৃষ্টি কৰি প্ৰলংকাৰী ৰূপ ধাৰণ কৰিছে শ্ৰীলংকাত। যাৰ বাবে আৰ্থিকভাৱে জুৰুলা দেশখনৰ ▸▸৬ পৃষ্ঠাত

## ভুৱা বাতৰি আৰু ডিপফেকৰ বিৰুদ্ধে কঠোৰ হ'ব চৰকাৰ ঃ অশ্বিনী বৈষ্ণৱ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বুধবাৰে লোকসভাত ভুৱা বাতৰি, ভ্ৰামক তথ্য আৰু কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ দ্বাৰা সৃষ্টি হোৱা ডিপফেক ভিডিঅ'ৰ গুৰুতৰ বিপদৰ কথা উত্থাপন কৰি চৰকাৰৰ কঠোৰ ▸▸৬ পৃষ্ঠাত

## দিল্লী পৌৰ নিগমৰ উপ-নিৰ্বাচনত বিজেপিৰ জয়



১২খন আসনৰ ভিতৰত ৭খন দখল কৰি শক্তি প্ৰদৰ্শন বিজেপিৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** দিল্লীৰ ৰাজনীতিত পুনৰবাৰ বিজেপিয়ে নিজৰ আধিপত্যৰ চানেকি দেখুৱালে। বুধবাৰে ঘোষিত দিল্লী পৌৰ নিগমৰ ১২খন ৱাৰ্ডৰ উপ-নিৰ্বাচনৰ ফলাফলত ভাৰতীয় জনতা পাৰ্টিয়ে ৭খন আসনত বিজয়ী হৈ শাসকীয় আম আদমি ▸▸৬ পৃষ্ঠাত

## গৰ্ভৱতী মহিলা আঠ বছৰীয়া পুত্ৰক ঘূৰাই অনাৰ বাবে ৰাজি কেন্দ্ৰ

উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ ঃ বাংলাদেশলৈ বিতাড়িত মাতৃ-পুত্ৰক ওভতাই অনাৰ আশ্বাস



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** উচ্চতম ন্যায়ালয়ৰ তীব্ৰ হেঁচাত অৱশেষত কেন্দ্ৰীয়. ▸▸৬ পৃষ্ঠাত

## সৰুপথাৰৰ নখুটিৰ চেকপইণ্টত চিআৰপিএফৰ আক্ৰমণৰ বলি স্থানীয় সাংবাদিক

মোবাইল ভাঙি প্ৰহাৰ, দুগৰাকীক আটক

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত চুঙাজানৰ নখুটি চেকপইণ্টত সিআৰপিএফৰ ১৫৫ বেটেলিয়নৰ জোৱানে স্থানীয় সাংবাদিকৰ ওপৰত নৃশংস আক্ৰমণ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ধান কঢ়িয়াই নিয়া ট্ৰাকৰ পৰা জোৰকৈ ▸▸৬ পৃষ্ঠাত



## শ্ৰম সংহিতাৰ বিৰুদ্ধে সংসদৰ চৌহদত ইণ্ডিয়া ব্লকৰ প্ৰতিবাদ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** সংসদৰ শীতকালীন অধিৱেশনৰ তৃতীয় দিনটো আৰম্ভ হোৱাৰ আগতেই সংসদ চৌহদত ইণ্ডিয়া মহাজোটৰ সাংসদসকলে কেন্দ্ৰীয় চৰকাৰে ▸▸৬ পৃষ্ঠাত



অসমৰ মুখ্যমন্ত্ৰীলৈ কাতৰ আহ্বান স্থানীয় লোকৰ

## কাৰ ভুলৰ বাবে বৰক্ষেত্ৰীত ৬ বছৰে সম্পূৰ্ণ নহ'ল নিৰ্মীয়মান দলং

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৪ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিত উন্নয়নৰ নামত যেন ভেঁকোভাওঁনাহে চলিছে। কিয়নো, বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তত যেন এতিয়া একেই ছবি পৰিস্ফুট হৈ পৰিছে। সমষ্টিটোত হোৱা আধৰুৱা উন্নয়নে এতিয়া জীয়াতু ভোগাইছে স্থানীয় লোকক। সমষ্টিটোত ▸▸৬ পৃষ্ঠাত

লাহৰীঘাট সম জিলাত কাৰ ছত্ৰছায়াত চলিছে বে-আইনী অবৈধ কাৰ্যকলাপ?

## বিপৰীত মেৰুত লাহৰীঘাট সম জিলাৰ দুই শীৰ্ষ বিষয়া

**অসম বাৰ্তা, ভূৰাগাঁও, ৪ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমজিলা এলেকাত চলি থকা বে-আইনী কাৰ্যকলাপক লৈ বিপৰীত মেৰুত অৱস্থান কৰিছে দুই শীৰ্ষ বিষয়া ক্ৰমে লাহৰীঘাট সমজিলা আয়ুক্ত আৰু লাহৰীঘাট সমজিলা ▸▸৬ পৃষ্ঠাত

## সৰুসজাইত ৫, ৮১৮ গৰাকীক নিযুক্তিপত্ৰ প্ৰদান মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ

এতিয়া অসমত চাকৰিৰ বাবে টকা লাগে, চিনাকি লাগে বুলি ক'ব নোৱাৰিব ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** বুধবাৰে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এক উলহ-মালহ পৰিৱেশৰ মাজত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগৰ অধীনত নিৰ্বাচিত ৫, ৮১৮ গৰাকী যুৱক-যুৱতীক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে। এই সংখ্যাৰ ভিতৰত ৫, ৪১০ গৰাকীক কনিষ্টবল আৰু ১৫৬ গৰাকীক উপ-পৰিদৰ্শক পদত ▸▸৬ পৃষ্ঠাত





## অৰুণোদয় হিতাধিকাৰীলৈ অতিৰিক্ত ৩০০ টকাৰ ৰাজসাহায্য

**অসম বাৰ্তা, গুৱাহাটী, ৪ ডিচেম্বৰ ঃ** নতুন বছৰৰ পূৰ্বে ৰাজ্যবাসীলৈ সুখবৰ। অসম চৰকাৰৰ জনকল্যাণমূলক আঁচনিৰে উপকৃত হৈছে ৰাজ্যৰ সৰ্বস্তৰৰ নাগৰিক। অৰুণোদয়, মহিলা উদ্যমিতা ▸▸৬ পৃষ্ঠাত

## হালোৱাটিঙত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক এক

**অসম বাৰ্তা, আমগুৰি, ৪ ডিচেম্বৰ ঃ** অসম নাগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষীয়ে ড্ৰাগছৰ বিৰোধী অভিযানত এক বৃহৎ সফলতা লাভ কৰিছে। হালোৱাটিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী ▸▸৬ পৃষ্ঠাত

এবছু জড়িত থকাৰ এশ শতাংশ প্ৰমাণ দিব পাৰিলে জে'ললৈ যাবলৈ সাজু দ্বীপেন বড়ো

## বিটিচিৰ বিধান পৰিষদ আক্ৰমণত ৰাজনীতিৰ ৰং সনাৰ অভিযোগ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ বিৰোধিতা কৰি যোৱা ২৯ নৱেম্বৰত প্ৰতিবাদকাৰীসকলে বিটিচিৰ বিধান পৰিষদ আক্ৰমণ কৰা কাৰ্যত এবছু জড়িত থকা বুলি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে ▸▸৬ পৃষ্ঠাত

দিল্লীত বায়ু প্ৰদূষণৰ ভয়াৱহ ৰূপ

## নিশ্বাস ল'বলৈও কষ্টকৰ হৈ পৰিছে ৰাজধানী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ ডিচেম্বৰ ঃ** দেশৰ ৰাজধানী দিল্লীত বায়ু প্ৰদূষণে এতিয়া এনে এটা ভয়ংকৰ ৰূপ ধাৰণ কৰিছে যে মানুহে সাধাৰণভাৱে উশাহ-নিশাহ ল'ব পৰাও কঠিন হৈ পৰিছে। বিশুদ্ধ বায়ুৰ কথা বহু দূৰৈত, এতিয়া মাস্ক নপিন্ধাকৈ ঘৰৰ বাহিৰলৈ ওলাব নোৱাৰা অৱস্থা হৈছে। প্ৰতি বছৰে শীতকাল আহিলেই দিল্লীৰ আকাশ ধোঁৱা আৰু ডাঠ



কুঁৱলীৰে ঢাক খাই পৰে, কিন্তু এইবাৰ পৰিস্থিতি অতি গুৰুতৰ হৈ পৰিছে। ৩ ডিচেম্বৰ ২০২৫ তাৰিখে পুৰা দিল্লীৰ গড় এয়াৰ কোৱালিটি ইনডেক্স (AQI) ৩৭৬ত উপনীত হৈছে, যিটো 'অতি গুৰুতৰ' (very poor) শ্ৰেণীৰ ভিতৰত পৰে। কিন্তু কেইবাটাও অঞ্চলত এই সূচক ৪০০ৰো ওপৰলৈ গৈছে, যিটো 'গুৰুতৰ' (severe) শ্ৰেণীৰ। আনন্দ ▸▸৬ পৃষ্ঠাত



# নামতিৰ মেক' কোম্পানীৰ তৈল খাদৰ সন্মুখত "জাতীয় সংগ্ৰামী সেনা অসম"ৰ অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট কাৰ্যসূচী

## অ.এন.জি.চিৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদত



**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ** ঃ অসমৰ সম্পদৰে দৈনিক কোটি কোটি টকাৰ খাৰুৱা তেল খনন কৰি ৰাজহ সংগ্ৰহ কৰা অ.এন.জি চিৰ থলুৱা বিৰোধী নীতিয়ে পুনৰ স্থানীয় লোকক প্ৰতাৰণা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আজি অ.এন.জি চিৰ খনন কাৰ্য্য চলি থাকোঁতে থলুৱা লোকৰ অধিকাৰ উপেক্ষিত হোৱা আৰু বহিৰাগতক অগ্ৰাধিকাৰ দিয়া অভিযোগত "জাতীয় সংগ্ৰামী সেনা অসমে" শিৱসাগৰ জিলাৰ নামতিৰ অভয়পুৰীয়াস্থিত মেক' কোম্পানীৰ তৈল খাদৰ সন্মুখত অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছে। সংগঠনটোৱে প্ৰতিবাদস্থলীত অ.এন.জি চি গন্ড বেক, অ.এন.জি চি হুঁচিয়াৰ, অ.এন.জি চিৰ থলুৱা বিৰোধী নীতি বন্ধ কৰক, তেল আমাৰ অধিকাৰ আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সংগঠনটোৱে আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে জনোৱা মতে, বৰ্তমান সময়ত স্থানীয় অঞ্চলসমূহত অ এন জি চিয়ে কোনো ধৰণৰ উন্নয়ন কৰা পৰিলক্ষিত হোৱা নাই। পূৰ্বৰ তুলনাত আজিৰ তাৰিখত এই প্ৰতিষ্ঠানটোত অসমৰ লোকসকল প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাহে পৰিলক্ষিত হৈছে। আমি প্ৰথমৰে পৰাই অ.এন.জি.চিৰ ৰিগসমূহ ব্যক্তিগতকৰণৰ বিৰোধিতা কৰি অহাৰ সমান্তৰালকৈ স্থানীয় শিক্ষিত লোকৰ ১০০ শতাংশ নিযুক্তিৰ দাবী কৰি আহিছো আৰু এই বিষয়ে বহুবাৰ অ.এন.জি.চিৰ লগত আমি আলোচনাতো মিলিত হৈছো। কিন্তু অতি পৰিতাপৰ বিষয় যে, অ.এন.জি.চিয়ে বাৰম্বাৰ অসমীয়া ৰাইজ তথা অসমৰ দল সংগঠনক চৰম ভেঙুচালি কৰি অহা পৰিলক্ষিত হৈছে। জাতীয় সংগ্ৰামী সেনা, অসমে অ.এন.জি.চিৰ ৰিগসমূহ ব্যক্তিগতকৰণ নকৰিবলৈ দাবী জনাই অহাৰ সময়তেই শেহতীয়াকৈ অ.এন.জি.চিয়ে ৰিগসমূহ এটাৰ পাছত এটাকৈ ব্যক্তিগতকৰণ কৰাৰ যি প্ৰক্ৰিয়া আৰম্ভ কৰিছে তাক সংগঠনটোৱে ধিক্কাৰ জনাইছে। ইয়াৰ বিৰোধিতাৰে নামতি অঞ্চলত নতুনকৈ অ.এন.জি.চিয়ে ব্যক্তিগতকৰণ কৰা বহিৰাগত কোম্পানীটোয়ে স্থাপন কৰা ৰিগটোৰ সন্মুখত জাতীয় সংগ্ৰামী সেনা, অসমৰ নামতি আঞ্চলিক সমিতিৰ উদ্যোগত অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট কাৰ্যসূচী হাতত লোৱা হৈছে। আনহাতে, উক্ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী উপস্থিত থাকি জাতীয় সংগ্ৰামী সেনা, অসমৰ কেন্দ্ৰীয় সভাপতি চিতু বৰুৱা, শিৱসাগৰ জিলা সভাপতি ৰিতুৰাজ বৰুৱা, কাৰ্যকৰী সভাপতি অমৰ নেওগ, সম্পাদক ৰিদিপ ডেকাই কয়, "যেতিয়ালৈকে অ.এন.জি.চিৰ এনে থলুৱা বিৰোধী নীতি ত্যাগ নকৰি স্থানীয় শিক্ষিত লোক উপকৃত হোৱাকৈ ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়ালৈকে জাতীয় সংগ্ৰামী সেনা, অসমৰ সংগ্ৰাম চলি থাকিব।" প্ৰয়োজন হলে অসমৰ বিভিন্ন প্ৰান্তত খনন কাৰ্য্য কৰি থকা অ এন জি চিৰ সকলো ৰিগ তথা কাম কাজ আমি জাতীয় সংগ্ৰামী সেনা, অসমে বন্ধ কৰি দিবলৈ বাধ্য হ'ম আৰু এই ক্ষেত্ৰত উদ্ভৱ হ'বলগীয়া যিকোনো অনাকাংশিত পৰিৱেশ পৰিস্থিতিৰ বাবে জাতীয় সংগ্ৰামী সেনা, অসম দায়ী নহয়।

অৰুণাচল বিধানসভাৰ অধ্যক্ষ টেচম্ পঙটেক ভীমবৰ দেউৰী বঁটা ২০২৫ প্ৰদান

# মাজুলীত জননেতা ভীমবৰ দেউৰীৰ মৃত্যু বাৰ্ষিকী উদ্‌যাপন



**অসম বাৰ্তা, উজনী মাজুলী, ৩ ডিচেম্বৰ** ঃ আদৰ্শপুৰুষ তথা জনগোষ্ঠীয় ৰাইজৰ ত্ৰান কৰ্তা ৰূপে অসমৰ খিলঞ্জীয়া ৰাইজৰ অধিকাৰ আৰু পৰিচয় সুৰক্ষিত কৰি থৈ যোৱা মহান জননেতা ভীমবৰ দেউৰীৰ মৃত্যু বাৰ্ষিকী অনুষ্ঠানটি দেউৰী পিপলছ জাষ্টিছ ফ'ৰামে প্ৰতি বছৰে উদযাপন কৰি আহিছে। এই বেলিও কালি জননেতা ভীমবৰ দেউৰীৰ মৃত্যু বাৰ্ষিকী ও বঁটা প্ৰদান অনুষ্ঠানটি মাজুলী জিলাৰ পূৱ চিৰাম দেউৰী গাঁৱৰ ৰঙ্গমঞ্চত দিনযোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। পুৱা দেউৰী পিপলছ জাষ্টিছ ফ'ৰামৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ চিৰামৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত গছপুলি ৰোপণ কৰে সহকাৰী শিক্ষক সুভাষ দেউৰীয়ে। ইফালে ১১.৩০ বজাৰ পৰা ভীমবৰ দেউৰী জীৱন ভিত্তিক মুকলি সভা আৰু দেউৰী জনগোষ্ঠীৰ আগন্তুক ভৱিষ্যত পৰিকল্পনা ওপৰত আলোচনা সভা অনুষ্ঠিত হয়। দেউৰী পিপলছ জাষ্টিছ ফ'ৰামৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিনন্দ দেউৰীৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত সদৌ অসম আইন ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ বৰাই নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ ৰাখে। ইফালে দেউৰী পিপলছ জাষ্টিছ্ ফ'ৰাম কেন্দ্ৰীয় সমিতিৰ উদ্যোগত, মাজুলী জিলা সমিতি আৰু মাজুলীবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত লখিমপুৰৰ যুৱক গোৱিন বিশ্বকৰ্মাক ভীমবৰ দেউৰী ২০২৫ যুৱ বঁটা, গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী লক্ষেশ্বৰ বৰালৈ ভীমবৰ দেউৰী সমন্বয় বঁটা ২০২৫ আৰু অৰুণাচলৰ বিশিষ্ট উদ্যোগপতি কাকু ইজ্জাত টামিনলৈ যুৱ উদ্যোগী বঁটা ২০২৫ আগবঢ়োৱা হয়। ইফালে অনুষ্ঠানত অৰুণাচল বিধান সভাৰ অধ্যক্ষ টেচম্ পঙটেক ভীমবৰ দেউৰী বঁটা ২০২৫ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। ভীমবৰ দেউৰী বটাঁ লাভ কৰি অৰুণাচল বিধান সভাৰ অধ্যক্ষ গৰাকীয়ে আনন্দ অনুভৱ কৰে। অনুষ্ঠানত দেউৰী পিপলছ জাষ্টিচ ফ'ৰামৰ মাজুলী জিলাৰ সভাপতি ভাস্কৰ দেউৰী, সম্পাদক কুনাল দেউৰী, কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিনন্দ দেউৰীৰ লগতে বিশিষ্ট অতিথি তথা নিয়ন্ত্ৰিত অতিথি সকল উপস্থিত থাকে। ক্মদেউৰী পিপলছ জাষ্টিছ ফ'ৰামৰ উদ্যোগত জুবিন গাৰ্গলৈ একাজলি শ্ৰদ্ধাঞ্জলি: দেউৰী পিপলছ জাষ্টিছ ফ'ৰামৰ উদ্যোগত জননেতা ভীমবৰ দেউৰীৰ মৃত্যু বাৰ্ষিকী অনুষ্ঠানৰ সন্ধিয়া কালি প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ একাজলি শ্ৰদ্ধাঞ্জলি শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। অৰুণাচল বিধান সভাৰ অধ্যক্ষ টেচম্ পঙটেই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অধ্যক্ষ গৰাকীয়ে কয় জুবিন গাৰ্গ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰে নহয় সমগ্ৰ পৃথিৱীৰ শিল্পী আছিল, ভগবানৰ দৰে আছিল। জুবিন গাৰ্গে ৩৮ হাজাৰতকৈ অধিক গীত গালে জীৱনত সেইয়া বহুত ডাঙৰ কথা। জুবিন গাৰ্গৰ নিচিনা শিল্পী আকৌ উত্তৰ পূৰ্বাঞ্চলত জন্ম হওক। জুবিন গাৰ্গৰ কি দৰে মৃত্যু হ'ল সেইয়া আইনে বিচাৰ কৰিব বুলি অৰুণাচল প্ৰদেশৰ বিধান সভাৰ অধ্যক্ষ গৰাকীয়ে উল্লেখ কৰে।

# ধিং সমষ্টিৰ নিজ ধিং উন্নয়ন খণ্ডত বিজেপিৰ ধিং মণ্ডল সভাপতি দীপক শইকীয়া সহ কেবাজনো বিজেপি নেতাক আক্ৰমণ

**অসম বাৰ্তা, বটদ্ৰৱা, ৩ ডিচেম্বৰ** ঃ কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মহিলা প্ৰতিনিধিৰ স্বামী আৰু গুণ্ডাবাহিনীৰ দলে আক্ৰমণ কৰাৰ অভিযোগ। যাক লৈ নিজ ধিং উন্নয়ন খণ্ডত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নিজ ধিং উন্নয়ন খণ্ডত অৰুণোদয় আঁচনি ৰূপায়ণত সংঘটিত দুৰ্নীতিৰ এক অভিযোগৰ বুজ লবলৈ গৈছিল বিজেপিৰ দলটো। সেই সময়ত নিজ ধিং উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কাশ্মীৰি বেগমৰ লগত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি আৰু মহিলা প্ৰতিনিধিৰ স্বামীৰ সৈতে এক গোপন বৈঠকত মিলিত হৈছিল। বিজেপিৰ মণ্ডল সভাপতি দীপক শইকীয়াই খণ্ড উন্নয়ন বিষয়াৰ লগত আলোচনা কৰি ওলাই আহোঁতেই আক্ৰমণৰ বলি হয় বিজেপিৰ সভাপতি সহ আন সদস্য সকল। ঘটনাস্থলীত ধিং আৰু মৈৰাবাৰী আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে দীপক শইকীয়া সহ আন সদস্য সকলক উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত মণ্ডল সভাপতি দীপক শইকীয়াই ধিং থানাত এজাহাৰ দাখিল কৰিছে।

বিভাগীয় মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ অংশগ্ৰহণ

# নগাঁৱত ভূমি সংৰক্ষণ বিভাগৰ জলচ্ছেদ মহোৎসৱ



**অসম বাৰ্তা, নগাঁও, ৩ ডিচেম্বৰ** ঃ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে সোমবাৰে নগাঁও জিলাৰ বেবেজীয়াত জলচ্ছেদ মহোৎসৱ অনুষ্ঠিত হয়। ভূমি সংৰক্ষণ বিভাগৰ নগাঁও সংমণ্ডলৰ উদ্যোগত অনুষ্ঠিত হোৱা এই জলচ্ছেদ মহোৎসৱত ৰাজ্যৰ ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম উপস্থিত থাকি বিভাগীয় প্ৰকল্পৰ ভূমি পূজন আৰু লোকাৰ্পন অনুষ্ঠানত অংশগ্ৰহণ কৰে। ভাৰতবৰ্ষৰ অন্যতম ৰাজ্য কৰ্ণাটকৰ পাছতেই অসমত এই জলচ্ছেদ মহোৎসৱ অনুষ্ঠিত হয়। নগাঁও জিলাৰ বেবেজীয়াত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই মহোৎসৱৰ জৰিয়তে অসমৰ ২৪খন জিলাৰ ৩১টা জলচ্ছেদ প্ৰকল্পৰ ভূমি পূজন ভাৰ্চুৱেলি সম্পন্ন কৰাৰ উপৰিও ইতিপূৰ্বে নিৰ্মাণ সম্পূৰ্ণ হোৱা অসমৰ ৮৬টা প্ৰকল্পও আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে অৰ্পন কৰা হয়। ইয়াৰোপৰি এই অনুষ্ঠানতে 'প্ৰধানমন্ত্ৰী কৃষি সিঞ্চয়ী যোজনা'ৰ আঁচনি ৰূপায়ণত উন্নত প্ৰদৰ্শন দাঙি ধৰা কোকৰাঝাৰ, লখিমপুৰ, বৰপেটা, বঙাইগাঁও, নগাঁও, কাৰ্বি আংলং আদিকে ধৰি মুঠ ৭খন জিলালৈ ২০ লাখকৈ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই প্ৰকাশ কৰা অনুসৰি ৰাজ্যত নতুন ১৮৪টা জলচ্ছেদ প্ৰকল্পৰ আঁচনি গ্ৰহণৰ বাবে ইতিমধ্যে উৰ্ধতন কৰ্তৃপক্ষলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আজিৰ এই জলচ্ছেদ মহোৎসৱত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ লগতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তথা কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজৰীয়া, ভূমি সংৰক্ষণ বিভাগৰ যুটীয়া সঞ্চালক প্ৰদীপ দত্ত, বেবেজীয়াৰ ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰা আদিকে ধৰি বিভিন্নজন লোক উপস্থিত থাকে।

# জাগীৰোডত সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ কাৰ্যনিৰ্বাহক বৈঠক সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ৪৩ ডিচেম্বৰ** ঃ ৰবিবাৰে সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ এখন গুৰুত্বপূৰ্ণ কাৰ্য্যনিৰ্বাহক সভা জাগীৰোডৰ ছহিদ লক্ষ্মী ডেকা মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। পৰিষদৰ সভাপতি ৰাজেন ডেকা সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। অসমৰ অন্যতম ছয় জনগোষ্ঠীক জনজাতীয় মৰ্যাদা প্ৰদান কৰা সন্দৰ্ভত গ্ৰহণ কৰা অসম চৰকাৰৰ পদক্ষেপক পৰিষদে আদৰণি জনাই। আগন্তুক শ্বহীদ দিৱসৰ দিনা গুৱাহাটীৰ বৰাগাঁৱত অসম আন্দোলনৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ মুকলি কৰিবলৈ লোৱা পদক্ষেক পৰিষদে সন্তুষ্টি প্ৰকাশ কৰে। অসম আন্দোলনৰ শ্বহীদ আৰু নিৰ্য্যাতিত পৰিয়ালৰ দুৰ্ভগীয়া লোকসকলৰ বাবে চৰকাৰী সংস্থাপন মুকলি কৰিবলৈ পৰিষদে দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে অসম চুক্তিৰ ৰূপায়ণৰ কাম নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাধান কৰিবলৈও আহ্বান জনায়। উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক চন্দ্ৰকান্ত তালুকদাৰে। সভাত পৰিষদৰ উপ-সভাপতি খগেন হাজৰিকা, বিত্তীয় সম্পাদক কন্দৰ্প কুমাৰ ডেকাৰ লগতে কেইবাগৰাকীও ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সদস্য আৰু বিষয়ববীয়া উপস্থিত থাকে।

সজাগ সচেতনতাই এইডছ্ নিয়ন্ত্ৰণৰ মূল উপায় - ডাঃ দিলীপ শৰ্মা

# খাগৰিজান মহাবিদ্যালয়ত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে বিশ্ব এইডছ্ দিৱস পালন

**অসম বাৰ্তা, নগাঁও, ৩ ডিচেম্বৰ** ঃ সমগ্ৰ বিশ্বৰ লগতে আজি নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত খাগৰিজান মহাবিদ্যালয়ৰ সভাগৃহত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই কেন্দ্ৰীয় ভাবে বিশ্ব এইডছ্ দিৱসটি উদ্‌যাপন কৰা হয়। আজি দিনৰ ১১ বজাত মহাবিদ্যালয়ৰ প্ৰাংগনত হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই বৃক্ষ ৰোপণেৰে আৰম্ভণি কৰা হয় অনুষ্ঠানটি। মহাবিদ্যালয়ৰ অধ্যাপিকা ডন্দ্ধপালী তালুকদাৰে আতঁ ধৰি পৰিচালনা কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনি উদ্বোধন কৰি সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি তথা বিশিষ্ট সাংবাদিক প্ৰতাপ হাজৰিকাই কয় যে, সমগ্ৰ নগাঁও জিলাত সৰ্বাধিক ৪৬১৫গৰাকী এইডছ্ ৰোগী আছে। এই ৰোগৰ বিৰুদ্ধে সমাজত এক সুস্থ মানসিকতা গঢ়ি তুলি ৰোগাক্ৰান্ত সকলক মানসিক আৰু সামাজিক সমৰ্থন প্ৰদান কৰাই হৈছে এইডছ্ দিৱসৰ প্ৰধান উদ্দেশ্য। ড্ৰাগছ ব্যৱসায়ে উৎসাহিত কৰিছে ছিৰিঞ্জ ব্যৱহাৰ কৰিবলৈ। এটা ছিৰিঞ্জ কেইবাজনেও বেজি লোৱাৰ ফলত এই ৰোগ ব্যাপক সংক্ৰমণ হৈছে। তেওঁ আৰু কয় যে ছাত্ৰ-ছাত্ৰী সকলক বৰ্তমান শিক্ষানুষ্ঠানতে যৌন শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে আদৰনি ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত ডা দিলীপ শৰ্মাই কয় যে এইডছ ৰোগে দেশৰ অৰ্থনীতিত ক্ষতিগ্ৰস্ত কৰিছে। সজাগ-সৰ্তকতাৰে এইডছ্ নিয়ন্ত্ৰণৰ মূল উপায় হিছাপে চিহ্নিত হৈছে বুলি চিকিৎসক গৰাকীয়ে কয়। সভাত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে কয় যে বৰ্তমান অসমত এইডছ্ ৰোগত আক্ৰান্তৰ সংখ্যা হৈছে ৩২০৩১ গৰাকী আৰু বৰ্তমান নগাঁও জিলাত সৰ্বাধিক এইডছ ৰোগী আছে। বৰ্তমান এইডছ্ ৰোগ এক সামাজিক ব্যাধি হৈ পৰিছে। গতিকে ইয়াক প্ৰতিৰোধ কৰিবলৈ ব্যাপক প্ৰচাৰ অভিযান কৰাটো প্ৰয়োজন। সভাত মহাবিদ্যালয়ৰ অধ্যাপক ৰাইহানুল আহমেদ, চাউ কটং লাংকিং, ক্ৰীড়া সংগঠক তথা অৱসৰপ্ৰাপ্ত শিক্ষাবিদ শশীন্দ্ৰ দেৱ মহন্ত, নগাঁও জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদক ভূপেন চন্দ্ৰ নাথ, ৰুনজুন বৰা, বাৰ্বিৰাণী দেৱ, ঝৰ্ণা দাস, হিমকন্যা বৰুৱা, মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

# সদৌ অসম মাধ্যমিক স্নাতক শিক্ষক মঞ্চৰ শোণিতপুৰ জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৪ ডিচেম্বৰ** ঃ যোৱা ২৬ নৱেম্বৰ তাৰিখ শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ নিকটৱৰ্তী দোলাবাৰীত অৱস্থিত জ্যোতি ষ্টাৰ একাডেমীত সদৌ অসম মাধ্যমিক স্নাতক শিক্ষক মঞ্চৰ শোণিতপুৰ জিলা সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সাধাৰণ সভাত বহু সমসাময়িক সমস্যা আৰু শিক্ষকৰ অধিকাৰ-সুবিধা সন্দৰ্ভত আলোচনা কৰা হয়। উক্ত বৈঠকত মূলতঃ মাধ্যমিক স্নাতক শিক্ষকসকলৰ পে-বেণ্ড উন্নীত কৰাৰ প্ৰস্তাৱ গৃহীত, পে-বেণ্ড উন্নীত কৰাৰ জৰিয়তে মাধ্যমিক স্নাতক শিক্ষকৰ দৰমহাৰ সুৰক্ষা আৰু অৰ্থনৈতিক স্থিৰতা নিশ্চিত হ'ব বুলি সভাই একমত হয়। ৩১ মাৰ্চ ২০১৬ চনৰ পিছত নিযুক্তি লাভ কৰা মাধ্যমিক স্নাতক শিক্ষকসকলৰ দৰমহাৰ বিসংগতি সংশোধন কৰি অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন নিখুঁতভাৱে বাস্তবায়নৰ প্ৰস্তাৱ গৃহীত, সংশোধন আৰু সঠিক দৰমহা স্থিৰকৰণৰ বাবে শিক্ষা বিভাগে শীঘ্ৰেই পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি সভাই দাবী জনায়। উক্ত সাধাৰণ সভাত ইফতিকাৰ আহমেদক সভাপতি হিচাপে লৈ শোণিতপুৰ জিলা সমিতি গঠন কৰা হয় বুলি শোণিতপুৰ জিলা সমিতিৰ সভাপতি ইফতিকাৰ আহমেদে জানিবলৈ দিয়ে।

দিহানাম প্ৰতিযোগিতাৰ আয়োজন

# চেলেংহাটত বিষ্ণুজ্যোতিৰ গোষ্ঠীৰ পঞ্চম প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ** ঃ যোৰহাট জিলাৰ চেলেংহাটৰ অগ্ৰনী অনুষ্ঠান বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। আগন্তুক ১৪ ডিচেম্বৰ তাৰিখে ১১ নং পূৱ লাহিং গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত সমূহ চেলেংহাটবাসী ৰাইজৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসটি উদ্‌যাপনৰ আয়োজন কৰা হৈছে। ২০২১ চনত চেলেংহাটত প্ৰতিষ্ঠা লাভ কৰা গোষ্ঠীটোৱে গত চাৰিবছৰ ধৰি অঞ্চলটোৰ নতুন প্ৰজন্মক উৎসাহিত কৰিবলৈ বিভিন্ন প্ৰতিযোগিতা, মেধাবী শিক্ষাৰ্থীৰ সম্বৰ্ধনা, মহান ব্যক্তিৰ জন্ম-মৃত্যু দিৱস, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰি আহিছে। তদুপৰি, গোষ্ঠীটোৱে প্ৰয়োজনত বৃহত্তৰ অঞ্চলটোৰ আৰ্তজনৰ সহায়ৰ ক্ষেত্ৰতো আগভাগ লৈ আহিছে। পঞ্চম প্ৰতিষ্ঠা দিৱস উপলক্ষে গোষ্ঠীটোৱে সদৌ অসম ভিত্তিক দিহানাম প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। জীৱনকালত বৃহত্তৰ চেলেংহাট অঞ্চলৰ সমাজ জীৱনলৈ বহুমূলীয়া অৱদান আগবঢ়াই যোৱা প্ৰয়াত 'ৰমেশ গগৈ'ৰ সোঁৱৰণত সদৌ অসম ভিত্তিক প্ৰতিযোগীতখনি অনুষ্ঠিত হ'ব। ৰাতিলৈ 'শীতৰ এনিশা' শীৰ্ষক এক সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠিত হ'ব। অনুষ্ঠানত স্থানীয় আৰু আমন্ত্ৰিত শিল্পীসকলে গীত-নৃত্য-কবিতা পৰিৱেশন কৰা হ'ব। প্ৰতিযোগিতাৰ বিষয়ে সৱিশেষ জানিবলৈ ৬০০০৪৩৯২১৩, ৭০০২১৭৮৯৬৩, ৯৩৬৫৮২২২৭৯, ৮৮২২৮৬৫১১০ নম্বৰলৈ যোগাযোগ কৰিব পাৰিব বুলি গোষ্ঠীৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়ে।

# ধিঙৰ ৰৌমাৰী-মৈৰাধ্বজ আঞ্চলিক দ্বিনী তালিমী ব'ৰ্ডৰ ৰছ তম বাৰ্ষিক বৃত্তি পুৰস্কাৰ বিতৰণী অনুষ্ঠান সুকলমে সম্পন্ন

**অসম বাৰ্তা, বটদ্ৰৱা, ৩ ডিচেম্বৰ** ঃ নগাঁও জিলাৰ ধিঙৰ ৰৌমাৰী-মৈৰাধ্বজ আঞ্চলিক দ্বিনী তালিমী ব'ৰ্ড আৰু জমিয়ত উলেমাই হিন্দৰ উদ্যোগত ১৬ তম বাৰ্ষিক বৃত্তি পুৰস্কাৰ বিতৰণী অনুষ্ঠানটো যোৱা দেওবাৰে মৈৰাধ্বজৰ খালপাৰ ঈদগাহ ময়দানত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে সুকলমে সম্পন্ন হয়। অনুষ্ঠানটোত ব'ৰ্ড খনৰ অন্তৰ্গত ১৮খন ছোৱাহী মক্তবৰ ১১৬জন শিক্ষাৰ্থীক ২০২৪-২৫ শিক্ষাবৰ্ষৰ বৃত্তি আৰু পুৰস্কাৰসমূহ বিতৰণ কৰা হয়। বৃত্তি বিতৰণী সভাখন ৰৌমাৰী-মৈৰাধ্বজ আঞ্চলিক দ্বিনী তালিমী ব'ৰ্ডৰ সভাপতি মৌলানা মৰতুজা আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা দ্বিনী তালিমী ব'ৰ্ড তথা জমিয়ত উলেমাই হিন্দৰ সাধাৰণ সম্পাদক মৌলানা আব্দুছ ছালাম। অঞ্চলটোৰ দীন-দৰদী ধৰ্মপ্ৰাণ ৰাইজ, স্থানীয় উলামা সমাজ, ব'ৰ্ডৰ সম্পাদক মৌলানা ৰফিকুল ইছলাম, পৰিদৰ্শক মৌলানা হবিবুৰ ৰহমান ফকিৰ আৰু জিলা জমিয়তৰ সম্পাদক এহিয়া আহমেদ অনুষ্ঠানটোত উপস্থিত আছিল। সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত, আয়োজক মণ্ডলীৰ একান্ত প্ৰচেষ্টা আৰু অতিথিসকলৰ সক্ৰিয় অংশগ্ৰহণৰ মাজেৰে অনুষ্ঠানটো বিয়লি প্ৰায় ৪ বজাত সুকলমে সমাপ্ত হয়।

# মৰিয়ণীত বিশ্ব এইডচ্ দিৱস পালন

**অসম বাৰ্তা, যোৰহাট, ৩ ডিচেম্বৰ** ঃ যোৰহাট জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু মৰিয়ণী মহাবিদ্যালয়ৰ ৰেড্ ৰিবন ক্লাৱ কোষৰ সহযোগত মৰিয়ণী মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ প্ৰেক্ষাগৃহত আজি বিশ্ব এইডচ দিৱসটি পালন কৰা হয়। পুৱা এইডচ বিৰোধী সজাগতা শোভাযাত্ৰাৰ পাছতেই মৰিয়ণী সমজিলাৰ আয়ুক্ত অভিজিত গগৈৰ উপস্থিতিত অনুষ্ঠিত মুকলি সভাৰ আদৰণি ভাষণ আগবঢ়াই স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ দিলীপ কুমাৰ দেৱশৰ্মাই। স্বাস্থ্য বিভাগৰ হৈ জিলাখনৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া তথা জিলা এইডচ নিয়ন্ত্ৰণ বিষয়া ডাঃ ভক্তিময় ভট্টাচাৰ্য, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ এ আৰ টি কেন্দ্ৰৰ চিকিৎসক ডাঃ মিৰাণ্ডা দত্ত, চিকিৎসা বিষয়া ডাঃ উপাংগনা দত্ত, জিলা আঁচনি প্ৰবন্ধক নম্ৰতা শৰ্মা, কাউন্সিলৰ দিলীপ দত্তকে আদি কৰি এইডচ নিয়ন্ত্ৰণ বিভাগৰ বিভিন্ন বিষয়ববীয়াসকল, টি আই প্ৰজেক্ট তথা অন্যান্য সহযোগী অনুষ্ঠানৰ বিষয়ববীয়াসকল, যক্ষ্মা দূৰীকৰণ আৰু ধঁপাত নিয়ন্ত্ৰণ কোষৰ বিষয়ববীয়াসকল; মৰিয়ণী মহাবিদ্যালয়ৰ হৈ অধ্যক্ষৰ প্ৰতিনিধি তথা সহযোগী অধ্যাপিকা ড° অৰূপাঞ্জলি বৰা প্ৰমুখ্যে ৰেড ৰিবন সমন্বয় সমিতিৰ বিষয়ববীয়া, শিক্ষক-ছাত্ৰছাত্ৰীসকল আৰু বিভিন্ন নিমন্ত্ৰিত ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সমল ব্যক্তিসকলে এইডচৰ ভয়াবহতা আৰু ইয়াৰপৰা সমাজখনক সুৰক্ষা দিয়াৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। মৰিয়ণী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক অচিন্ত্য শইকীয়ায়ে আঁত ধৰা সভাখনিৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ হৈ বক্তব্য আগবঢ়াই ৰেড ৰিবন ক্লাৱ কোষৰ সমন্বয়ক তথা সহযোগী অধ্যাপক অনুৰাজ মহন্তই। উল্লেখযোগ্য যে এই দিৱসৰ লগত সংগতি ৰাখি জিলা যক্ষ্মা দূৰীকৰণ বিভাগে মহাবিদ্যালয় প্ৰাংগনতে অৰ্ধশতাধিক লোকৰ বিনামূলীয়া বুকুৰ এ'ৰে পৰীক্ষা সম্পন্ন কৰে।

# গোসাঁইগাঁৱত বাতৰি কাকত বিতৰকৰ লোকেশ দেৱনাথৰ মৃত্যু; গোসাঁইগাঁও প্ৰেছ ক্লাবৰ শোক প্ৰকাশ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৩ ডিচেম্বৰ** ঃ গোসাঁইগাঁও মহকুমাৰ সদৰ চহৰ জয়নগৰৰ বাসিন্দা আৰু দেৱনাথ পেপাৰ এজেঞ্চিৰ স্বত্বাধিকাৰী লোকেশ দেৱনাথ (৫৫)ৰ আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। প্ৰয়াত দেৱনাথ ১৯৯১ চনৰ পৰা নিয়মিতভাৱে গৃহে গৃহে বাতৰিকাকত বিতৰণ কৰি এজন নিষ্ঠাবান পেপাৰ বিক্ৰেতা হিচাপে পৰিচিত। আজি ৰাতিপুৱা নিজ গৃহতেই তেখেত হৃদ ৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। দেৱনাথৰ মৃত্যুসংবাদ প্ৰকাশ হোৱাৰ লগে লগে সদৰ চহৰ খনৰ লগতে গোঁসাই গাঁও শোকাকুল পৰিৱেশ সৃষ্টি হয়। পিছত গোসাঁইগাঁও প্ৰেছ ক্লাৱত সাংবাদিক সকলে প্ৰয়াত লোকেশ দেৱনাথৰ নশ্বৰ দেহলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি জ্ঞাপনকাৰীৰ মাজত ক্লাৱৰ উপদেষ্টা আব্দুল ওৱাহাব আহমেদ, প্ৰাক্তন সভাপতি উৎপল দে, উপ-সভাপতি মিজানুৰ ৰহমানসহ আন অনুসন্ধানী সাংবাদিকসকল উপস্থিত থাকে। লোকেশ দেৱনাথৰ অৱসানত সাংবাদিক সমাজ, বাতৰিবাহক সম্প্ৰদায় আৰু স্থানীয় ৰাইজে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

# উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত বিশ্ব এইডছ্ দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ৪ ডিচেম্বৰ** ঃ আজি উজনি মাজুলী খেৰকটীয়া মহাবিদ্যায়ৰ এন.এছ.এছ গোটৰ উদ্যোগত বিশ্ব এইডছ দিৱস উদ্‌যাপন কৰে। উক্ত সভাখনি আঁত ধৰে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক উপেন বৰাই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই এইডছ দিৱসৰ গুৰুত্ব সম্পৰ্কে উপস্থিত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। উক্ত অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ জেষ্ঠ্য গ্ৰন্থাগাৰিক টংকেশ্বৰ পাঠক দেৱে ছাত্ৰ-ছাত্ৰীসকলক এইড্‌ছ, ইয়াৰ কাৰণ, প্ৰতিৰোধ আৰু সচেতনতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰে।

# মাজুলী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত পেছাদাৰী দক্ষতা আৰু ক্ষমতা বিকাশৰ বাবে গেছ প্লাম্বিংৰ দ্বিতীয় বেষ্টৰ তিনিমহীয়া প্ৰশিক্ষণৰ শুভাৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ৩ ডিচেম্বৰ :** পুবমাজুলীৰ বনগাঁওস্থিত মাজুলী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত ১ ডিচেম্বৰৰ পৰা গেছ প্লাম্বিং প্ৰশিক্ষণত পেছাদাৰী দক্ষতা আৰু ক্ষমতা বিকাশৰ পদক্ষেপ শীৰ্ষক বিনামূলীয়া তিনিমহীয়া প্ৰশিক্ষণৰ দ্বিতীয় বেষ্টৰ ৩২জন প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে কালি শুভাৰম্ভণী অনুষ্ঠানত সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰজেক্ট ডাইৰেক্টৰ ড° মৌচুমী শৰ্মাই নুমলীগড় শোধনাগাৰ লিমিটেডৰ কৰ্পৰেট সামাজিক দায়বদ্ধতাৰ পদক্ষেপত এই প্ৰকল্পটো আয়োজন কৰি অসমৰ ৬০জন যুৱক-যুৱতীক ভাৰতৰ দ্ৰুতগতিত সম্প্ৰসাৰিত শক্তি খণ্ডৰ সৈতে মিল থকা বিশেষ দক্ষতাৰে আৰু সবলীকৰণৰ লক্ষ্যৰে এক পৰিৱৰ্তনশীল দক্ষতা বিকাশৰ পদক্ষেপ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি আই এম চিৰ চেয়াৰমেন হেমন্ত কুমাৰ নাথে ভাষণত ৩ মাহৰ দুটা গোট ৬ মাহৰ আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচী হিচাপে গঠন কৰা ই পাইপযুক্ত প্ৰাকৃতিক গেছ বিতৰণ পৰিৱেশ তন্ত্ৰৰ এক জটিল দক্ষতাৰ ব্যৱধানক সম্বোধন কৰে, একে সময়তে থলুৱা যুৱক-যুৱতীসকলৰ বাবে নিবনুৱা সমস্যাৰ পৰা ওলাই অহাৰ এক অৰ্থপূৰ্ণ পথ প্ৰদান কৰিব বুলি মন্তব্য কৰাৰ লগতে প্ৰশিক্ষাৰ্থী সকলে দুমাহৰ শ্ৰেণীকোঠাৰ শিক্ষণ সময়ৰ শেষত হাতে কামে কৰা কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰি প্ৰকল্পটোৱে প্ৰশিক্ষাৰ্থীসকলক স্থানীয় অৰ্থনীতিৰ মূল্যৱান অৱদানকাৰী আৰু বহনক্ষম সম্প্ৰদায়ৰ বৃদ্ধিৰ চালক হ'বলৈ সহায় কৰিব বুলি মন্তব্য কৰে। সভাত এম এম জি এল ডিৰ নতুন দিল্লীৰ সিদ্ধাৰ্থ ফুকন প্ৰজেক্ট ক'অৰডিনেটৰে ভাষণত এনে পদক্ষেপৰ তাৎক্ষণিক প্ৰয়োজনীয়তাক ভাৰতৰ প্ৰাকৃতিক গেছৰ আন্তঃগাঁথনিয়ে আলোকপাত কৰিছে আৰু ২০২৫ বৰ্ষৰ মাৰ্চ মাহলৈকে ১৫.৩ মিলিয়নতকৈ অধিক ঘৰুৱা সংযোগ সেৱা আগবঢ়োৱা অনুমোদিত পাইপলাইন ৩৪, ০০০ কিলোমিটাৰতকৈও অধিক বিস্তৃত, আৰু বাৰ্ষিক ৮ শতাংশতকৈ অধিক হাৰত বৃদ্ধি অব্যাহত ৰাখিছে। এই সম্প্ৰসাৰণৰ পিছতো ভাৰতৰ ১ শতাংশতকৈও কম প্লাম্বাৰক গেছ বিতৰণ ব্যৱস্থাৰ সৈতে নিৰাপদ আৰু দক্ষতাৰে কাম কৰিবলৈ আনুষ্ঠানিকভাৱে প্ৰশিক্ষণ দিয়া হয় বুলি উল্লেখ কৰি এই খণ্ডত বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ১২ লাখতকৈ অধিক দক্ষ কাৰিকৰী বিদ্যাৰ যুৱকৰ প্ৰয়োজন বুলি মন্তব্য কৰি ভাৰতে ২০৩০ চনৰ ভিতৰত নিজৰ প্ৰাকৃতিক গেছৰ অংশ প্ৰায় ৬ক্ষৰ পৰা ১৫ শতাংশ লৈ বৃদ্ধি কৰাৰ লক্ষ্য ৰাখিছে, যাৰ ফলত এই বৃদ্ধি পোৱা খণ্ডত সুৰক্ষা, নিৰ্ভৰযোগ্যতা, আৰু অনুসৰণ নিশ্চিত কৰিব পৰা যোগ্য শ্ৰমিকৰ প্ৰবল চাহিদা বৃদ্ধি পাইছে বুলি মন্তব্য কৰে। অসমৰ তেল আৰু গেছ খণ্ডৰ উল্লেখযোগ্য অনুষ্ঠান নুমলীগড় শোধনাগাৰ লিমিটেড (এন আৰ এল)ৰ কৰ্পৰেট সামাজিক দায়বদ্ধতা (চি এছ আৰ) কাৰ্যসূচীৰ পুঁজিৰে গঠিত এই প্ৰকল্পটোৱে আৱাসিক প্ৰশিক্ষণ আৰু উপাদানসমূহৰ বাবে ডেলিভাৰী পাৰ্টনাৰ হিচাপে ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই) মাজুলীৰ আন্তঃগাঁথনি আৰু বিশেষজ্ঞতাক লাভৱান কৰিব বুলি উল্লেখ কৰে। এমএমজিএলডিয়ে এই প্ৰকল্পটো বৈচিত্ৰ্যময় অংশীদাৰসকলৰ শক্তিসমূহৰ লাভ উঠাবলৈ প্ৰয়াস কৰাৰ লগতে বিশেষজ্ঞতা, সম্পদ, আৰু নেটৱৰ্কসমূহক একত্ৰিত কৰি পৰিপূৰক শক্তিসমূহ সংশ্লেষণ কৰা এক সংহত আৰ্হি লৈছে বুলি বিষয়া জনে মন্তব্য কৰে। এমএমজিএলডিয়ে সামগ্ৰিক প্ৰকল্পৰ সমন্বয়ৰ সুবিধা প্ৰদান কৰি, প্ৰশিক্ষণ লজিষ্টিক পৰিচালনা, প্ৰক্ৰিয়াৰ নথিপত্ৰ তদাৰক আৰু পদক্ষেপৰ সফল কাৰ্য্য নিৰ্বাহ নিশ্চিত কৰিবলৈ আউটৰিচ প্ৰচেষ্টাসমূহক আগুৱাই লৈ যায়। সংস্থাটোৱে এই প্ৰকল্পটোক পাইলট প্ৰকল্প হিচাপে কল্পনা কৰিছে যাৰ লক্ষ্য হৈছে বৃহত্তৰ মডেললৈ পৰিণত কৰা। যাৰ যোগেদি অঞ্চলটো আৰু ইয়াৰ জনসাধাৰণক স্থায়ী সুবিধা প্ৰদান কৰিব পাৰে বুলি মাজুলী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ অনন্দ শইকীয়াই ভাষণ প্ৰদান কৰি ভাৰতৰ কৌশলগত শক্তি আৰু আৰ্থিক উন্নয়ন লক্ষ্যৰ সৈতে মিল ৰাখি, এই প্ৰকল্পই কৰ্পৰেট সামাজিক দায়বদ্ধতা উদ্যোগ বিস্তৃত সামাজিক-আৰ্থিক পৰিৱৰ্তনৰ প্ৰেৰক হিচাপে গঢ়ি তুলিব বুলি উল্লেখ কৰে। কালিৰ প্ৰশিক্ষণৰ শুভাৰম্ভণী অনুষ্ঠানত প্ৰকল্পটোৰ মুখ্য প্ৰশিক্ষক ড° পূনীত মহন, প্ৰশিক্ষণ সমন্বয়ক সিদ্ধাৰ্থ ফুকনকে ধৰি নুমলীগড় শোধনাগাৰৰ বহুকেইজন বিষয়া কৰ্মচাৰী উপস্থিত থাকে। কালিৰ সভখনৰ শেষত উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে বিশেষভাৱে দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগৰ সঞ্চালক আৰু নুমলীগড় শোধনাগাৰৰ সঞ্চালক সহ সকলো বিষয়াক মাজুলী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ অনন্দ শইকীয়াই বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ত বিশ্ব এইডছ্ দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩ ডিচেম্বৰ :** ডিব্ৰুগড়ৰ স্বেচ্ছাসেৱী অনুষ্ঠান "সেৱা"ই বিশ্ব এইডছ দিৱস ২০২৫ উদ্‌যাপন কৰে। এই উপলক্ষে আজি (১ ডিচেম্বৰ) ডিব্ৰুগড়ৰ পুষ্কৰ সৰোবৰ পৰ্টিকত বছৰৰ বিশ্বব্যাপী বিষয়বস্তু "বিঘিনি অতিক্ৰম কৰা, এইডছ প্ৰতিক্ৰিয়াৰ ৰূপান্তৰ"ৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচীয়ে চৰকাৰী বিষয়া, স্বাস্থ্য কৰ্মী, সেৱা প্ৰদানকাৰী, সমাজৰ বিভিন্ন বৰ্গৰ প্ৰতিনিধি, চাহ বাগিচাৰ যুৱক যুৱতী সকলক একত্ৰিত কৰি এইচ আই ভি/এইডছক জনস্বাস্থ্যৰ ভাবুকি হিচাপে প্ৰতিৰোধ কৰাৰ দিশত সামূহিক প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। এই উপলক্ষে বিশেষ অতিথি হিচাপে ভাষণ দি ডিব্ৰুগড়ৰ অতিৰিক্ত জিলা উপায়ুক্ত (স্বাস্থ্য) প্ৰাঞ্জল বৰুৱা এইচ আই ভি/এইডছ ৰোগত আক্ৰান্ত লোকসকলৰ বাবে অধিক শক্তিশালী সামাজিক সহায়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু আক্ৰান্ত সকলৰ বাবে বৈষম্যমুক্ত সমাজৰ প্ৰয়োজন বুলি কয়। তেওঁ ঘৰুৱা পৰিৱেশত অভিভাৱকসকলে এইচ আই ভি সম্পৰ্কীয় বিষয়সমূহৰ নিজৰ সন্তানৰ সৈতে মুকলিকৈ কথা পাতিবলৈ আহ্বান জনায় আৰু ড্ৰাগছ সেৱনকাৰী সকলৰ মাজত এইচ আই ভি সংক্ৰমণ হ্ৰাস কৰাৰ স্বাস্থ্য বিভাগৰ পদক্ষেপক সমূহ অধিক জনপ্ৰিয় কৰিবলৈ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহক আহ্বান জনায়। তেওঁ অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ অ এছ টি সেৱা অসম চিকিৎসা মহাবিদ্যালয়ৰ এক্সচেঞ্জ কাৰ্য্যসূচীৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ জৰিয়তে বিশেষ ভাৱে ড্ৰাগছ আসক্ত সকলৰ সুস্বাস্থ্যৰ বাবে ডিব্ৰুগড় জিলাত ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজু বাহাদুৰ ছেত্ৰীয়ে ড্ৰাগছ সেৱনৰ বিৰুদ্ধে সামূহিক ব্যৱস্থা গ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ আশ্বাস দিয়ে যে আৰক্ষীয়ে অবৈধ সৰবৰাহ আৰু অবৈধ ড্ৰাগছ ৰখাৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে। জিলা আইন সেৱা প্ৰাধিকৰণৰ সম্পাদক অভিজিৎ শইকীয়াই পি এল এইচ আই ভি সকলে সন্মুখীন হোৱা কলংক আৰু বৈষম্যৰ বিষয়ে কয়। তেওঁ এইচ আই ভি/এইডছ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন ২০১৭ৰ তাৎপৰ্যৰ ওপৰত আলোকপাত কৰে, এই আইনে এইচ আই ভি পজিটিভ ব্যক্তি আৰু স্বাস্থ্যকৰ্মীসকলৰ অধিকাৰ সুৰক্ষিত কৰে। অসম চিকিৎসা মহাবিদ্যালয়ৰ মাইক্ৰ'বায়'লজীৰ সহযোগী অধ্যাপক ডাঃ পাৰ্থ প্ৰতীম দাসে ভাষণত কয় যে পৰিৱৰ্তিত জীৱনশৈলীয়ে যুৱক-যুৱতী সকলৰ মাজত কেনেদৰে বিপদ সংকুলতা বৃদ্ধি কৰিছে। তেওঁ উল্লেখ কৰে যে এ এম চি এইচৰ ইণ্টিগ্ৰেটেড কাউন্সেলিং এণ্ড টেষ্টিং চেণ্টাৰে (আই চি টি চি) ৰোগীৰ গোপনীয়তা নিশ্চিত কৰাৰ লগতে বিনামূলীয়া এইচ আই ভি পৰীক্ষা সেৱা আগবঢ়োৱা হয়। ডি এছ আৰ চি এছ এছ কে, এ এম চি এইচৰ পৰামৰ্শদাতা ডাঃ কিৰন জ্যেতি ফুকনে যৌনৰোগৰ ভয়াৰহতাৰ সম্পৰ্কে গণ সজাগতাৰ ওপৰত গুৰুত্বৰ গুৰুত্ব আৰোপ কৰে। তেওঁ চিকিৎসা নকৰা এছ টি আইৰ ফলত এইচ আই ভি সংক্ৰমণৰ প্ৰাদুৰ্ভাৱৰ হাৰ অধিক হ'ব পাৰে বুলি সকীয়াই দি চিকিৎসা মহাবিদ্যালয়ত থকা ডি এছ আৰ চি এছ টি আই ক্লিনিকত বিনামূলীয়া সেৱাৰ সুবিধা ল'বলৈ আহ্বান জনায়। এ এম চি এইচৰ অ' এছ টি চেণ্টাৰৰ চিকিৎসা বিষয়া ডাঃ পিংকি পদ্দাৰে অ' এছ টি চেণ্টাৰে বেজীৰ সহায়ক অবৈধ ড্ৰাগছ সেৱনকাৰী (আই ডি ইউ)ৰ বাবে প্ৰদান কৰা সুবিধাসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে অপিঅ'ইড চাবষ্টিটিউচন থেৰাপী ড্ৰাগছ আসক্তসকলৰ বাবে বিপদজনক আচৰণৰ পৰা হাত সাৰিবলৈ অন্যতম উত্তম বিকল্প। উদ্দেশ্য ওপৰত ভাষণ দি সেৱাৰ উপ-সভাপতি আৰফান হুছেইনে কলংক আৰু বৈষম্যৰ বিৰুদ্ধে যুঁজিবলৈ সকলো অংশীদাৰৰ মাজত সহযোগিতা -মূলক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়, যাতে বেচৰকাৰী সংস্থা আৰু স্বাস্থ্য বিষয়াসকলে অধিক ফলপ্ৰসূভাৱে সঁহাৰি জনাব পাৰে। সেৱাৰ সম্পাদক আলতাফ হুছেইনে নৱ প্ৰজন্মক ইতিবাচক চিন্তাধাৰা গ্ৰহণ কৰিবলৈ, আত্মসচেতনতা বৃদ্ধি কৰিবলৈ, আৰু জ্ঞাত সিদ্ধান্ত ল'বলৈ আহ্বান জনায়। সমিতিৰ সহ-প্ৰতিষ্ঠাপক তথা সমন্বয়ক পিংকি বিশ্বাসে এল জি বি টি কিউ সম্প্ৰদায়ৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি বৈষম্যৰ অন্ত পেলাবলৈ সমাজৰ সকলো শ্ৰেণীৰ সহায়ৰ আহ্বান জনায়। অনুষ্ঠানটি পৰিচালনা কৰে সেৱাৰ আঁচনিৰ বিষয়া ডিটি চাংমাই বৰুৱাই। সামৰণিত চৰকাৰী বিভাগ, স্বাস্থ্যসেৱা প্ৰতিষ্ঠান, নাগৰিক সমাজৰ গোট, আৰু যুৱক-যুৱতীকে ধৰি সকলোকে সজাগতা বৃদ্ধি কৰিবলৈ, আৰু পৰীক্ষা আৰু চিকিৎসা সেৱাৰ সুবিধা সম্প্ৰসাৰণৰ বাবে এক সামূহিক আহ্বান জনায়। অংশগ্ৰহণকাৰী সকলৰ ভিতৰত আছিল চাহ বাগিচাৰ যুৱক-যুৱতী, ড্ৰাগছ পুনৰ্বাসন কেন্দ্ৰৰ সদস্য, এন জি অ', চি বি অ', সম্প্ৰদায়ৰ প্ৰতিনিধি, চৰকাৰী স্বাস্থ্য বিষয়া, পি এল এইচ আই ভি, আৰু এল জি বি টি কিউ সদস্য ইত্যাদি। দিৱসৰ লগত লগত সংগতি ৰাখি এক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

# ডিব্ৰু মহাবিদ্যালয়ে লাভ কৰিলে চাৰিবছৰীয়া বি. এড্ পাঠ্যক্ৰমৰ বাবে এন চি ই টি ৰ অনুমোদন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩ ডিচেম্বৰ :** ডিব্ৰুগড়ৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ে চাৰিবছৰীয়া বিএ বিএড্ আৰু বিএচচি বিএড্ পাঠ্যক্ৰম মুকলি কৰিবৰ বাবে নেচনেল কাউন্সিল অফ টিচাৰ্চ এডুকেশ্বনৰ পৰা অনুমোদন লাভ কৰিছে। দুয়োটা পাঠ্যক্ৰমৰ প্ৰত্যেকৰে অনুমোদিত ছাত্ৰ ছাত্ৰীৰ আসনৰ সংখ্যা হৈছে ৫০খন অৰ্থাৎ সৰ্বমুঠ ১০০ খন। আগন্তুক বৰ্ষ অৰ্থাৎ ২০২৬ চনৰ পৰা এই পাঠ্যক্ৰমৰ বাবে নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। নামভৰ্তি কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে নিম্নতম যোগ্যতা হিচাপে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব আৰু নেচনেল টেষ্টিং এজেন্সী অৰ্থাৎ এন টি এৰ দ্বাৰা বিএড্ পাঠ্যক্ৰমৰ বাবে অনুষ্ঠিত হ'বলগীয়া প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। ইচ্ছুক ছাত্ৰ ছাত্ৰীসকলে বিতং তথ্যৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিব পাৰিব বুলি অধ্যক্ষ ড° ৰঞ্জন চাংমাইয়ে জানিবলৈ দিছে।

# অসম দিৱসৰ দিনাই নাজিৰাত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিমূৰ্তি উন্মোচন



**অসম বাৰ্তা, নামতি, গেলেকী, ৩ ডিচেম্বৰ :** আহোম ৰাজ্যৰ মহান প্ৰতিষ্ঠাতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ মহান আদৰ্শ আৰু অৱদানৰ প্ৰতি শ্ৰদ্ধা জনাই আজি অসম দিৱসৰ ঐতিহাসিক দিনটোক স্মৰণ কৰি, টাই আহোম উন্নয়ন পৰিষদৰ উদ্যোগত তথা সদৌ টাই আহোম ছাত্ৰ সন্থা নাজিৰা মহকুমা সমিতিৰ সহযোগত নাজিৰা চাৰি আলিত নিৰ্মিত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিমূৰ্তিৰ আজি শুভ উদ্বোধন কৰা হয়। উদ্বোধন কৰে অসম চৰকাৰৰ জল সম্পদ, তথ্য, জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে দুশ গৰাকী মুলঙৰ দ্বাৰা বানফি পূজা অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছতে এক সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিমূৰ্তি উন্মোচন স্থানৰ পৰা নাজিৰা খেলপথাৰ লৈ আৰম্ভ কৰা হয়। তদুপৰি, আজিৰ এই দিৱসৰ লগত সংগতি ৰাখি সাংস্কৃতিক পৰিক্ৰমা বিভাগ, টাই আহোম উন্নয়ন পৰিষদৰ উদ্যোগত তথা শিৱসাগৰ জিলা প্ৰশাসন আৰু আটাছু নাজিৰা মহকুমা সমিতিৰ সহযোগত নাজিৰা খেল পথাৰত এক মুকলি সভাৰ আয়োজন কৰা হয়। সভাৰ আৰম্ভণিতে আমন্ত্ৰিত ২০০ গৰাকী টাই শিল্পীৰ দ্বাৰা আইচিং লাও, ইয়াৰ পৰৱৰ্তী সময়ত অসম সংগীত আৰু স্থানীয় শিল্পীৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা হয়। উল্লেখযোগ্য যে, আজিৰ সভাৰ সন্মানীয় বক্তা সকলে চ্যুকাফাক অসমীয়া জাতিৰ স্ৰষ্টা আৰু দ্ৰষ্টা বুলি আখ্যা দিয়ে। আহোম সকলৰ ৬০০ বছৰীয়া ৰাজত্বৰ সোণালী অভিযাত্ৰা বিষয়ে বৰ্ণনা কৰি তেখেত সকলে কয় যে চ্যুকাফাই অসমীয়া জাতিটোক একতাৰ দোলেৰে বান্ধিছিল। সমাজ, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি সম্পৰ্কে উচ্চ ভাৱনাৰ দ্বাৰা পৰিচালিত মহান ব্যক্তি চ্যুকাফাই সংহতি, সম্প্ৰীতি আৰু একতাৰ মন্ত্ৰৰে গঢ়ি তুলিছিল সমন্বয় সংস্কৃতি আৰু এখন বৃহত্তৰ অসমীয়া সমাজ। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সাংস্কৃতিক পৰিক্ৰমা বিভাগ, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মাননীয় মন্ত্ৰী বিমল বড়া লগতে সন্মানীয় অতিথি ৰূপে উপস্থিত থাকে, পাৰ্বত্য অঞ্চল উন্নয়ন, সমবায় আদি বিভাগৰ মাননিয় মন্ত্ৰী যোগেন মহন আৰু জলসম্পদ, তথ্য আৰু জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী আদি বিভাগৰ মাননিয় মন্ত্ৰী পীযুষ হাজৰীকা তথা বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁই, সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, মৰাণ বিধান সভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, আমগুৰি বিধান সভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰীকা আৰু থাওৰা বিধান সভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল দাস, অসম চাহ নিগমৰ অধ্যক্ষ শিৱপ্ৰসাদ বদ্ৰা, বিশিষ্ট সমাজকৰ্মী বিতু পন ৰাইদিহিঙীয়া আৰু মৃদুল মহন্ত, সদৌ অসম লাহন বংশাৱলীৰ সভাপতি নাৰায়ণ লাহন, জনপ্ৰিয় অভিনেত্ৰী প্ৰীয়ম পল্লৱী আৰু কণ্ঠশিল্পী জ্যোতিমালা বুঢ়াগোহাঁইৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষা, ড° বন্তিৰাণী গগৈ। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত টাই আহোম উন্নয়ন পৰিষদৰ তৰফৰ পৰা প্ৰয়াত গণশিল্পী ডামচাও ৰাজীৱ শদীয়াৰ পৰিয়াল বৰ্গলৈ পাঁচ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

# বিটিচিৰ মনোনীত এমচিএলএ কৰ্মেশ্বৰ ৰায়ক সম্বৰ্ধনা কোচৰাজবংশী জনগোষ্ঠীয় বিভিন্ন সংগঠনৰ

**অসম বাৰ্তা, দোতমা, ৩ ডিচেম্বৰ :** বিটিছিৰ মনোনীত পাৰিষদ কৰ্মেশ্বৰ ৰায়ক আয়তীৰ উৰুলি আৰু বেণ্ডপাৰ্টীৰে উষ্ম আদৰনি বলদিয়াবাথা গাঁৱত। বিটিছি পৰিষদত কোচৰাজবংশী জনগোষ্ঠীৰ প্ৰতিনিধি হিচাপে বিটিছি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আক্ৰাছুৰ প্ৰাক্তন সভাপতি তথা কেএছিৰ ইএম কৰ্মেশ্বৰ ৰায়ক মনোনীত কৰে। কৰ্মেশ্বৰ ৰায়ে বিটিচিৰ পাৰিষদ হিচাপে শপত গ্ৰহণ কৰি ফকিৰাগ্ৰাম সমষ্টিৰ বলদিয়াবাথান গাঁৱত উপস্থিত হোৱাৰ লগে লগেই এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। অবতৰীয়া দিপাবলী সদৃশ আতসবাজীৰ শব্দ আৰু বেণ্ডপাৰ্টীৰ ঢোলৰ গুমগুমনিৰ লগতে আয়তীৰ উৰুলিয়ে মুখৰিত কৰে বলদিয়াবাথান গাঁও। বলদিয়াবাথান গাঁৱত কোচৰাজবংশী জনগোষ্ঠীয় বিভিন্ন সংগঠনৰ নেতৃবৃন্দ উপস্থিত হোৱাৰ লগতে সকলোৰে জাতীয় গামোচাৰে সম্বৰ্ধনা জনায় মনোনীত এমছিএলএ কৰ্মেশ্বৰ ৰায়ক। এমছিএলএ কৰ্মেশ্বৰ ৰায়ে নিজ ঘৰত উপস্থিত হৈ জেষ্ঠ জনক সেৱা জনোৱাৰ লগতে মন্দিৰত সেৱা কৰি ৰাইজৰ লগত মতবিনিময় কৰে।

নতুন সমিতি গঠন, অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্দ্ধনা

# কচুৱাত কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ ৩৬ তম্ বাৰ্ষিক সাধাৰণ সভা




**অসম বাৰ্তা, কচুৱা, ৩ ডিচেম্বৰ :** আজি নগাঁও জিলাৰ কচুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ ৩৬ তম বাৰ্ষিক সাধাৰণ সভাখন দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে সভাপতি প্ৰণৱ কুমাৰ শইকীয়াই। স্মৃতি তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি হবিবুৰ ৰহমান। বকুল চন্দ্ৰ নাথে হিয়াৰ আমঠু মৰমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি বন্তিপ্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছত আব্দুল হাসিম চৌধুৰীৰ সহযোগত বৃক্ষ ৰোপণ কৰা হয়। ইয়াৰ পিছতে কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰণৱ কুমাৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত প্ৰতিনিধি আৰু মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সম্পাদক মতিউৰ ৰহমানে। শিক্ষক হুছেইন আলীয়ে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকে অভ্যৰ্থনা সমিতিৰ সভাপতি হবিবুৰ ৰহমান, কাৰ্যকৰী সভাপতি বকুল নাথ, কঠীয়াতলি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া শংকৰ ছেত্ৰী, কচুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হবিবুৰ ৰহমান, কচুৱা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল হাছিম চৌধুৰী, কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উপদেষ্টা অতুল চন্দ্ৰ বৰা, নগাঁও জিলাৰ কৰ্মচাৰী পৰিষদৰ সভাপতি যজ্ঞেশ্বৰ ৰাজখোৱা, সম্পাদক শ্যামন্ত দাস, সাংগঠনিক সম্পাদক আজিজুৰ ৰহমান, পাৰ্থজোতি দাস, মিণ্টু শৰ্মা, কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছইদুৰ ৰহমান, সমাজসেৱক জহুৰ আলী সহ কচুৱাৰ বহু সংখ্যক শিক্ষক সকলৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উক্ত সভাতেই কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ পূৰ্বৰ সমিতিখন ভংগ কৰি পুনৰ বাৰ নতুনকৈ প্ৰনৱ কুমাৰ শইকীয়া সভাপতি আৰু মতিউৰ ৰহমান সম্পাদক হিচাপে নিৰ্বাচিত হয়। ইপিনে সভাত প্ৰায় ৩০ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰীক বিপুল সম্বৰ্দ্ধনা জনোৱা হয়।

শ্ৰেষ্ঠ পাণ্ডুলিপি বঁটা লাভ নাট্যকাৰ জ্যোতিপ্ৰসাদ ভূএঞাৰ আৰু শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ পৰিচালক লোহিত বৰাৰ

# মৰিগাঁৱত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতাৰ সফল সমাপ্তি



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩ ডিচেম্বৰ :** মৰিগাঁৱত তিনিদিনীয়া বিশাল কাৰ্যক্ৰমনিকাৰে অনুষ্ঠিত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতাখনৰ যোৱা নিশা সফল ভাবে সামৰণি পৰে। এই প্ৰতিবেদনখনত ৰাজ্যৰ আগশাৰীৰ ৩৫ টাকৈ নাট্যদলে যোগদান কৰিছিল। প্ৰতিযোগিতাৰ ঘোষিত ফলাফলত নগাঁৱৰ জ্যোতি শিল্প দলটোৱে শ্ৰেষ্ঠ নাট্যদলৰ খিতাপ অৰ্জন কৰে। নাট্যদলটোৱে প্ৰদৰ্শন কৰা নাটখন আছিল বলুকাত বিয়লি বেলা। দ্বিতীয় শ্ৰেষ্ঠ নাট্যদলটো হ'ল গুৱাহাটীৰ সন্ধানী নাট্য দল। তেওঁলোকে প্ৰদৰ্শন কৰা নাটখন হ'ল বিভূ। আনহাতে তৃতীয় শ্ৰেষ্ঠ নাট্যদল হ'ল গুৱাহাটীৰ নট'তীৰ্থ নাট্য দল। তেওঁলোকৰ প্ৰদৰ্শিত নাটখন হ'ল এ. বিউটিফুল মেলডি। ইপিনে প্ৰতিযোগিতা-খনত শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে বলুকাত বিয়লি বেলা নাটৰ পৰিচালক লোহিত বৰাই। শ্ৰেষ্ঠ পাণ্ডুলিপি বঁটা লাভ কৰে গোন্ধ নাটকৰ নাট্যকাৰ জ্যোতিপ্ৰসাদ ভূএঞাই। শ্ৰেষ্ঠ অভিনেতাৰ বঁটা বাঘ নাটকৰ ৰঞ্জন তালুকদাৰলৈ, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে হেডচাৰ নাটকৰ ৰাজীৱ লোচন বৰাই। একেদৰে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে এঙাৰ নাটকৰ বনলতা দেৱীয়ে, দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে বলুকাত বিয়লি বেলা নাটকৰ প্ৰিয়াংকি বৰাই। শ্ৰেষ্ঠ কৌতুক অভিনেতাৰ বঁটা লাভ কৰে কোন পথৰ পথিক নাটকৰ নেত্ৰ কমল বৰাই। শ্ৰেষ্ঠ সহশিল্পী বঁটা যুটীয়াভাৱে লাভ কৰিছে বিভূ নাটকৰ বৰ্নিকা ঘোষ আৰু সুজন বৰ্মনে। শ্ৰেষ্ঠ শিশুশিল্পী চকু নাটকৰ ধৃতি কাকতি। শ্ৰেষ্ঠ আলোক সজ্জা বঁটা লাভ কৰিছে নগাঁৱৰ জ্যোতি শিল্প নাট্য দলে। শ্ৰেষ্ঠ আবহ সংগীত বঁটা লাভ কৰিছে মংগলদৈৰ জেংৰাই নাট্য দলে প্ৰদৰ্শন কৰা টোটয় নাটকত। শ্ৰেষ্ঠ দৃশ্য সজ্জাৰ বঁটা লাভ কৰে বোকাখাটৰ সাৰথি নাট্য গোষ্ঠীয়ে প্ৰদৰ্শন কৰা বিড়াল তপস্বী নাটকে। আনহাতে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে পাছৱৰ্ড নাটকৰ ৰঞ্জিত কুমাৰ ফুকন আৰু বিড়াল তপস্বী নাটৰ ভাৰ্গৱজ্যোতি কলিতাই। প্ৰতিযোগিতাখনত বিচাৰকৰ আসন অলংকৃত কৰিছিল ক্ৰমে সীমান্ত ফুকন, অসীম শৰ্মা আৰু প্ৰণামী বৰাই। প্ৰতিযোগিতাখনত উপস্থিতি আৰু সৰ্বতোপ্ৰকাৰে সহায় সহযোগিতা বঢ়োৱাৰ বাবে সকলো স্তৰৰ ৰাইজৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে নাট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি লিপিকা বৰুৱা, কাৰ্যকৰী সভাপতি অজিত শৰ্মা, সম্পাদক সীমান্ত হাজৰিকা আৰু প্ৰণৱ দাসে।

# পৰীক্ষিত নাৰায়ণ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ধৰ্মকান্ত বৰুৱাৰ বিদায় সভা সম্পন্ন

**অসম বাৰ্তা, দেওমৰনৈ, ৩ ডিচেম্বৰ :** কলাইগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত সুদীৰ্ঘ ৩৬ বছৰ বৰ্ণিল শিক্ষকতা জীৱনৰ সফলতাৰে ঔতলা বৰ্ধিত মণ্ডল-সমল কেন্দ্ৰৰ অন্তৰ্গত ১৯৯০ চনত স্থাপিত অন্যতম বৌদ্ধিক কেন্দ্ৰস্থল পৰীক্ষিত নাৰায়ণ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা দৰং জিলা হাইস্কুল শিক্ষক সন্থাৰ সভাপতিৰ লগতে এগৰাকী বিশিষ্ট কবি হিচাপে ধৰ্মকান্ত বৰুৱা দেৱে অৱসৰ গ্ৰহণ কৰে। বিদ্যালয়ৰ শিক্ষকতা বৃত্তিৰ সৈতে জড়িত হৈ ২০২০ চনত জিলা কৃতী শিক্ষকৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱা ধৰ্মকান্ত বৰুৱাক যোৱা ৰবিবাৰে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। বিদায় উপলক্ষে বিদ্যালয়ত অনুষ্ঠিত হোৱা সভাত পৰিচালনা সমিতিৰ সভাপতিয়ে সভাপতিত্ব কৰা অনুষ্ঠানত অতিথিৰ আসন অলংকৃত কৰে কলাইগাঁও শিক্ষাখণ্ডৰ গাণনিক চাহাবুদ্দিন আহমেদ, অৱসৰ প্ৰাপ্ত অসম চৰকাৰৰ অৱৰ সচিব বালিৰাম নাথ, বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান নিৰঞ্জন নাথ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে। সভাৰ শেষত বৰুৱাক প্ৰায় তিনি শতাধিক ৰাইজে গায়ন বায়নৰ সৈতে নিজ গৃহলৈ আদৰি লৈ যায়। নিজ গৃহতো ধৰ্মকান্ত বৰুৱাদেৱৰ অৱসৰ উপলক্ষে তেখেতৰ দৰঙৰ ঔতলাস্থিত বাসগৃহত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বিশিষ্ট শিক্ষাবিদ ধনী ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত সভাত অবিভক্ত দৰং জিলাৰ বৌদ্ধিক সমাজ আৰু বিশিষ্ট লোকৰ উপস্থিতিত বৰুৱাদেৱৰ জীৱন পৰিক্ৰমা সম্বলিত গ্ৰন্থ "অভিযাত্ৰী" উন্মোচন কৰে ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকাই।

# জনগোষ্ঠীয় সমন্বয় গঢ়ি তোলাৰ লক্ষ্যৰে সাংস্কৃতিক ঐক্য যাত্ৰা; গোৰেশ্বৰত উষ্ম আদৰণি

**অসম বাৰ্তা, গোৰেশ্বৰ, ৩ ডিচেম্বৰ :** অসমত জনগোষ্ঠীয় সমন্বয় গঢ়ি তোলাৰ লক্ষ্যৰে জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমে শদিয়াৰ পৰা ধুবুৰীলৈ উলিওৱা সাংস্কৃতিক ঐক্য যাত্ৰাৰ দলটি সোমবাৰে তামোলপুৰ জিলাৰ গোৰেশ্বৰত উপস্থিত হয়। জানিব পৰা মতে, গোৰেশ্বৰ চহৰত উপস্থিত হোৱা সাংস্কৃতিক ঐক্য যাত্ৰাৰ দলটিক আৰ্যভট্ট আইডিয়েল একাডেমীৰ চৌহদত এক বৰ্ণিল অনুষ্ঠানেৰে আদৰণি জনোৱা হয়। আৰ্যভট্ট আইডিয়েল একাডেমীৰ উদ্যোগত অনুষ্ঠিত হোৱা আদৰণি অনুষ্ঠানত দলটিক আদৰণি জনায় একাডেমীৰ স্বত্বাধিকাৰী ডাঃ বাবু ৰাভা হাকাচামে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰে অনুষ্ঠিত হোৱা আদৰণি অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে ব্ৰজ ডেকাই। অনুষ্ঠানত জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চৰ মুখপাত্ৰ ডাঃ বাবু বড়োই মহান শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতে মায়াবিনী গীতেৰে শুভাৰম্ভ হোৱা সাংস্কৃতিক অনুষ্ঠানত বৰ অসমৰ ভিন্ন সংস্কৃতিৰ নৃত্য-গীত পৰিবেশনৰ আৰম্ভণি কৰে জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমৰ সম্পাদক প্ৰহ্লদ মিলিয়ে। উক্ত অনুষ্ঠানত স্থানীয় শিল্পী বিপিন ডেকা, হেমেন ডেকা, শংকৰ ৰাজবংশী প্ৰমুখ্যে আৰ্যভট্ট আইডিয়েল একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখ্য যে, অসমত জনগোষ্ঠীয় সমন্বয় গঢ়ি তোলাৰ লক্ষ্যৰে জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমে ওলিওৱা ৩৪ দিনীয়া সাংস্কৃতিক ঐক্য যাত্ৰা ধুবুৰীত সামৰণি পৰিব।

# ইউ পি পি এল দল ত্যাগ চিৰাং জিলাৰ কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বিষয়-ববীয়াৰ

**অসম বাৰ্তা, বাসুগাঁও, ৩ ডিচেম্বৰ :** ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত স্থিতি স্পষ্ট নকৰাৰ অভিযোগ উত্থাপন কৰি প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলৰ পৰা বিভিন্ন পদবীত জড়িত কোঁচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকল পদত্যাগৰ ধুম উঠিছে। যোৱা তিনিদিন ধৰি বিভিন্ন ঠাইত, বিভিন্ন পদবীৰ পৰা পদত্যাগ কৰে ইউ পি পি এল দলৰ সতে জড়িত থকা কোঁচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে। আজিও চিৰাং জিলা সমিতিৰ উপ-সভাপতি বিক্ৰমজিত সিংহ চৌধুৰী আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চনু ৰায়ৰ লগতে জিলা, ব্লক, আঞ্চলিক পৰ্যায়ৰ নেতা-কৰ্মীয়ে প্ৰায় কুৰি গৰাকী ইউ পি পি এল দলৰ পৰা পদত্যাগ কৰি দলটিৰ সুবিধা জনক ভূমিকা গ্ৰহণ কৰি অহা বুলি অভিযোগ উত্থাপন কৰি তীব্ৰ আপত্তি দৰ্শায়। উল্লেখযোগ্য যে আবছু আৰু ইউ পি পি এল এটি টকাৰ ইপিঠ-সিপিঠ। ইউ পি পি এল ৰাজনৈতিক দল হ'লেও বিভিন্ন ক্ষেত্ৰত আবছুৰ নিৰ্দেশত দলটি উঠা-বহা কৰে বুলি একাংশ পদত্যাগ কাৰীয়ে অভিযোগ উত্থাপন কৰে।

বিশ্বৰ প্ৰথমটো গণ অভ্যুত্থান 'মোৱামৰীয়া বিদ্ৰোহ'ৰ নায়কক স্বীকৃতি দিবলৈ দাবী

# ডুমডুমা 'বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়'ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰকঃ পলাশ চাংমাই

**অসম বাৰ্তা, পেঙেৰী, ১ ডিচেম্বৰ** ঃ "তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰূপাই চাইডিঙস্থিত 'ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী মহাবিদ্যালয়'ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰক।" - এই দাবী অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইৰ। যোৱা ১৯ নৱেম্বৰত তিনিচুকীয়া জিলাৰ বাৰেকুৰি অঞ্চলৰ যজ্ঞোখোৱা ৰাজহুৱা খেলপথাৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত অনুষ্ঠিত ২৯০ সংখ্যক 'বীৰ ৰাঘৱ মৰাণ দিৱস' উদযাপনৰ মুকলি সভাত সভাপতিৰ আসনৰ পৰা অসম চৰকাৰক উদ্দেশ্যি এই দাবী উত্থাপন কৰে যুৱ-ছাত্ৰ পৰিষদৰ সভাপতিগৰাকীয়ে। উল্লেখ্য যে, অসমৰ ঐতিহাসিক বীৰ-বীৰাঙ্গনাসকলৰ ভিতৰত বিশ্বৰ প্ৰথম গণ অভ্যুত্থানৰ মোৱামৰীয়া বিদ্ৰোহৰ নায়ক বীৰ ৰাঘৱ মৰাণ অন্যতম। কিন্তু এই বীৰগৰাকী এতিয়াও উপেক্ষিত হৈ ৰ'ল বুলি সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইয়ে অনুভৱ কৰে। উল্লেখযোগ্য যে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে প্ৰতি বছৰে কেন্দ্ৰীয়ভাৱে বীৰ ৰাঘৱ মৰাণ দিৱস উদযাপন কৰি আহিছে। আনহাতে, অসম চৰকাৰেও প্ৰতিবছৰৰ ১৯ নৱেম্বৰ তাৰিখে তিনিচুকীয়া জিলাত মৰাণ জনগোষ্ঠীৰ পিতৃ সংগঠন 'অসম মৰাণ সভা'ৰ স'তে যৌথভাৱে বীৰ ৰাঘৱ মৰাণ




পাতিয়েই বীৰজনাৰ বীৰত্বৰ গাঁথা সীমাবদ্ধ ৰাখিছে। বিপৰীতে, অসমত ঐতিহাসিকভাৱে ব্ৰিটিছ প্ৰশাসক চাৰ হেনৰী ষ্টেডমেন কটনৰ নামত 'কটন মহাবিদ্যালয়' (পাছত বিশ্ববিদ্যালয়লৈ উন্নীত) কে প্ৰমুখ্য কৰি মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, অনিৰুদ্ধদেৱ, ভট্টদেৱ, কৃষ্ণগুৰু, ৰজা ভাস্কৰ ভাৰ্মা, বীৰ লাচিত বৰফুকন, বীৰাঙ্গনা সতী সাধনী, পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, জগন্নাথ বৰুৱা, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, ৰজা চ্যুকাফা (প্ৰস্তাৱিত) আদিৰ নামত বিভিন্ন বিশ্ববিদ্যালয় স্থাপিত হৈছে। এই সন্দৰ্ভত প্ৰশ্ন কৰাত ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই অত্যন্ত আক্ষেপেৰে কয় যে উক্ত পুৰুধা ব্যক্তিসকলৰ নামৰ বিপৰীতে যদি বিশ্ববিদ্যালয় হ'ব পাৰে, বীৰ ৰাঘৱ মৰাণৰ দৰে এগৰাকী ঐতিহাসিক বীৰ পুৰুষৰ নামত কিয় হ'ব নোৱাৰে? বিশেষকৈ মৰাণ জনগোষ্ঠীয় লোকৰ বসতিপ্ৰধান অঞ্চল হিচাপে তিনিচুকীয়া জিলাৰ ডুমডুমাত চৰকাৰীভাৱে প্ৰতিষ্ঠিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়খনক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিলেহে বীৰজনাক প্ৰকৃত স্বীকৃতি দিয়া হ'ব। এনেয়ে বছৰি বীৰজনাৰ নামত আৱিৰ্ভাৱ তিথি পাতি ভোজ-ভাত খাই লাভ নাই। বীৰজনাৰ প্ৰকৃত মূল্যায়ন হ'ব লাগিব। তেওঁৰ মতে, মহাবিদ্যালয়খনৰ স্থায়ী গৃহ নিৰ্মাণ হৈ আছে আৰু আশে-পাশে শ শ বিঘা চৰকাৰী মাটিও আছে। চৰকাৰৰ সদিচ্ছা থাকিলে মহাবিদ্যালয়খনক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিব পাৰে। তেওঁ তাৎপৰ্যপূৰ্ণভাৱে কয় যে এটা জনগোষ্ঠীৰ বীৰ পুৰুষক প্ৰতিষ্ঠা কৰা মানে আন জনগোষ্ঠীক অসন্মান কৰা নুবুজায়। কাৰণ অনুষ্ঠানটোৰ নামত আন জনগোষ্ঠীৰ পুৰোধা ব্যক্তিৰ নাম উজ্জ্বলাই ৰখাৰো অৱকাশ আছে। উদাহৰণস্বৰূপে, বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহটো কিম্বা পুথিভঁৰালটো মলিয়া তাঁতীৰ নামত, দিলেশ্বৰ তাঁতীৰ নামত কিম্বা আন জনগোষ্ঠীৰ পুৰোধা ব্যক্তিৰ নামত নামকৰণ কৰিলে অসুবিধা কি আছে? তেওঁ আৰু কয় যে মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ নামত বীৰ ৰাঘৱ মৰাণক 'খাৰা' কৰিবলৈ তেওঁ অহোপুৰুষাৰ্থ কৰিছে। অকলে যুঁজ দি আছে। থিয়দঙা দিবলৈ আৰম্ভ কৰা জনগোষ্ঠীটোৰ সচেতন লোকে এতিয়াই চিন্তা নকৰিলে নৱ প্ৰজন্মই একো নকৰে। কাৰণ তেওঁলোকৰ ইতিহাসক লৈ ব্যস্ততা প্ৰদৰ্শনৰ অৱকাশ নাই। তেওঁলোক ভাৰ্চুৱেল জগতখনক লৈহে জীয়াই আছে আৰু থাকিব।

সংগীতৰ মাজত জীৱনদায়িনী মন্ত্ৰ অন্তৰ্হিত হৈ আছে - ড° দেৱজিৎ শইকীয়া

# মাজুলীত বিশিষ্ট শিল্পী উপেন বৰগায়নৰ 'কিযে ভাল লাগে' শীৰ্ষক গীত উন্মোচন

**অসম বাৰ্তা, উজনী মাজুলী, ১ ডিচেম্বৰ** ঃ "সংগীতৰ মাজত জীৱনদায়িনী মন্ত্ৰ অন্তৰ্হিত হৈ আছে। এই সংগীত যদি সত্ৰীয়া পৰিৱেশৰ মাজত সৃষ্টি হয় তেন্তে তাত যুক্ত হৈ পৰে এক সুকীয়া ৰস।" - এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। মাজুলীৰ ঐতিহ্যমণ্ডিত উত্তৰ কমলাবাৰী সত্ৰৰ বিশিষ্ট বৈষ্ণৱ-শিল্পী উপেন বৰা বৰগায়নৰ দ্বাৰা ৰচিত, শিল্পীগৰাকীয়ে নিজে কণ্ঠদান কৰা 'কিযে ভাল লাগে' শীৰ্ষক আধুনিক গীতৰ শ্ৰব্যৰূপটি শুভউন্মোচনী অনুষ্ঠানত অধ্যক্ষ ড°শইকীয়াই এইদৰে কয়। বিশিষ্ট সত্ৰীয়া শিল্পী উপেন বৰা বৰগায়নৰ এই গীতটি শুভ উন্মোচনৰ উদ্দেশ্যে উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘ প্ৰেক্ষাগৃহত আয়োজিত উন্মোচনী সভাখনিত সভাপতিত্ব কৰে মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰাই। উত্তৰ কমলাবাৰী শঙ্কৰদেৱ কৃষ্টিসংঘৰ সম্পাদক তথা সাংবাদিক তীৰ্থ ভূঞা বৰগায়নে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে অকাডেমি বঁটাপ্ৰাপক সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ অধ্যাপক ভবেন বৰবায়নে বন্তি প্ৰজ্বলন কৰাৰ পিছতে গুৱাহাটীৰ শিশুশিল্পী আশ্বাস আয়ুস্মানে বৰগীত পৰিৱেশন কৰে। সভাখনি উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই লগতে কয়— "সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰৰ বাবে অক্লান্ত সাধনাৰে নিজকে সমৰ্পিত কৰিবলৈ যত্নপৰ বৈষ্ণৱ উপেন বৰা বৰগায়নে যথেষ্ট ত্যাগ স্বীকাৰ কৰি সত্ৰীয়া কৃষ্টিক পাৰ্যমানে আগুৱাই নিছে। নিজৰ আশাশুধীয়া ঐকান্তিক সাধনাৰে মহাপুৰুষ দুজনাৰ বৰগীতসমূহ কমলাবৰীয়া পৰম্পৰাৰ আৰ্হিৰে সমাজলৈ আগবঢ়াই দি সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছে।" অনুষ্ঠানত গীতটি উন্মোচন কৰি মাজুলীৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আজন্ম শিল্পী উপেন বৰগায়নে নিজৰ জন্মদিনৰ উপহাৰ হিচাপে এই গীতটি সমাজলৈ উপহাৰ দিবলৈ যত্ন কৰাটো বৰ প্ৰসংশনীয় কথা বুলি উল্লেখ কৰি তেওঁ নিজৰ ভিতৰত সোমাই থকা শিল্পীসত্তাক সঠিকভাৱে কৰ্ষণ কৰিলে সকলোৰে উপকাৰ হ'ব বুলি কয়।



সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক শিল্পী যোগেন দত্ত বৰবায়ন বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সভাখনিত উপেন বৰগায়নৰ পিতৃ মথুৰা হাজৰিকা, শিক্ষাবিদ প্ৰমোদ গোস্বামী, বিবেক দত্ত, দিব্যজ্যোতি কাকতি, অনাতাঁৰ শিল্পী মিতালী গোস্বামী, বিষ্ণু দাস, মালতী শইকীয়া ভূঞা, ৰূপা দত্ত, গুৱাহাটী নিৱাসী প্ৰণামী নেওগ, দিব্যদীপ শইকীয়া, সাৰেং ষ্টুডিঅৰ স্বত্বাধিকাৰী নিৰঞ্জন শইকীয়া বৰবায়ন, দীপক বৰুৱা, দাদু ৰাজখোৱা, অংকুৰজ্যোতি বৰা, ভাস্কৰ শইকীয়া, বিতোপন বৰা, পৰমানন্দ গায়ন, জুমন বৰা, মৃদুল শইকীয়া, নয়নমণি শইকীয়া, সমাজ সংগঠক ধ্ৰুৱজোতি বৰা, মুনীন্দ্ৰ ভূঞা, পাপুল শইকীয়া, সমুদ্ৰ হাজৰিকা, প্ৰভাত হাজৰিকা আদি বিশিষ্ট ব্যক্তিসকল সমন্বিতে ডেৰ শতাধিক লোক উপস্থিত থাকে। সভাখনিৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে শিল্পী উপেন বৰা বৰগায়নে।

## মনোময় চাহ বাগিছাত যোগ প্ৰণায়মৰ প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ১ ডিচেম্বৰ** ঃ অলপতে মনোময় চাহ বাগিচাৰ নৱকিৰণ মঞ্চৰ উদ্যোগত আৰু মনোময় ভলীবল কোচিং চেণ্টাৰৰ সহযোগত ভলীবলৰ খেলুৱৈ সকলক এক যোগ-প্ৰণায়মৰ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। জানিব পৰা মতে হৰিদ্বাৰত প্ৰশিক্ষণ প্ৰাপ্ত যোগ গুৰু অঞ্জুমণি বৰাই প্ৰশিক্ষাৰ্থী সকলক যোগ-প্ৰাণায়মৰ প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰায় ৫০ জনৰো অধিক খেলুৱৈয়ে অংশ গ্ৰহণ কৰা প্ৰশিক্ষণত মনোময় চাহ বাগিচাৰ ভলীবল খেলুৱৈ বৈকুণ্ঠ মুণ্ডাই বাগিচাৰ পৰা প্ৰথম অসম আৰক্ষী বিভাগত চাকৰিয়াল হিচাপে যোগদান কৰাক লৈ অঞ্চলবাসী উৎফুল্ল হোৱাৰ লগতে তেখেতক নৱকিৰণ মঞ্চৰ সভানেত্ৰী আৰু মনোময় ভলীবল কোচিং চেণ্টাৰৰ সঞ্চালিকা ড° অৰ্চনা ভট্টাচাৰ্যই এখন ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱাৰ লগতে ৫, ০০০ টকাৰে উৎসাহিত কৰি তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। অনুষ্ঠানটিত গিৰিজানন্দ বিদ্যা মন্দিৰৰ ভলীবল কোচিং চেণ্টাৰৰ সঞ্চালিকা প্ৰিয়াক্ষী শৰ্মা আৰু চাহ বাগিচাৰ কেই বাগৰাকী আগশাৰীৰ ব্যক্তি উপস্থিত থাকে।

## জাঁজীত ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, জাঁজী, ১ ডিচেম্বৰ** ঃ শিৱসাগৰ জিলাৰ ঐতিহ্য মণ্ডিত জাঁজী হাইস্কুল খেলপথাৰত জামুগুৰি ফুটবল কৰ্চিং চেণ্টাৰৰ উদ্যোগত বৃহত্তৰ জাঁজীবাসী ৰাইজৰ সহযোগত ত্ৰয়োদশ বাৰৰ বাবে আয়োজন হোৱা প্ৰয়াত ডিম্বেশ্বৰ খাউণ্ড, দুৰ্গাপ্ৰসাদ বৰুৱা আৰু অৰবিন্দ বৰুৱা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা খনিৰ আজি প্ৰথমখন খেল অনুষ্ঠিত হয়। আজি খেলখনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই লেণ্ড অফ চেভেন হিলছ( Land Of 7 hills) বনাম বিপটাঘাত এফ চি ( Biptaghat F. C.)। আনহাতে খেলখনত বিপটাঘাত এফ চিয়ে ট্ৰাইবেকাত জয়ী হয়। খেলখনৰ আৰম্ভ হোৱাৰ আগতে পতাকা উত্তোলন কৰে জামুগুৰি ফুটবল কোছিং চেণ্টাৰৰ সভাপতি ৰাজীৱ নেওগে আৰু, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে, লগতে স্মৃতি তৰ্পন কৰে জেষ্ঠ সাংবাদিক আব্দুল গফুৰ আহমেদে আৰু খেলখন উদ্বোধন কৰে দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱাই। খেলখনৰ শেষত কৰ্চিং চেণ্টাৰৰ সম্পাদক দীপ খনিকৰে সকলোকে ধন্যবাদ জনায়।

# প্ৰধান শিক্ষকে বাৰামাৰা প্ৰাথমিক বিদ্যালয়ত ছমাহ ধৰি বন্ধ ৰাখিছে মধ্যাহ্ন ভোজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১ ডিচেম্বৰ** ঃ বৰক্ষেত্ৰী শিক্ষাখণ্ডত শিক্ষাৰ অধিকাৰ আইনক ভেঙুচালি। ৰান্ধনী গৃহ, পানী-যোগান আঁচনি, শৌচাগাৰৰ জৰাজীৰ্ণ ৰূপে উদঙাই দিছে ডিজিটেল শিক্ষা ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ। যিটো সময়ত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ লগতে ডিজিটেল মাধ্যমৰ কথা কৈ দম্ভালি মাৰিছে সেইটো সময়তে নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত এখন প্ৰাথমিক বিদ্যালয়ৰ ফোঁপোলা স্বৰূপে উদঙাই দিছে চৰকাৰী শিক্ষা ব্যৱস্থাৰ বাস্তৱিক দুখ লগা ছবি। উল্লেখ্য যে দুৰ্গম চৰাঞ্চলৰ দুখীয়া শিক্ষাৰ্থীক শিক্ষাৰ পোহৰ বিলাবলৈ ২০১০ চনতে স্থাপন কৰা হৈছিল বাৰামাৰা প্ৰাথমিক বিদ্যালয়খন। গোহালি ঘৰ সদৃশ শিক্ষা ব্যৱস্থাৰ বাস্তৱ স্বৰূপটো দেখিলেই আপোনালোকে অনুধাৱন কৰিব পাৰিব ৰাজ্য চৰকাৰৰ অধীনৰ চৰকাৰী শিক্ষা ব্যৱস্থাটোৰ ফোঁপোলা স্বৰূপটো। ৰান্ধনী গৃহ নথকা বিদ্যালয়খনত শিশুসকলক বঞ্চিত কৰি যোৱা ৬ মাহ ধৰি প্ৰধান শিক্ষকে নিজ মইমতালিৰে বন্ধ কৰি ৰাখিছে মধ্যাহ্ন ভোজন। ফলত বিদ্যালয়খনত বস্তাই-বস্তাই মজুত থকা চাউল খাইছে পোকে। সমুদায় ২৫জন শিক্ষাৰ্থী থকা বিদ্যালয়খনত নাই মধ্যাহ্ন ভোজনৰ বাবে গৃহ, জৰাজীৰ্ণ তথা কদৰ্য অৱস্থাত আছে শৌচাগাৰ, নাই বিদ্যুৎ সংযোগ, জৰাজীৰ্ণ হৈ পৰিছে পানী যোগান আঁচনি। অন্যহাতে, স্থানীয় ৰাইজক অন্ধকাৰত ৰাখি প্ৰধান শিক্ষকৰ তত্ত্বাৱধানত চাৰি লাখ পঁচিশ হাজাৰ টকা ব্যয় সাপেক্ষে ২০২৪ বৰ্ষত নিৰ্মাণ কৰা নতুন গৃহটোও জৰাজীৰ্ণ হৈ পৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি প্ৰধান শিক্ষক নুৰুল আমিনে ৰাইজৰ কোনো কথালৈ কৰ্ণপাত নকৰি মইমতালিৰে ব্ৰহ্মপুত্ৰ নদীৰ বালিৰে নিৰ্মাণ কৰিছে চৰকাৰী বিদ্যালয় নৱনিৰ্মিত গৃহটো। পিছে এই গৃহটোও জৰাজীৰ্ণ হৈ পৰিছে। আনহাতে, দুজনীয়া শিক্ষক থকা বিদ্যালয়খনৰ সভাপতি নৰ্জুল আলীৰো বিদ্যালয়খনৰ প্ৰতি নাই কোনো দায়িত্ব। স্থানীয় ৰাইজে বিদ্যালয়খনত হোৱা বিয়াগোম দুৰ্নীতি আৰু মধ্যাহ্ন ভোজন আঁচনি প্ৰদানৰ ক্ষেত্ৰত হোৱা গাফিলতিৰ বাবে প্ৰধান শিক্ষক নুৰুল আমিনক উচিত শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

ডাঃ হিতেশ বৰুৱাক চিকিৎসা ৰত্ন বঁটাকে ধৰি কেইবাজনকো বঁটা প্ৰদান

# বিহগী মিডিয়া গ্ৰুপ, অসমৰ ঊনবিংশতিতম বৰ্ষপূতি অনুষ্ঠান বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১ ডিচেম্বৰ** ঃ সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা বিহগী মিডিয়া গ্ৰুপ, অসমৰ ঊনবিংশতিতম বৰ্ষপূতি আৰু ৰামধেনু বঁটা প্ৰদান অনুষ্ঠান যোৱা ৩০ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে মুকালমুৱাৰ দৰংগীপাৰা গাঁৱত অনুষ্ঠিত হৈ যায়। নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ দৰংগীপাৰাস্থিত 'বিহগী মিডিয়া গ্ৰুপ' অসমৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানটিত প্ৰথম কাৰ্যসূচী হিচাপে পতাকা উত্তোলন কৰে বিহগী মিডিয়া গ্ৰুপ অসমৰ সঞ্চালক কনক কলিতাই। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি স্থানীয় ওজাশিল্পীৰ দলে ওজাপালি পৰিৱেশন কৰে। অনুষ্ঠানটোৰ ঊনবিংশতিতম বৰ্ষপূতি উপলক্ষ্যত ১৯ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ১৯গছি বন্তি প্ৰজ্বলন কৰা হয়। সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থাটোৰ বৰ্ষপূতি অনুষ্ঠান উপলক্ষ্যে ৰাজ্যখনৰ ১৩ গৰাকী পুৰোধা ব্যক্তিৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। তদুপৰি সদ্যপ্ৰয়াত নাগাৰাসূৰ্য ৰামচৰণ ভড়ালী, অভিনেতা, সংগীতশিল্পী, সুৰ-সম্ৰাট জুবিন গাৰ্গ আৰু আন্তঃৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখতো বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি সদৌটিয়ে শ্ৰদ্ধা নিবেদন কৰে। বিয়লি অনুষ্ঠিত মুকলি সভাত সংস্থাৰ বাৰ্ষিক মুখপত্ৰ 'ৰামধেনু' উন্মোচন কৰে সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মাই। মুকলি সভাতেই যোগ্য ব্যক্তিলৈ যোগ্য সন্মান প্ৰদানৰ উদ্দেশ্যৰে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত অনবদ্য অৰিহণা আগবঢ়োৱা ৰাজ্যখনৰ কেইবাজনো বিশিষ্ট ব্যক্তিক কেইবাটাও শিতানত বঁটা প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানটো উদ্বোধন কৰে সমাজহিতৈষী শান্তনু কলিতাই। বিহগী মিডিয়া গ্ৰুপ, অসমৰ সম্পাদক দিলীপ বৰ্মনে আঁত ধৰা বঁটা প্ৰদান অনুষ্ঠানটোত ৰাজ্যখনৰ চিকিৎসা ক্ষেত্ৰত অতুলনীয় অৱদান আগবঢ়োৱা নেমকেয়াৰ হস্পিটেলৰ সঞ্চালক ডাঃ হিতেশ বৰুৱালৈ 'চিকিৎসা ৰত্ন' বঁটা প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে নলবাৰীৰ জ্যেষ্ঠ অধিবক্তা আমিৰুল ইছলাম, সংস্কৃতিৰ দাপোণৰ সম্পাদক দীনমনি ভাণ্ডাৰ কায়স্থ, বিশিষ্ট লেখক ড° যতীন্দ্ৰ নাথ ডেকা আৰু সুদক্ষ অভিনেতা ধীৰেণ বৰ্মন।

# অভয়াপুৰীৰ চিলাৰায় ভৱনত মেদবহুলতাৰ ওপৰত বিনামূলীয়া স্বাস্থ্য সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, অভয়াপুৰী, ১ ডিচেম্বৰ** ঃ ডায়েট পৰামৰ্শদাতা পিংকি প্ৰসাদ আৰু হিমানি পাঠকৰ তত্ত্বাৱধানত, সমাজ সেৱীকা জয়শ্ৰী চৌধুৰীৰ আহ্বানত আজি অভয়াপুৰীৰ চিলাৰায় ভৱনত এখন বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। শিবিৰখনত স্বাস্থ্য বিশেষজ্ঞই মেদবহুলতা সম্পৰ্কীয় বিভিন্ন স্বাস্থ্য সমস্যা, ইয়াৰ অপকাৰিতা আৰু দৈনন্দিন খাদ্যাভ্যাসত আনিবলগীয়া সঠিক পৰিবৰ্তনসমূহ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে। বিশেষজ্ঞসকলে ৰোগীক শৰীৰৰ ওজন বঢ়াৰ মুখ্য কাৰণ, বয়স আৰু জীৱনশৈলী অনুসৰি পুষ্টিৰ প্ৰয়োজনীয়তা, পৰিমিত আহাৰৰ গুৰুত্ব আৰু সু-সমন্বিত খাদ্য তালিকা কৌশল বুজাই দিয়ে। লগতে ওজন হ্ৰাসৰ কাৰ্যকৰী উপায়, নিয়মীয়া ব্যায়ামৰ ভূমিকা আৰু মানসিক ভাবনাই স্বাস্থ্যত কেনেকৈ প্ৰভাৱ পেলায় সেই সম্পৰ্কেও পৰামৰ্শ প্ৰদান কৰা হয়। আজিৰ স্বাস্থ্য সজাগতা সভাৰ আহ্বায়ক জয়শ্ৰী চৌধুৰীয়ে জানায় যে শিবিৰখনৰ জৰিয়তে সৰ্বসাধাৰণ মানুহৰ মাজত স্বাস্থ্য সচেতনতা বৃদ্ধি কৰাৰ যত্ন কৰা হৈছে আৰু পৰৱৰ্তী দিনতো এই ধৰণৰ স্বাস্থ্য শিবিৰ নিয়মীয়াভাৱে আয়োজন কৰি মেদবহুলতা প্ৰতিৰোধৰ পৰিকল্পনা কৰা হৈছে।

# গুৱাহাটীত ড° ভাৰত চন্দ্ৰ কলিতা আৰু লীলা কলিতা স্মাৰক পঞ্চম বাৰ্ষিক বক্তৃতানুষ্ঠান




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১ ডিচেম্বৰ** ঃ ভাৰতীয় ইতিহাস সংকলন সমিতি অসমৰ উদ্যোগত গুৱাহাটীস্থিত আলোক ভৱনৰ সংঘসাধক মধুকৰ লিময়ে সভাগৃহত শণিবাৰে ইতিহাসবিদ ড° ভাৰত চন্দ্ৰ কলিতা আৰু লীলা কলিতা স্মাৰক পঞ্চম বাৰ্ষিক এক বক্তৃতা অনুষ্ঠিত হৈ যায়। বক্তৃতাৰ বিষয় আছিল "ভাৰতীয় জ্ঞান পৰম্পৰা"। বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি আৰু ড° কংকনা গোস্বামীৰ গণেশ বন্দনা তথা অখিল ভাৰতীয় ইতিহাস সংকলন যোজনাৰ ৰাষ্ট্ৰীয় সহাসচিব হেমন্ত ধিং মজুমদাৰৰ আদৰণি ভাষণেৰে আৰম্ভণি হোৱা বক্তৃতানুষ্ঠানটিত বক্তৃতা প্ৰদান কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই। বশিষ্ঠ বুজৰবৰুৱাই তেখেতৰ ভাষণত ভাৰতীয় জ্ঞান পৰম্পৰাৰ ওপৰত আলোকপাত কৰি কয় যে ভাৰতীয় দৰ্শন মতে এই বিশ্ব এক পৰিয়াল। সেই বাবেই ভাৰতীয় সকলে কেৱল নিজৰ বাবেই নহয় গোটেই বিশ্বৰ মংগলৰ বাবে প্ৰাৰ্থনা কৰে। মত আৰু উপাসনা পদ্ধতি ভিন্ন ভিন্ন হ'লে ভাৰতীয় দৰ্শনে সকলোকে সমিল-মিলেৰে জীৱন নিৰ্বাহ কৰাৰ পোষকতা কৰে। তেখেতে লগতে কয় যে ভাৰতীয় বেদ বিজ্ঞান বিৰোধী নহয়, বেদৰ শ্লোকে শ্লোকে বিজ্ঞানৰ সূত্ৰ প্ৰকাশ পায়। তেখেতে ভাৰতীয় কাল গণনা ব্যৱস্থা উত্তম বৈজ্ঞানিক ব্যৱস্থা বুলি সকলোৰে আগত দাঙি ধৰি ভাৰতীয় কাল গণনাই কাল তথা সময়ৰ সঠিক গণনা কৰাৰ দৰে আজিৰ আধুনিক বিজ্ঞানেও সিমান সঠিককৈ কৰিব পৰা নাই দোহাৰে। তেখেতে লগতে তেখেতৰ ভাষণ প্ৰসংগত কয় যে বিদেশী আক্ৰমণৰ আগলৈকে ভাৰতবৰ্ষ অৰ্থনৈতিক দিশত বিশ্বগুৰু আছিল আৰু শিক্ষাৰ ক্ষেত্ৰত আমি অতি উন্নত আছিলো। সেইবাবেই গুৰুকুল আৰু ভাৰতীয় বিশ্ববিদ্যালয়ত পঢ়িবলৈ বিশ্বৰ বিভিন্ন দেশৰ পৰা ছাত্ৰ আহি জ্ঞান অৰ্জন কৰিছিল। ভাৰতীয়ই লুটি-পুতি খোৱাৰ জ্ঞান দিয়া নাই। অনুষ্ঠানত ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ সভাপতি তথা ড° ভাৰত চন্দ্ৰ কলিতা আৰু লীলা কলিতা স্মাৰক পঞ্চম বাৰ্ষিক বক্তৃতানুষ্ঠান সভাপতিৰ আসন অলংকৃত কৰা ড° গজেন্দ্ৰ অধিকাৰীয়ে সভাপতিৰ ভাষণত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমি (এন ডি এ)ত লাচিত বৰফুকন বঁটা প্ৰদানৰ ব্যৱস্থা কৰাৰ বাবে ড° ভাৰত চন্দ্ৰ কলিতাৰ শলাগ লয়। অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰে ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ দুটাকৈ কাৰ্যকালৰ সভাপতি হিচাপে ড° কলিতাৰ যোগদানৰ আঁৰৰ কাহিনী বৰ্ণনা কৰে আৰু লগতে তেখেতে ভাষণ প্ৰসংগত ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ বৰ্তমানৰ স্থিতিত উপনীত হোৱাৰ ক্ষেত্ৰত ড° ভাৰত চন্দ্ৰ কলিতাৰ অৱদান অপৰিসীম বুলি কয়। উল্লেখযোগ্য যে অসমৰ বিভিন্ন অঞ্চলৰ প্ৰায় শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থকা আৰু ভাৰতীয় ইতিহাস সংকলন সমিতি অসমৰ কাৰ্যকৰ্তা প্ৰাঞ্জল দাস আৰু হেমা শৰ্মাই যুটীয়াভাৱে আঁত ধৰা অনুষ্ঠানটি অন্ত পৰে ড° ভাৰত চন্দ্ৰ কলিতাৰ জ্যেষ্ঠা কন্যা তথা চিকিৎসক ডা০ জুৰি ভাৰত কলিতা শলাগৰ শৰাইৰে।

মনৰ অনুভূতিক কলাৰ ৰূপৰ দিব পাৰিলেহে কবিতা নিৰ্মাণ হয় ঃ নিবেদন দাস পাটোৱাৰী

# ধমধমাত অসমীয়া প্ৰতিদিনৰ সাংবাদিক ৰঞ্জিত পাটগিৰি - কবি মণিকা দাসক প্ৰেৰণা বঁটা ২০২৫ প্ৰদান



**অসম বাৰ্তা, বাগানপাৰা, ১ ডিচেম্বৰ** ঃ সম্প্ৰতি অসমত লেখকৰ সংখ্যা বাঢ়িছে কিন্তু পাঠকৰ সংখ্যা কমি গৈছে। লেখাৰ আগতে প্ৰত্যেকে ভাল পাঠক হ'ব লাগে। অধ্যয়নৰ জৰিয়তে আমি সাহিত্যৰ ধাৰা সম্পৰ্কে জানিব পাৰোঁ। কিতাপক সংগী কৰিব পৰাজনহে প্ৰকৃত জ্ঞানৰ অধিকাৰী হয় আৰু বৌদ্ধিক জগতত তিষ্ঠি থাকিব পাৰে। কবিতা লিখাটো আটাইতকৈ টান কাম। মনৰ অনুভূতিক কলাৰ ৰূপৰ দিব পাৰিলেহে কবিতা নিৰ্মাণ হয়। কবিতাই মানুহৰ মন-মগজুত খুন্দিয়াব পাৰিলেহে কবিতা সাৰ্থক হয়। কবিতাত যদি মানৱতাৰ নাথাকে, দন্দ্ব নাথাকে, জাগতিকতা নাথাকে তেতিয়া মানুহে কবিতা নপঢ়ে। ... এই মন্তব্য নলবাৰী জিলাৰ আয়ুক্ত তথা কবি নিবেদন দাস পাটোৱাৰীৰ। আজি ধমধমাৰ সমলয় সংগীত বিদ্যালয়ত চেংনৈ দা ইউনিটি গ্ৰুপ আৰু সমলয় সংগীত বিদ্যালয়ে আয়োজন কৰা প্ৰেৰণা বঁটা - ২০২৫ প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে এইদৰে কয়। ভাষণত জিলা আয়ুক্তগৰাকীয়ে অসমৰ বৌদ্ধিক জগতত নলবৰীয়া ৰাইজৰ অৱদান অতি উল্লেখনীয় বুলি মন্তব্য কৰি কয় যে আমি কেতিয়াও শিপাক পাহৰি যাব নালাগে। শিপা শক্তিশালী হ'লে আমি অধিক শক্তিশালী হ'ম। কবি প্ৰাঞ্জল কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানটোত ধমধমা আঞ্চলিক কলেজৰ অধ্যক্ষ গৌতম চন্দ্ৰ দাসেও অতিথি হিচাপে অংশগ্ৰহণ কৰে। সমলয় সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত মানসজ্যোতি নাথ আৰু ঋষভ ৰঞ্জন ভাগৱতীয়ে গীত পৰিৱেশন কৰে। অনুষ্ঠানত চেংনৈ পাৰৰ পৰা সাহিত্যৰ যাত্ৰা আৰম্ভ কৰি অসমৰ কাব্য আৰু উপন্যাস জগতত প্ৰতিষ্ঠা লাভ কৰা কবি মণিকা দাস আৰু 'অসমীয়া প্ৰতিদিন' কাকতৰ সাংবাদিক তথা কবি - ঔপন্যাসিক ৰঞ্জিত পাটগিৰিক চেংনৈ দা ইউনিটি গ্ৰুপ আৰু সমলয় সংগীত বিদ্যালয়ে প্ৰেৰণা বঁটা ২০২৫ প্ৰদান কৰে। অনুষ্ঠানত বঁটা প্ৰাপক মণিকা দাস আৰু ৰঞ্জিত পাটগিৰিয়ে নিজৰ অনুভৱ ব্যক্ত কৰাৰ পিচতে অৰুণ দাস, অনন্ত মোহন দাস, খনীন্দ্ৰ নাথ, ভুৱনেশ্বৰ বৈশ্য, নীলকমল বৈশ্য আৰু হিতেশ বৈশ্যই বক্তব্য দাঙি ধৰে। অঞ্চলটোৰ দুইশতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানটোৰ শেষত সমলয় সংগীত বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন ভাগৱতীয়ে শলাগৰ শৰাই আগবঢ়ায়।

এ ডিভিজনত কাৰচাং বিজয়ী; বি ডিভিজনত পাথৰিচুক ৰাইজিং বিজয়ী

# মাজুলী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল



**অসম বাৰ্তা, উজনী মজুলী, ৩ ডিচেম্বৰ ঃ** মাজুলী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত গড়মূৰৰ ঐতিহাসিক মিনি ষ্টেডিয়ামত যোৱা ১৪ অ'ক্টোবৰৰ পৰা অনুষ্ঠিত হোৱা এ ডিভিজন আৰু বি ডিভিজন ফুটবল ক্লাৱ লীগ প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল উদ্বোধন কৰে মাজুলী জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে। মাজুলী জিলা ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তথা মাজুলীৰ প্ৰাক্তন বিধায়ক প্ৰয়াত কৰুণা দত্তৰ পবিত্ৰ সোঁৱৰণত অনুষ্ঠিত এই প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ এ ডিভিজন লীগ কাৰচাং ক্লাৱ বনাম জেনে' ক্লাৱ আৰু বি ডিভিজন লীগ পাথৰিচুক ৰাইজিং ক্লাৱ বনাম জাগৰণ ক্লাৱ অনুষ্ঠিত হয়। এ ডিভিজন লীগত কাৰচাং ২-০ ত বিজয়ী হয় আৰু বি ডিভিজন লীগত পাথৰিচুক ৰাইজিং ক্লাৱ টাইবেকাৰ সহায়ত ০৪-০১ ত বিজয়ী হয়। প্ৰতাপ বৰুৱাই আত ধৰা উদ্বোধনী অনুষ্ঠানত মাজুলীৰ প্ৰাক্তন খেলুৱৈ উমা টাকু, ক্ৰীড়া সংগঠক প্ৰেমধৰ দলে, সমাজকৰ্মী দীপক গোস্বামী, প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ দাতা তথা প্ৰাক্তন বিধায়ক প্ৰয়াত কৰুণা দত্তৰ পুত্ৰ দেৱজিৎ দত্ত, জেষ্ঠ চিকিৎসক ডাঃ নীল পেগু কে ধৰি সমাজৰ ভিন্ন স্তৰৰ বিশিষ্ট লোক উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত কেইবাহাজাৰ দৰ্শকৰ উপস্থিতিত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে কণ্ঠশিল্পী ৰিংকীৰিয়া ভৰালীয়ে। বটা বিতৰণী অনুষ্ঠানৰ আত ধৰে মাজুলী জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্যজিত হাজৰিকাই। দুয়োখন খেলৰ মেচ কমিশ্যনাৰ দায়িত্বত থাকে নকুল বৰা।

# গুৱাহাটীৰ আই আই টি কেন্দ্ৰীয় বিদ্যালয়ত মণ্ডল ভিত্তিত যুৱ সাংসদ প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ ডিচেম্বৰ ঃ** আই আই টি গুৱাহাটীৰ কেন্দ্ৰীয় বিদ্যালয়ত মঙ্গলবাৰে মণ্ডল ভিত্তিত যুৱ সাংসদ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মঙ্গলবাৰৰ পৰা সমগ্ৰ ভাৰতৰ মুঠ পাঁচটা মণ্ডলত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এটা মণ্ডলত পাঁচটাকৈ সৰ্ব মুঠ পচিশটা দলে এই যুৱ সাংসদ প্ৰতিযোগিতা খনত অংশগ্ৰহণ কৰে। মঙ্গলবাৰে গুৱাহাটী আই আই টি কেন্দ্ৰীয় বিদ্যালয়ত অনুষ্ঠিত পূব মণ্ডলৰ প্ৰতিযোগিতা খনত অসমৰ গুৱাহাটী, শিলচৰ, তিনিচুকীয়া, কলকাতা আৰু ভুৱনেশ্বৰকে ধৰি পূব মণ্ডলৰ মুঠ পাঁচটা দলে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ গুৱাহাটীৰ উপায়ুক্ত চন্দ্ৰ শেখৰ আজাদৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা প্ৰতিযোগিতাখন আনুষ্ঠানিক ভাৱে মুকলি কৰে গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ কিৰিপ চলিহাই। প্ৰতিযোগিতাখন শুভাৰম্ভ কৰি দিয়া ভাষণৰ আৰম্ভণিতে চলিহাই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগী দলক শুভেচ্ছা জ্ঞাপন কৰে। চলিহাই কয় যে এই প্ৰতিযোগিতাৰ জৰিয়তে আমাৰ দেশৰ গণতান্ত্ৰিক পদ্ধতিটোৰ বিষয়ে শিক্ষাৰ্থী সকলে জ্ঞান অৰ্জনৰ লগতে ভৱিষ্যতে দেশক কেনেদৰে নেতৃত্ব দিব পাৰি সেই বিষয়ে নিজকে প্ৰস্তুত কৰাৰ শিক্ষা লাভ কৰিব। এক সুস্থ গণতন্ত্ৰ প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত এই প্ৰতিযোগিতাই শিক্ষাৰ্থী সকলক যথেষ্ট সহায় কৰিব। তেওঁ লগতে কয় যে গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত এনেধৰণৰ প্ৰতিযোগীৰ অত্যন্ত প্ৰয়োজনীয়তা আছে। প্ৰতিযোগিতাত জয় পৰাজয়ৰ ওপৰত মন্তব্য কৰি প্ৰাক্তন সাংসদ গৰাকীয়ে কয় যে প্ৰতিযোগিতাত বিজয়ী হোৱাটো যেনেদৰে অপৰিহাৰ্য তেনেকৈ পৰাজিত হোৱাটোও অপৰিহাৰ্য। ইয়াৰ দ্বাৰা জীৱন সাৰ্থক হয় এই কাৰণতেই যে পৰিজিত হোৱা জনে পৰাজয়ৰ পৰা নিজৰ ভুল শুধৰাবলৈ চেষ্টা কৰে আৰু পিছলৈ সফল হয়। অনুষ্ঠানত কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ সংযুক্ত আয়ুক্ত দি মণিবন্নন (D.Manivnnan) গণতান্ত্ৰিক পৰম্পৰা, প্ৰমূল্যবোধৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। অনুষ্ঠানত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা (মন্ত্ৰী বিভাগৰ) বিভাগৰ সঞ্চালক এ বি আচাৰ্য্য, গুৱাহাটী আই আই টিৰ ডীন অনুপম শইকীয়া, কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা বিভাগৰ সহকাৰী শাখা বিষয়া অবিনাশ কুমাৰ, কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ গুৱাহাটীৰ সহকাৰী আয়ুক্ত দ্বয় ক্ৰমে নৰেশ কুমাৰ আৰু ৰাম কুমাৰ পানিগ্ৰাহী উপস্থিত থাকে। ইয়াৰ আগেয়ে গুৱাহাটী আই আই টি কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিবেশিত সমবেত সংগীতেৰে প্ৰতিযোগিতা শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত অসমৰ বিহুকে ধৰি পৰম্পৰাগত লোক নৃত্যৰ লগতে শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থী সকলে নতুন শিক্ষা নীতিৰ আধাৰত নিপুণ ভাৰত শীৰ্ষক এক নৃত্য নাটিকা পৰিবেশন কৰে। প্ৰাক্তন সাংসদ কিৰিপ চলিহাই প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি শিক্ষানুষ্ঠান খনৰ শিক্ষাৰ্থী সকলে প্ৰস্তুত কৰা এখন প্ৰদৰ্শনী পৰ্য্যবেক্ষণ কৰে। উল্লেখযোগ্য যে মণ্ডল ভিত্তিত অনুষ্ঠিত যুৱ সাংসদ প্ৰতিযোগিতাত বিজয়ী দলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে যোগ্যতা লাভ কৰিব।

# ধমধমাৰ ২ নং ৰঙাফালি প্ৰাথমিক বিদ্যালয়ত সামূহিক উৎসৱ উদ্‌যাপন



**অসম বাৰ্তা, ধমধমা, ৩ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা, নলবাৰীৰ সৌজন্যত ২নং বালিতাৰা মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত ২নং ৰঙাফালি প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ- ছাত্ৰী, অভিভাৱকৰ গীত-নৃত্য, খেল -ধেমালী, কবিতাৰে বৰ্ণাঢ্য অনুষ্ঠান সম্পন্ন, কেবাগৰাকী জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা সামূহিক উৎসৱ উদযাপন কৰা হয়। বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত নলবাৰী জিলাৰ ২ নং বালিতাৰা মণ্ডল কেন্দ্ৰৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় সামূহিক উৎসৱ। পুৱা দ্বাৰ উদঘাটনৰে আৰম্ভ হোৱা অনুষ্ঠানটোত দ্বাৰ উদঘাটন কৰে ২ নং নাহেৰবাৰী গাঁও পঞ্চায়তৰ সভাপতি বাদল নাথে, পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি গিৰীশ কলিতাই, স্মৃতি তৰ্পণ কৰে নগাওঁ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন কলিতাই, বন্তি প্ৰজ্বলন কৰে ১ নং নাহেৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ সৰসৰী সহ শিক্ষক দুলাল চৰকাৰে, গছপুলি ৰোপণ কৰে ২ নং ৰঙাফালি প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী বৈজয়ন্তী বড়ো আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে, সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ২ নং বালিতাৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বুলবুল বৰ্মনে, দুপৰীয়া মুকলি আৰু বটাঁ বিতৰণী সম্বৰ্ধনা অনুষ্ঠানটিৰ বনভাগ বতাহগিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বৰ্মনে সভাপতিত্ব কৰা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যক অৰুণ দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট লোক।

# ১৬ ডিচেম্বৰত ধিঙৰ ভেৰভেৰী বিলৰ পৰা মাগুৰমাৰী বিললৈকে পানীৰ প্ৰাকৃতিক গতি ৰুদ্ধ কৰা ঠাইত চলিব উচ্ছেদ

**অসম, বাৰ্তা, টুকটুকী, বটদ্ৰৱা, ৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত চালনাবড়ি গাঁৱৰ ভেৰভেৰী বিলৰ পৰা টুকটুকী, আহোম গাঁও, কটহগুৰি, ৰৌমাৰি বিল, মৈৰাধ্বজ গাঁও হৈ মাগুৰমাৰী বিল লৈকে প্ৰাকৃতিক ভাবে পানী বৈ যোৱা সুঁতি এটা আছিল। কিন্তু এই সুঁতিটোৰ বিভিন্ন ঠাইত বান্ধ বনাই, পুখুৰী, ফিচাৰি বনাই, কালভাৰ্ট ইত্যাদি দি পানীৰ প্ৰাকৃতিক গতি ৰুদ্ধ কৰিছে অঞ্চলটোৰ একাংশ মীন পালক সকলে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ এই গোটেই এলেকাৰ গাঁও সমূহৰ ৰাইজৰ বিস্তৰ ক্ষতিসাধন হৈছে। উল্লেখ্য যে নগাঁৱ জিলা দণ্ডাধীশৰ আদেশ নং-E 24422DM-20/27/2023/DPO/NGN/64 তং 12/06/2023 যোগে জনসাধাৰণক জনোৱা হৈছিল যে যিকোনো প্ৰাকৃতিক ভাবে বৈ যোৱা পানীৰ ধাৰা যি চৰকাৰী বা ম্যাদী মাটিৰ উপৰেৰে বৈ গৈছে সেয়া বাধা প্ৰদান কৰাটো আইন মতে দণ্ডনীয়। এই নিৰ্দেশনা দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ ৰ ধাৰা ৩০(২) উপধাৰা (iii), (v), (vi), (viii), (ix), (xi), (xx), (xxiii) ধাৰা 34(K), ধাৰা 41(C), ধাৰা 51(a), 51(b)ৰ মতে জাৰি কৰা হৈছিল। ওপৰত উল্লিখিত আইন মতে অহা ১৬ ডিচেম্বৰৰ পৰা এই পানী যোৱা সুঁতিটোৰ পুনৰুজ্জীৱিত কৰাৰ বাবে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি অঞ্চলটোৰ মীন পালক সকললৈ জাননী প্ৰেৰণ কৰে ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই। এই বিষয়ে কিবা আপত্তি থাকিলে ধিং ৰাজহ চক্ৰত অহা ৩ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰ লৈকে অঞ্চলটোৰ মীন পালক সকলে আপত্তি দাখিল কৰিব পাৰিব। অহা ৯ ডিচেম্বৰত ইয়াৰ শুনানি গ্ৰহণ কৰা হ'ব।

এক দীঘলীয়া সংগ্ৰামৰ ফলতহে নগাঁও বিশ্ববিদ্যালয়ৰ পতাকাখন উত্তোলিত হৈছে ঃ উপাচাৰ্য হিতেশ ডেকা

# নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**নগাঁও বিশ্ববিদ্যালয় প্ৰাংগণৰ পৰা দ্বীপেন শইকীয়াৰ প্ৰতিবেদন, অসম বাৰ্তা, ৩ ডিচেম্বৰ ঃ** নগাঁও বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা নিতুমণি বৰাই আঁত ধৰা নগাঁও বিশ্ববিদ্যালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসত অসম চৰকাৰৰ ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও বিশ্ববিদ্যালয় নগাঁও জিলাখনৰ বিশ্ববিদ্যালয় বুলি মন্তব্য কৰে। বিশ্ববিদ্যালয়ৰ অগ্ৰগতি অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ ওপৰত নিৰ্ভৰ কৰে বুলি মন্তব্য কৰে। বিশ্ববিদ্যালয় এখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত পুথিভঁৰালৰ ভূমিকা সম্পৰ্কেও মন্তব্য কৰে। প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিতেশ ডেকাই। বিশ্ববিদ্যালয়খন গঢ়ি উঠাত অৰিহণা যোগোৱা ব্যক্তিসকলক তেখেতে স্মৰণ কৰে। নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই অতিথি হিচাপে অংশগ্ৰহণ কৰি পূৰ্বৰ নগাঁও মহাবিদ্যালয়ৰ গৰিমা অৱগত কৰে। তেখেতে নগাঁও বিশ্ববিদ্যালয়ৰ লগত সকলো সময়তে থকাৰ প্ৰতিশ্ৰুতি দিয়ে। চামগুৰি সমষ্টিৰ বিধায়ক দীপ্লুৰঞ্জন শৰ্মাই সভাত অংশগ্ৰহণ কৰি নগাঁও মহাবিদ্যালয়ে বহু মানৱ সম্পদ সৃষ্টি কৰি আহিছে আৰু নগাঁও বিশ্ববিদ্যালয়ে মানৱ সম্পদ গঢ়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। ভয়ক অতিক্ৰম কৰি আগুৱাই যোৱাটো সফলতাৰ চাবিকাঠী বুলি শৰ্মাই মন্তব্য কৰে। গুৰু-শিষ্য পৰম্পৰাৰ কথা অৱগত কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষাগুৰুৰ হাতত ধৰি আগুৱাই যাব লাগিব বুলি মন্তব্য কৰে। নগাঁও বিশ্ববিদ্যালয় মানৱ সম্পদ গঢ়াৰ কমাৰ শাল হওক বুলিও মন্তব্য কৰে। নগাঁও বিশ্ববিদ্যালয়ে শতিকাজোৰা যাত্ৰা আৰম্ভ কৰিছে, এই যাত্ৰা বিজ্ঞানসন্মত হওক, পৰিকল্পিত হওক বুলি মন্তব্য কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বৰ্তমান ৰয়েল



গ্লৱেল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অলক কুমাৰ বুঢ়াগোহাঁই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয়, প্ৰতিষ্ঠা দিৱস কেৱল উদ্‌যাপনৰ বাবেই নহয়, ভৱিষ্যতৰ ৰূপৰেখা তৈয়াৰ কৰাৰ এক উৎসৱ হ'ব লাগে। উপাচাৰ্য বুঢ়াগোহাঁয়ে ছাত্ৰ-ছাত্ৰীৰ মনত যুক্তিবাদী চিন্তাৰ উন্মেষ ঘটোৱাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ে ভূমিকা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। পৰ্যবেক্ষণ, নিৰীক্ষণ, যুক্তিবাদী চিন্তা, বিশ্লেষণ, সিদ্ধান্ত গ্ৰহণ আদি বিষয়সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত বিশ্ববিদ্যালয়ে প্ৰদান কৰাৰ পোষকতা কৰে। এই প্ৰতিষ্ঠা দিৱসতে উপাচাৰ্যৰ উৎকৰ্ষ বঁটা অধ্যাপক-অধ্যাপিকা, অনা-শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰদান কৰা হয়। লগতে বিশ্ববিদ্যালয়ৰ আৰ্থিকভাৱে দুৰ্বল ৩২গৰাকী স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীক দহহাজাৰ টকাকৈ আৰু ৩৫গৰাকী স্নাতকক আঠ হাজাৰ টকাকৈ ছাত্ৰ হিতৈষী পুঁজিৰ পৰা প্ৰদান কৰা হয়। এই সভাত অংশগ্ৰহণ কৰে নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত কুল সচিব ধ্ৰুৱজ্যোতি বৰুৱা। এই সভাত নগাঁও বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, নগাঁও জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষসকল, নগাঁও জিলাৰ শিক্ষাবিদ, সংবাদ কৰ্মী, নগাঁও বিশ্ববিদ্যালয়ৰ শুভাকাংক্ষী আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই সভাত উপস্থিত থাকে নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা বিশিষ্ট কণ্ঠশিল্পী অনিন্দিতা পাল। পুৱা ৯বজাৰ পৰা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই প্ৰতিষ্ঠা দিৱসটি নগাঁও বিশ্ববিদ্যালয়ৰ কুল সচিব ধ্ৰুৱজ্যোতি বৰুৱাৰ শলাগৰ শৰাইৰ দ্বাৰা অন্ত পৰে।

# ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত অসম দিৱস পালন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত ৭৯৭ সংখ্যক অসম দিৱস (চ্যুকাফা দিৱস) বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি চাও হেম কান্ত দিহিঙ্গীয়াই। পতাকা উত্তোলনৰ পিছতে মৈডাম তৰ্পণ সমাপন কৰে মান চাও নৱ ফুকন, যোগেন মহন আৰু ৰবিন ফুকনে। তৰ্পণৰ পিছত চাওলুং চুকাফাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি হেম কান্ত দিহিঙ্গীয়া আৰু সদৌ অসম আহোম সভাৰ সদৰ সমিতিৰ সভাপতি কৃষ্ণ কান্ত চেতিয়াই। মুকলি সভাত সভাপতিত্ব কৰে যৌথ ভাৱে তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি হেম কান্ত দিহিঙ্গীয়া আৰু কৃষ্ণ কান্ত চেতিয়াই। আৰম্ভণিতে চাও গন্ধেশ্বৰ চমুৱাৰ পৰিচালনাত তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰী, পদুম নগৰ মহিলা সমিতি আৰু কেন্দ্ৰৰ মহিলা সকলৰ দ্বাৰা এটি সমবেত সংগীতেৰে। মুকলি সভাত মুখ্য অতিথি হিচাপে প্ৰাক্তন আহোম সভাৰ সভাপতি মহেন বুঢ়াগোহাঁই আৰু তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সভাপতি তৰুণ গগৈয়ে বক্তব্য প্ৰদান কৰে। সমজুৱা দুৱাষাত বক্তব্য ৰাখে মদন চন্দ্ৰ কোঁৱৰ, লোকেশ্বৰ বৰা, দীপক কুমাৰ চাংমাই আৰু বিভিন্ন জনে তেখেত সকলৰ মনৰ কথা প্ৰকাশ কৰে। সাংস্কৃতিক কাৰ্যসূচীত ৰুবি গগৈ সন্দিকৈ পৰিচালনাত নৃত্যাংগনা কলা কেন্দ্ৰৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা নৃত্য আৰু সংগীৰ জৰিয়তে জীপাল কৰি তোলে। লগতে তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সংগীত বিদ্যালয়ৰ প্ৰধান গন্ধেশ্বৰ চমুৱাৰ পৰিচালনাত শিক্ষাৰ্থী সকলে গায়ন-বায়ন প্ৰদৰ্শন কৰা উপৰিও তাই ভাষাৰ গীতেৰে উপস্থিত ৰাইজক আপ্লুত কৰে। সভাত উপস্থিত থাকে কুশল কোঁৱৰৰ স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক অনিল সিংহ, ত্ৰৈলোক্য গগৈ, জগন্নাথ গগৈ, ধনীৰাম বৰুৱা, পোনাৰাম গগৈ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। কাৰ্যসূচী পৰিচালনা কৰে তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সাধাৰণ সম্পাদক দুৰ্লভ গগৈয়ে। শলাগৰ শৰাই আগবঢ়ায় নৱ গগৈয়ে।

জেষ্ঠ্য নাগৰিকৰ পেঞ্চন বৃদ্ধি দাবী

# আমগুৰি জেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ ঃ** আমগুৰি জেষ্ঠ নাগৰিক সন্মিলনৰ ১৭ তম প্ৰতিষ্ঠা দিবসৰ লগত সংগতি ৰাখি দ্বিবাৰ্ষিক অধিৱেশন আজি অনুষ্ঠিত হৈ যায়। ইয়াৰ চন্দ্ৰ প্ৰসাদ শইকীয়া কেন্দ্ৰীয় পুথিভঁৰাল প্ৰাংগনত দিনযোৱা কাৰ্যসূচীৰ অনুষ্ঠানত সভাপতি ডঃ অনিল গগৈয়ে পতাকা উত্তোলন কৰে। ইয়াৰ পাছত ৰমেন চেতিয়া আৰু বিমল চন্দ্ৰ শইকীয়াই ক্ৰমে চুকাফা তৰ্পন আৰু স্মৃতি তৰ্পন কৰে। মুকলি সভাৰ সভাপতিত্ব কৰে ডঃ অনিল গগৈয়ে। সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সুশীল কোঁৱৰে। সন্মিলনৰ প্ৰতিষ্ঠাপক সদস্য অতুল বৰঠাকুৰে সভাৰ শুভ উদ্বোধন কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা আৰক্ষী চক্ৰ পৰিদৰ্শক মৃদুল হাজৰিকাই ভাষণ প্ৰসংগত জেষ্ঠ্য নাগৰিক সকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু জেষ্ঠ নাগৰিক বাবে থকা চৰকাৰী বিভিন্ন আঁচনি তথা সামাজিক স্থানৰ বিষয়ে কি ব্যাখ্যা আগবঢ়ায়। সভাত সন্মিলনৰ প্ৰতিষ্ঠাপক সদস্য ধৰ্মেশ্বৰ বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে দিলীপ বৰদলৈয়ে। ইয়াৰ আগেয়ে হিৰণ্য গগৈ দুৱৰাৰ বৰগীতেৰে সাধাৰণ পৰিষদৰ সভাখনি অনুষ্ঠিত হৈ যায়। ডঃ অনিল গগৈয়ে সভাপতিত্ব কৰা সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক সুশীল কোঁৱৰে। সভাৰ সৰ্ব সন্মতিৰে স্বাস্থ্য, শিক্ষা আৰু সাংস্কৃতিক উপ সমিতি অন্তভূক্ত কৰি পূৰ্বৰ সমিতিখনকে আগন্তুক কাৰ্যকালৰ বাবে বাহাল ৰখা হয়। সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলা নাগৰিক সন্মিলনৰ সম্পাদক দিলীপ বৰদলৈ। সাধাৰণ পৰিষদত সভাত চৰকাৰী বৃদ্ধ পেঞ্চন ২৫০ টকাৰ পৰিৱৰ্তে দুহেজাৰ টকালৈ বৃদ্ধিৰ দাবী জনোৱা হয়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই সহকাৰী সম্পাদক ৰুবুল দুৱৰাই।

অসমখন নাহৰৰ দেশ হওক- কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ

# হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰাৰ বাবে ধনশ্ৰী নিৰ্মাণ গোটৰ নাহৰ পুলি ৰোপণ কাৰ্যসূচী



**অসম বাৰ্তা, ধনশিৰি, ৩ ডিচেম্বৰ ঃ** সৰুপথাৰ সমজিলাত জন্ম লাভ কৰা ধনশ্ৰী নিৰ্মাণ গোটে প্ৰাণৰ শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতিক সজীৱ কৰি ৰাখিবৰ বাবে যোৱা ১৮ নৱেম্বৰ তাৰিখৰ পৰা তথা জুবিন গাৰ্গৰ জন্ম দিনটোৰে পৰা সৰুপথাৰ সমষ্টিৰ প্ৰতিটো ঘৰতে একোটাকৈ নাহৰ পুলি ৰোপণ কৰাৰ পদক্ষেপ হাতত লৈ আহিছে। মঙ্গলবাৰে ধনশ্ৰী নিৰ্মাণ গোটৰ জন্মদাতা তথা গোটটোৰ সভাপতি জীৱন চুতীয়া আৰু তেওঁৰ সহযোগী সকলে হাতত নাহৰ পুলি লৈ সৰুপথাৰ টেঙাহোলা গাঁৱৰ বাসিন্দা সকলোৰে মৰমৰ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ ঘৰত উপস্থিত হয় আৰু আচুৰ্য বৰপাত্ৰৰ হতুৱাই কণ্ঠশিল্পী গৰাকীৰ ঘৰৰ চৌহদত এটি নাহৰ পুলি ৰোপণ কৰে। আচুৰ্য বৰপাত্ৰই ধনশ্ৰী নিৰ্মাণ গোট তথা জীৱন চুতীয়াৰ এই মহান পদক্ষেপক শলাগ জনাই আৰু এই পদক্ষেপ যাতে থমকি নৰয় তাৰ প্ৰতি অনুৰোধ জনাই। শিল্পী গৰাকীয়ে লগতে কয় ধনশ্ৰী নিৰ্মাণ গোটৰ সমান্তৰালভাৱে সকলো লোকে যাতে নিজে নিজে নাহৰ পুলি ৰোপণ কৰি অসমখনক নাহৰৰ দেশলৈ ৰূপান্তৰিত কৰাৰ লগতে জুবিন দাৰ সপোণক বাস্তৱায়িত কৰে তাৰপ্ৰতি তেওঁ আহ্বান জনাই। ধনশ্ৰী নিৰ্মাণ গোটে জন্মলগ্নৰে পৰা সৰুপথাৰ অঞ্চলত বহু সংখ্যক সামাজিক উন্নয়নৰ কাম-কাজ কৰাৰ লগতে বহুতো আৰ্তজনক সহায়ৰ হাত আগবঢ়াই আহিছে। বিশেষকৈ সমাজকৰ্মী হিচাপে খ্যাত গোটটোৰ সভাপতি জীৱন চুতীয়াই সৰুপথাৰ অঞ্চলত অহৰহ নিজৰ গাঁথিৰ ধন ভাঙি বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰি সমগ্ৰ অসমতেই চৰ্চিত হৈ পৰিছে। মঙ্গলবাৰে আচুৰ্য বৰপাত্ৰ গোঁহাইৰ বাসগৃহত নাহৰ পুলি ৰোপণ কৰাৰ সময়চোৱাত ধনশ্ৰী নিৰ্মাণ গোটৰ হৈ জীৱন চুতীয়াৰ লগতে বিৰাজ গোস্বামী, ৰাজীৱ বৰা, ডিম্পু বৰা, ননি তাঁতীৰ লগতে বহুকেইজন সদস্য, কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ, তেওঁৰ পিতৃ-মাতৃ, জেষ্ঠ ভাতৃ তথা কণ্ঠশিল্পী মণ্টু গোঁহাই, দদায়েক ভুৱন গোঁহাই আৰু সমস্ত পৰিয়ালবৰ্গ উপস্থিত থাকে।

উচ্ছেদৰ বাবে সাজু প্ৰশাসন; অবৈধ বেদখলকাৰীয়ে নিজে নিজে খালি কৰিছে চৰকাৰী ভূমি

# ৰূপহীহাটত অবৈধ চৰকাৰী মাটি বেদখলকাৰীৰ বিপদ ঘণ্টা

**অসম বাৰ্তা, ৰূপহীহাট, ৩ ডিচেম্বৰ ঃ** ৰূপহীহাটত অবৈধ চৰকাৰী মাটি বেদখলকাৰীৰ বাজি উঠিল বিপদ ঘণ্টা। ৰূপহীহাটৰ ভকতগাঁৱত উচ্ছেদৰ বাবে সাজু হৈছে প্ৰশাসনৰ এটা বৃহৎ দল। মাত্ৰ ৭২ ঘণ্টা পিছতেই চলিব প্ৰশাসনৰ বুলডজাৰ। ৰূপহীহাটৰ ভকতগাঁৱত ৩৮ বিঘা ভূমিৰ ৭৫টা পৰিয়ালৰ ঘৰলৈ চলিব এই উচ্ছেদ অভিযান। ৰূপহীহাট আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনীৰ এক বৃহৎ আৰক্ষী ৰ দলে আজি পৰিদৰ্শন কৰে বেদখকৃত এলেকা। চৰকাৰী ভূমি খালি কৰিবলৈ ইতিমধ্যে প্ৰশাসনে জাৰি কৰিছিল নিৰ্দেশনা। ৰূপহীহাটৰ ভকতগাঁৱত উচ্ছেদ জাননী লাভ কৰাৰ পিছত বেদখলকাৰীয়ে নিজে নিজে খালি কৰিছে চৰকাৰী ভূমি। উচ্ছেদ পূৰ্বেই বেদখলকৃত ভূমি এৰিছে বেদখলকাৰীয়ে। নিজে নিজেই আঁতৰি গৈছে চৰকাৰী ভূমিৰ পৰা খালি কৰিছে চৰকাৰী ভূমি টালি টোপাল বান্ধি অন্য ঠাইলৈ ঢ়াপলি মেলিছে বেদখলকাৰীয়ে। চামগুৰি ৰাজহ চক্ৰৰ খাটোৱাল মৌজাৰ ভকতগাঁও কিচামতৰ ১২ নং গেজিং ৰিজাভৰ ৩৮ বিঘাৰ ভূমিৰ প্ৰায় ৭৫টা পৰিয়াললৈ জাননী দিছিল চামগুৰি ৰাজহচক্ৰই। ১৫ দিনৰ সময়সীমা বান্ধি দিছিল প্ৰশাসনে বেদখলকৃত ভূমি খালি কৰিবলৈ। অবৈধ বেদখলকাৰীয়ে চৰকাৰী নিৰ্দেশনা পালন কৰি নিজে নিজে খালি কৰিছে চৰকাৰী ভূমি। এজন অতি দৰিদ্ৰ ভূমিহীন ঠেলা চালকে নিজৰ ঘৰখন ভাঙি লৈ যোৱা সময় মুখ্যমন্ত্ৰীক কাতৰ আহ্বান কতো যাবলৈ মোৰ জেগা নাই যদিও খালি কৰিছে চৰকাৰী ভূমি। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভূমিহীন দুখীয়া ঠেলাচালক জনৰ প্ৰতি সুদৃষ্টি দিবলৈ কাতৰ আহ্বান জনাইছে।

# কালুগাঁৱত আটাছুৰ অসম দিৱস উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ৩ ডিচেম্বৰ ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা(আটাছু)ৰ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ উদ্যোগত, শলগুৰি সমবায় সমিতি আৰু তাই আহোম মহিলা পৰিষদ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সহযোগত যোৱা কালি কালুগাঁৱৰ কিৰাই আলিমূৰস্থিত শলগুৰি সমবায় সমিতিৰ কাৰ্য্যালয়ৰ সন্মুখত অসম দিৱসৰ বন্তি প্ৰজ্বলন কৰা হয়। উক্ত অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট তাই পণ্ডিত বসন্ত বুঢ়াগোঁহায়ে। পৰৱৰ্তী সময়ত কণ্ঠশিল্পী শিৱৰাজ অসমে গীত পৰিৱেশন অনুষ্ঠানত বকতা সমবায় সমিতিৰ মুখ্য কাৰ্য্যবাহী বিষয়া গৌতম বৰগোহাঁই, শলগুৰি সমবায় সমিতিৰ সভাপতি বিনয় তামুলী, সম্পাদক জয়ন্ত বৰা, বৰুৱা পুখুৰী গাঁও পঞ্চায়তৰ সভাপতি ৰিংকী শৰ্মা, নামতি প্ৰেছ ক্লাৱৰ সম্পাদক জিয়াৰুদ্দিন আহমেদ, কিৰাই আলিমূৰ ব্যৱসায়ী সন্থাৰ সহকাৰী সম্পাদক প্ৰাণজিত ভূঞা, আটাছু বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সভাপতি নূপুৰ নেওগ, সম্পাদক নিলোৎপল কোঁৱৰ, দিনেশ গগৈ, পৰাগ চুতীয়া, লক্ষ্যজিত শইকীয়া, অংশুমান তামুলী, মহিলা পৰিষদৰ সভানেত্ৰী নৱনীতা তামুলী, সম্পাদিকা কাবেৰী গগৈকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

## সৰুপথাৰৰ নখুটিৰ চেকপইণ্টত চিআৰপিএফৰ

ধন দাবী কৰাৰ খবৰ সংগ্ৰহ কৰিবলৈ গৈ থকা সাংবাদিক দলটোক প্ৰথমে ভাবুকি প্ৰদান কৰাৰ পিছত তেওঁলোকৰ মোবাইল ফোন ভাঙি পেলোৱাৰ লগতে শাৰীৰিকভাৱে লাঞ্ছিত কৰা হয় বুলি অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী সাংবাদিকসকলে। ঘটনাটো সংঘটিত হয় মঙলবাৰে নিশা নখুটি চেকপইণ্টত। সৰুপথাৰ ট্ৰাক মালিক সংস্থাই চিআৰপিএফৰ বিৰুদ্ধে কৃষকৰ ধান কঢ়িয়াই নিয়া ট্ৰাকৰ পৰা জোৰকৈ ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰাৰ পিছতেই স্থানীয় সাংবাদিকৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ বাতৰি সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছিল। অভিযোগ অনুসৰি, ১৫৫ বেটেলিয়নৰ পোষ্ট কমাণ্ডেণ্ট মনোহৰ ঝাকে নিজেই নেতৃত্ব দি সাংবাদিকসকলক প্ৰশ্নৰ সন্মুখীন হ'বলৈ নিদি উল্টো আক্ৰমণাত্মক হৈ পৰে। তেওঁৰ নিৰ্দেশত জোৱানসকলে সাংবাদিকৰ মোবাইল ফোন, কেমেৰা কাঢ়ি লৈ ভাঙি পেলায় আৰু শাৰীৰিকভাৱে প্ৰহাৰ কৰে। ভুক্তভোগীসকলৰ ভিতৰত আছে প্ৰতিদিন টাইমৰ শিৱাশীষ শৰ্মা, নবীন বৰা আৰু সৰুপথাৰ ট্ৰাক মালিক সংস্থাৰ এগৰাকী সদস্য। এগৰাকী বৈদ্যুতিন মাধ্যমৰ সাংবাদিকক মাটিত বগৰাই প্ৰহাৰ কৰাৰো অভিযোগ উঠিছে। কুলেশ বৰা নামৰ সাংবাদিক এগৰাকীয়ে কোনোমতে ৰক্ষা পৰে যদিও বাকীসকলক নিৰ্মমভাৱে প্ৰহাৰ কৰা হয়। ঘটনাৰ মাজতে চিআৰপিএফৰ দলটোৱে শিৱাশীষ শৰ্মা আৰু নবীন বৰাক জোৰকৈ ধৰি নখুটি কেম্পলৈ লৈ যায়। খবৰ বিয়পি পৰাৰ লগে লগে নিশাৰ ভাগতেই শ শ স্থানীয় ৰাইজ নখুটি চেকপইণ্টৰ সন্মুখত গোট খাই চিআৰপিএফৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰম্ভ কৰে। স্থানীয় নাগা যুৱকসকলেও অসমীয়া ৰাইজৰ সৈতে সহযোগিতা কৰি প্ৰতিবাদত যোগদান কৰে। পৰিস্থিতি উত্তপ্ত হৈ পৰাত সৰুপথাৰৰ আৰক্ষী অধীক্ষক দ্বীপেন পাতৰ, সীমান্ত দণ্ডাধীশ প্ৰিয়মজ্যোতি ফুকন আৰু চুঙাজান আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। ভুক্তভোগী সাংবাদিক কুলেশ বৰাই কয়, "সীমান্তত জনতাৰ সুৰক্ষা দিব নোৱাৰা চিআৰপিএফে সাংবাদিকক আক্ৰমণ কৰিলে। ট্ৰাক মালিক সংস্থাৰ অভিযোগৰ ভিত্তিত আমি প্ৰশ্ন কৰাত তেওঁলোকে আমাৰ ওপৰত গাঁতিয়াই আক্ৰমণ চলালে। আমাৰ দুগৰাকী সাংবাদিকৰ মোবাইল ভাঙি পেলালে আৰু বিষয়টো গোপন কৰাৰ চেষ্টা কৰিলে।" ঘটনাৰ পিছতে নিশাই চুঙাজান আৰক্ষী থানাত পোষ্ট কমাণ্ডেণ্ট মনোহৰ ঝাৰ বিৰুদ্ধে দুখন পৃথক এজাহাৰ দাখিল কৰে ভুক্তভোগীসকলে। লগতে সৰুপথাৰ সমজিলা আয়ুক্ত, চিআৰপিএফৰ আইজি (উত্তৰ-পূৰ্বাঞ্চল), গোলাঘাট জিলা আৰক্ষী অধীক্ষক আৰু বিধায়ক বিশ্বজিৎ ফুকনলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে সাংবাদিক সংগঠনে। সৰুপথাৰ সাংবাদিক সংস্থা, বৰপথাৰ প্ৰেছ ক্লাৱ, আপকু ধনশিৰি মহকুমা সমিতিকে ধৰি বিভিন্ন সংগঠনে এই ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। বুধবাৰে সৰুপথাৰত অনুষ্ঠিত এখন যৌথ বৈঠকত সাংবাদিকসকলে ঘটনাৰ ন্যায়িক তদন্তৰ দাবীৰ লগতে পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰে। সীমান্তত চিআৰপিএফৰ এনে আচৰণে স্থানীয় ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে আৰু প্ৰেছৰ স্বাধীনতাৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ বুলি সকলোৱে মন্তব্য কৰিছে।

## টকাৰ মূল্য সৰ্বকালৰ সৰ্বনিম্ন স্তৰত

স্পৰ্শ কৰিলে। আন্তঃবেংক বিনিময় হাৰত টকা ৯০.২ৰ তললৈ নামি গৈছে, যিটো এতিয়ালৈকে ভাৰতীয় মুদ্ৰাৰ আটাইতকৈ দুৰ্বল মূল্য। মাত্ৰ এদিন পূৰ্বে মঙলবাৰে টকা ৮৯.৯ৰ সীমাত উপনীত হৈছিল। এই বছৰত এতিয়ালৈকে টকাৰ মূল্য প্ৰায় ৫ শতাংশ হ্ৰাস পাইছে আৰু এছিয়াৰ সকলো মুদ্ৰাৰ ভিতৰত সৰ্বাধিক দুৰ্বল প্ৰদৰ্শন ভাৰতীয় টকাৰেই হৈছে বুলি ৰয়টাৰ্ছৰ তথ্যই প্ৰকাশ কৰিছে। ভাৰতৰ অৰ্থনীতি জুলাই-ছেপ্টেম্বৰ ত্ৰৈমাসিকত ৮.২ শতাংশ হাৰত বৃদ্ধি পোৱাৰ পিছতো টকাৰ এই অৱনতিয়ে বজাৰত উদ্বেগৰ সৃষ্টি কৰিছে। বিশে-যকসকলে এই হ্ৰাসৰ মূল কাৰণ হিচাপে আমেৰিকাৰ সৈতে চলি থকা বাণিজ্যিক উত্তেজনাক দোষী কৰিছে। আগষ্ট মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতৰ পৰা আমদানি কৰা কেইবাটাও সামগ্ৰীৰ ওপৰত শুল্ক দুগুণ কৰি ৫০ শতাংশলৈ বৃদ্ধি কৰিছিল। ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰি ভাৰতে ইউক্ৰেইন যুদ্ধত ৰাছিয়াক সমৰ্থন জনাইছে বুলি তেওঁৰ অভিযোগ আছিল। ১০ নৱেম্বৰত ট্ৰাম্পে কোৱাৰ পিছত আশাৰ ৰেঙণি দেখা গৈছিল যে ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় কমাই আনিছে আৰু দুয়োখন দেশৰ মাজত এখন "ন্যায্য বাণিজ্য চুক্তি" প্ৰায় সাজু হৈছে, সেয়েহে শুল্ক শীঘ্ৰে হ্ৰাস হ'ব পাৰে। কিন্তু চুক্তিৰ চূড়ান্ত ৰূপ লোৱাত পলম হোৱাৰ বাবে বজাৰৰ অস্থিৰতা বাঢ়িছে। ফাইনেন্সিয়েল এ'প্ৰেছৰ প্ৰতিবেদনত কোৱা হৈছে যে স্পষ্ট সময়সীমাৰ অভাৱত ভাৰতৰ ৰপ্তানি খণ্ডত গভীৰ আঘাত পৰাৰ আশংকা বাঢ়িছে। ইয়াৰ উপৰিও বিদেশী পুঁজিৰ ডাঙৰ পৰিমাণে বহিৰ্গমনেও টকাৰ ওপৰত চাপ বঢ়াইছে। এই বছৰ বিদেশী পৰ্টফ'লিঅ' বিনিয়োগকাৰীয়ে ভাৰতীয় শ্বেয়াৰ বজাৰৰ পৰা ১৬ বিলিয়ন ডলাৰৰো অধিক ধন উলিয়াই নিছে। অ'ক্টোবৰ মাহত ভাৰতৰ বাণিজ্য ঘাটিও (Trade Deficit) অভিলেখ সৃষ্টি কৰি আমদানি ৰপ্তানিতকৈ বহু বেছি হৈ পৰিছে। এনে পৰিস্থিতিৰ মাজতে সকলোৰে দৃষ্টি এতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ফালে। বুধবাৰে আৰম্ভ হোৱা তিনিদিনীয়া মুদ্ৰানীতি পৰ্যালোচনা বৈঠকৰ অন্তত শুকুৰবাৰে ঘোষণা কৰা হ'ব যে সুতৰ হাৰ হ্ৰাস কৰা হ'ব নেকি বা টকাক সুস্থিৰ কৰিবলৈ আৰ বি আয়ে কি পদক্ষেপ গ্ৰহণ কৰিব। বজাৰ বিশে-যকসকলে আশা কৰিছে যে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত থকাৰ সুযোগ লৈ ৰেপো ৰেটত কমেও ২৫ বেচিছ পইণ্ট হ্ৰাসৰ সম্ভাৱনা আছে, যিয়ে টকাৰ ওপৰত থকা চাপ কিছু পৰিমাণে কমাব পাৰে। এই সৰ্বনিম্ন মূল্যৰ ফলত আমদানি মূল্য বৃদ্ধি পোৱাৰ লগতে পেট্ৰ'ল-ডিজেলৰ দামতো প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ সাধাৰণ জনতাৰ পকেটত পৰিব।

## দিল্লী পৌৰ নিগমৰ উপ-নিৰ্বাচনত বিজেপিৰ জয়

পাৰ্টীক পিছ পেলাই দিলে। মাত্ৰ দহ মাহৰ আগতে দিল্লী বিধানসভাৰ নিৰ্বাচনতো বিজেপিয়ে ঐতিহাসিক জয়লাভ কৰিছিল আৰু এতিয়া পৌৰ নিগমতো একে ধাৰা অব্যাহত ৰাখিলে। অৰবিন্দ কেজৰিৱালৰ নেতৃত্বাধীন আম আদমি পাৰ্টীয়ে এই উপ-নিৰ্বাচনত মাত্ৰ ৩খন আসনতে সন্তুষ্ট থাকিবলগীয়া হ'ল। কংগ্ৰেছ আৰু এ আই এম আই এমে এখনকৈ আসন লাভ কৰিলে। এই ফলাফলৰ পিছত দিল্লী পৌৰ নিগমত বিজেপিৰ মুঠ আসনৰ সংখ্যা বৃদ্ধি পাই ১২২লৈ উন্নীত হ'ল, যিটো স্পষ্ট সংখ্যাগৰিষ্ঠতাৰ ওচৰা-ওচৰি। আপৰ আসনৰ সংখ্যা এতিয়া ১০২ আৰু কংগ্ৰেছৰ ৯খন। মুঠ ২৫০খন আসনৰ এই পৌৰ নিগমত বিজেপিয়ে পুনৰবাৰ নিজৰ শক্তিশালী উপস্থিতিৰ চানেকি দেখুৱালে। বিজেপিৰ দিল্লী ইউনিটৰ নেতাসকলে এই জয়ক "জনতাৰ বিশ্বাসৰ প্ৰতিফলন" বুলি অভিহিত কৰিছে। দলৰ মতে, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ নেতৃত্বত চলি থকা উন্নয়নমূলক কাম আৰু কেন্দ্ৰীয় চৰকাৰৰ সহায়ত দিল্লীৰ সৰ্বাঙ্গীণ পৰিৱৰ্তনৰ বাৰ্তাই জনতাক প্ৰভাৱিত কৰিছে। বিধানসভা নিৰ্বাচনৰ পিছত এয়া ৰেখা গুপ্তা চৰকাৰৰ বাবে এক বৃহৎ ৰাজনৈতিক পৰীক্ষা আছিল আৰু তেওঁ সফলতাৰে উত্তীৰ্ণ হৈছে বুলি বিজেপিৰ দাবী। আনফালে আম আদমি পাৰ্টীয়ে এই পৰাজয়ক "স্থানীয় বিষয়ৰ ওপৰত ভিত্তি কৰি হোৱা সিদ্ধান্ত" বুলি উলাই কৰাৰ চেষ্টা কৰিছে যদিও দলৰ অভ্যন্তৰীণ সূত্ৰই স্বীকাৰ কৰিছে যে বিজেপিৰ আগ্ৰাসী প্ৰচাৰ আৰু কেন্দ্ৰীয় নেতৃত্বৰ সক্ৰিয় অংশগ্ৰহণে ফলাফলত প্ৰভাৱ পেলাইছে। দিল্লীৰ ৰাজনৈতিক মহলত এতিয়া চৰ্চা চলিছে যে বিধানসভাৰ পিছত পৌৰ নিগমতো বিজেপিৰ এনে প্ৰদৰ্শনে আপৰ বাবে নতুন সংকটৰ সৃষ্টি কৰিব পাৰে আৰু আগন্তুক লোকসভা নিৰ্বাচনতো এই ধাৰা অব্যাহত থাকিব পাৰে।

## হালোৱাটিঙত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক এক

বিষয়া ভাস্কৰ জ্যোতি বৰাৰ নেতৃত্বত যোৱা এটা দলে লক্ষাধিক টকাৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। দলটোৱে যোৱা নিশা বান্দৰিজান অঞ্চলৰ পৰা প্ৰায় ১৫০ গ্ৰাম ওজনৰ হেৰ'ইন জব্দ কৰে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে বান্দৰিজান অঞ্চলৰ হিতেশ্বৰ পায়েং নামৰ লোকজনে নিজৰ ঘৰতেই ড্ৰাগছ জাতীয় সামগ্ৰী ক্ৰয় বিক্ৰয় কৰাৰ খবৰ লাভ কৰি অতৰ্কিতে অভিযান চলায়। অভিযানত ১৩টা কণ্টেইনাৰত মুঠ ১১৩.৮৮ গ্ৰাম আৰু কণ্টেইনাৰ নথকা ২২.১৪ গ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। লগতে হিতেশ্বৰ পায়েং নামৰ ব্যক্তিজনক আটক কৰে।

## শ্ৰম সংহিতাৰ বিৰুদ্ধে সংসদৰ চৌহদত ইণ্ডিয়া ব্লকৰ প্ৰতিবাদ

পাছ কৰা চাৰিখন শ্ৰম সংহিতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বেনাৰ, পোষ্টাৰ আৰু শ্ল'গানেৰে উত্তাল হৈ পৰা পৰিৱেশত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী বঢ়ৰাৰ লগতে তৃণমূল কংগ্ৰেছ, ডিএমকে, সমাজবাদী পাৰ্টি আৰু বাঁওপন্থী দলসমূহৰ নেতা-সাংসদসকলে একেলগে অংশ লৈ এই সংহিতাসমূহক "কৰ্প'ৰেটৰ জংগলৰাজ" বুলি অভিহিত কৰে। তেওঁলোকৰ দাবী, এই আইনসমূহে শ্ৰমিকৰ মৌলিক অধিকাৰ কাঢ়ি লৈ ধনী ঘৰাণীৰ স্বাৰ্থত কাম কৰিছে। অধিৱেশন আৰম্ভ হোৱাৰ প্ৰথম দিনৰে পৰা এই বিষয়ত আলোচনাৰ দাবী উত্থাপন কৰি অহাৰ পিছতো চৰকাৰে গুৰুত্ব নিদিয়াত আজি পথৰ প্ৰতিবাদৰ পথ ল'বলগীয়া হৈছে বুলি বিৰোধী নেতাসকলে জনায়। এই প্ৰতিবাদৰ কিছু পিছতে ইণ্ডিয়া ব্লকৰ ফ্ল'ৰ নেতাসকলে এখন জৰুৰী বৈঠকত মিলিত হয় আৰু আগন্তুক দিনৰ ৰণনীতি প্ৰস্তুত কৰে। বহুদিনৰ দাবীৰ অন্তত চৰকাৰে ৯ ডিচেম্বৰত ভোটাৰ তালিকাৰ বিশেষ নিৰীক্ষণ কাৰ্যসূচীৰ (এছ আই আৰ) ওপৰত সদনত বিতৰ্কৰ বাবে ৰাজী হোৱাত এই বিষয়টোক লৈও বিস্তৃত আলোচনা হয়। সংসদীয় কাৰ্য মন্ত্ৰী কিৰেণ ৰিজিজুৱে পূৰ্বে জনোৱা অনুসৰি ৮ ডিচেম্বৰত 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে বিশেষ আলোচনা আৰু ৯ ডিচেম্বৰত ভোটাৰ তালিকা সংস্কাৰৰ বিষয়ত পূৰ্ণাঙ্গ বিতৰ্ক অনুষ্ঠিত হ'ব। আনফালে আজি লোকসভাত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কেন্দ্ৰীয় আবকাৰী (সংশোধনী) বিধেয়ক ২০২৫ উত্থাপন কৰাৰ কথা আছে। এই বিধেয়কৰ জৰিয়তে ধঁপাতজাতীয় সামগ্ৰীৰ ওপৰত আবকাৰী শুল্ক আৰু চেছৰ হাৰ বৃদ্ধি কৰাৰ লগতে ১৯৪৪ চনৰ পুৰণি আইনখন সংশোধন কৰা হ'ব। শ্ৰম সংহিতাৰ ক্ষেত্ৰত বিৰোধীয়ে সৰ্বাধিক আপত্তি তুলিছে ঔদ্যোগিক সম্পৰ্ক সংহিতাৰ এটা ধাৰাক লৈ, য'ত ধৰ্মঘটৰ সংজ্ঞা সম্প্ৰসাৰিত কৰি গণ আকস্মিক ছুটীকো ধৰ্মঘটৰ আওতাত অনা হৈছে। ইয়াৰ ফলত শ্ৰমিকৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ বা ফ্লেছ ষ্ট্ৰাইক কাৰ্যতঃ অসম্ভৱ হৈ পৰিব বুলি বিৰোধীৰ যুক্তি। চৰকাৰে যুক্তি দিছে যে এনে ব্যৱস্থাই সামূহিক দৰ কষাকষিক শক্তিশালী কৰিব আৰু কেৱল স্বীকৃতিপ্ৰাপ্ত ট্ৰেড ইউনিয়নৰ জৰিয়তে আলোচনাৰ পথ মুকলি কৰিব। শীতকালীন অধিৱেশনৰ তৃতীয় দিনটোও বিৰোধীৰ প্ৰতিবাদ আৰু সদনৰ অচলাৱস্থাৰ মাজেৰে আগবাঢ়ি যোৱাত আগন্তুক দিনবোৰত ৰাজনৈতিক উত্তেজনা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনাই দেখা দিছে।

## সৰুসজাইত ৫, ৮১৮ গৰাকীক নিযুক্তিপত্ৰ প্ৰদান মুখ্যমন্ত্ৰী

নিযুক্তি দিয়া হৈছে। নিযুক্তিপত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, "এটা সময় আছিল যেতিয়া অসম আৰক্ষীত চাকৰি পাবলৈ লাখ লাখ টকা দিব লাগিছিল, চিনাকিৰ দৌৰত দিন পাৰ কৰিব লাগিছিল। সেই সময়ত চাকৰি নোপোৱাৰ হতাশাত বহু যুৱকে ভুল পথ বাছি লৈছিল— কোনোৱে নিষিদ্ধ সংগঠনত যোগ দিছিল, কোনোৱে ড্ৰাগছৰ আসক্ত হৈছিল, কোনোৱে ৰাজ্যৰ বাহিৰত গৈ কষ্ট কৰিবলৈ বাধ্য হৈছিল। মই সেই অৱস্থা সলনি কৰিবলৈ আহিছিলোঁ।" তেওঁ লগতে কয়, "মই গৌৰৱেৰে ক'ব পাৰোঁ— নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি দিছিলোঁ এক লাখ চাকৰি আৰু দুই লাখ সংস্থাপনৰ। বিৰোধীয়ে হাঁহিছিল, উপহাস কৰিছিল। কিন্তু আজিলৈকে আমি ১ লাখ ৪০ হাজাৰৰো অধিক চাকৰি বিলাই দিছোঁ। এতিয়া অসমত কোনোৱে ক'ব নোৱাৰে যে চাকৰিৰ বাবে টকা লাগে বা চিনাকি লাগে। কেৱল মেধা আৰু তিনি বছৰৰ কষ্টৰ ফলতে চাকৰি পোৱা যায়।" মুখ্যমন্ত্ৰীয়ে নতুনকৈ নিযুক্ত হোৱা আৰক্ষীসকলৰ প্ৰশংসা কৰি কয়, "আমাৰ নতুন আৰক্ষীয়ে এটকাও ঘূষ নোখোজে। তেওঁলোকৰ বিৰুদ্ধে এটাও অভিযোগ উঠা নাই। আৰক্ষীৰ কাম অপৰাধীৰ পিঠিত লাঠি মাৰা, দুখীয়া মানুহৰ ওপৰত লাঠি চলোৱা নহয়।" বিশেষকৈ মহিলা আৰক্ষীসকলৰ কথা উল্লেখ কৰি তেওঁ কয়, "ছোৱালীকেইটাৰ ঘৰৰ জিলাতে নিযুক্তি দিয়াৰ চেষ্টা কৰা হৈছে। ল'ৰাকেইটাক ঘৰৰ ওচৰৰ জিলাতে পোষ্টিং দিয়া হ'ব।" নতুনকৈ যোগদান কৰাসকলে ৬ ডিচেম্বৰত স্বাস্থ্য পৰীক্ষাৰ বাবে নিজ নিজ গৃহ জিলালৈ যাব লাগিব আৰু ১০ ডিচেম্বৰৰ পৰা আনুষ্ঠানিকভাৱে কৰ্মস্থানত যোগদান কৰিব। এই অনুষ্ঠানৰ জৰিয়তে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুত দুই লাখ নিযুক্তিৰ লক্ষ্যৰ ফালে আৰু এখোজ আগুৱাই গ'ল বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। সৰুসজাইৰ মাটিডালত উপস্থিত হাজাৰ হাজাৰ যুৱক-যুৱতী আৰু তেওঁলোকৰ পৰিয়ালৰ মুখত দেখা গৈছিল আনন্দ আৰু সকাহৰ হাঁহি।

## নিশ্বাস ল'বলৈও কষ্টকৰ হৈ পৰিছে ৰাজধানী

বিহাৰ, আৰ কে পুৰম, পঞ্জাবী বাগ, জহৰপুৰী আদি ঠাইত AQI ৪২০ৰ পৰা ৪৫০ৰ ভিতৰত ওঠ-নমাই হৈ আছে। এই মাত্ৰাৰ প্ৰদূষণে সাধাৰণ মানুহৰ লগতে শিশু, বৃদ্ধ আৰু শ্বাস-প্ৰশ্বাসৰ ৰোগত ভোগা লোকসকলৰ বাবে গুৰুতৰ স্বাস্থ্যজনিত বিপদ সৃষ্টি কৰিছে। প্ৰদূষণৰ এই ভয়াৱহ বৃদ্ধিৰ ফলত প্ৰশাসনে ইতিমধ্যে একাধিক জৰুৰীকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। দিল্লীৰ সকলো স্কুল-কলেজত শাৰীৰিক ক্লাছ স্থগিত ৰখা হৈছে আৰু অনলাইন পাঠদানৰ নিৰ্দেশ দিয়া হৈছে। লগতে, চলি থকা ৰঞ্জী ট্ৰফীৰ দিল্লীত অনুষ্ঠিত হ'বলগীয়া ঘৰুৱা ক্ৰিকেট মেচসমূহ অন্য ৰাজ্যলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। খেলুৱৈসকলৰ স্বাস্থ্যৰ কথা বিবেচনা কৰিয়েই এই সিদ্ধান্ত লোৱা বুলি বিসিচিআয়ে জানিবলৈ দিছে। বিশেষজ্ঞসকলৰ মতে, যান-বাহনৰ ধোঁৱা, নিৰ্মাণ কামৰ ধূলি, কাৰখানাৰ নিৰ্গমন আৰু পাশ্বৰ্তী পঞ্জাব-হাৰিয়ানাত পৰলি জ্বলোৱাৰ ধোঁৱাই মিলি দিল্লীৰ বায়ুমণ্ডলক বিষাক্ত কৰি তুলিছে। শীতকালত বতাহৰ গতি কমি অহাৰ ফলত এই দূষিত কণাবোৰ ওপৰলৈ উঠি নোযোৱাকৈ তলতে জমা হৈ থাকে, যাৰ ফলত কুঁৱলীৰ দৰে এটা ডাঠ আৱৰণে চহৰখনক ঢাকি ৰাখে। বৰ্তমান পৰিস্থিতিত চিকিৎসকসকলে পৰামৰ্শ দিছে যে সম্ভৱ হ'লে ঘৰৰ বাইলৈ নোযোৱা, এন-৯৫ মাস্ক ব্যৱহাৰ কৰা আৰু ঘৰৰ ভিতৰত এয়াৰ পিউৰিফায়াৰ ব্যৱহাৰ কৰাটোৱেই একমাত্ৰ নিৰাপদ উপায়। কেইবাটাও হাস্পতালত শ্বাস-প্ৰশ্বাসৰ সমস্যা লৈ অহা ৰোগীৰ সংখ্যা কেইবাগুণে বৃদ্ধি পাইছে। দিল্লী এতিয়া কেৱল ভাৰতৰ নহয়, বিশ্বৰ অন্যতম প্ৰদূষিত ৰাজধানী চহৰ হিচাপে পৰিচিত হৈ পৰিছে। এই সংকটৰ পৰা মুক্তিৰ বাবে দীৰ্ঘম্যাদী নীতি আৰু তাৎক্ষণিক ব্যৱস্থা দুয়োটাৰে প্ৰয়োজন বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। নহ'লে প্ৰতি বছৰে এই 'বায়ু সংকট' এটা ভয়ংকৰ দুঃস্বপ্ন হৈয়েই থাকিব।

## কাৰ ভুলৰ বাবে বৰক্ষেত্ৰীত ৬ বছৰে সম্পূৰ্ণ নহ'ল নিৰ্মীয়মান

৬ বছৰ আগতে কেইবা কোটিটকীয়া এখন পকী দলংৰ শুভ উদ্বোধন কৰিছিল প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই। নাৰায়ন ডেকা পৰাজিত হোৱাৰ পাছত যোৱা ৬ বছৰে এনেকৈ পৰি থাকিল আধৰুৱা দলংখন। সমষ্টিটোত এতিয়া বিধায়ক দিগন্ত বৰ্মণৰ কাৰ্যকাল অন্ত পৰিবৰ উপক্ৰম। ফলত পূৰ্বতে বৰক্ষেত্ৰী আৰু বৰ্তমান টিহু সমষ্টিৰ অন্তৰ্ভুক্ত হোৱা অঞ্চলটোত বিগত ৫ বছৰেও নিৰ্মাণ সম্পূৰ্ণ কৰি সমস্যাটোৰ সমাধান উলিয়াব নোৱাৰিলে বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মনে। উল্লেখ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ পাছত উক্ত দলংখন আজিও অসম্পূৰ্ণ হৈয়েই পৰি ৰ'ল। ফলত বিগত ৬ বছৰে দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ নোহোৱাত যমৰ যাতনা ভুগি আহিছে স্থানীয় লোকৰ লগতে বিদ্যালয় মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলেও। কিয়নো উক্ত দলঙখন আধৰুৱা হৈ থকাত দলঙখনৰ তলেৰে যাতায়াত কৰিবলগীয়াত পৰিছে সমগ্ৰ অঞ্চলবাসী। বৰলীয়াৰপাৰ, চাউলখোৱা, কান্ধবাৰী, চিতলিপাৰা আদি অঞ্চললৈ নিতৌ হেজাৰ হেজাৰ পথচাৰীৰ আগমন ঘটে উক্ত পথটোৰে। ফলত বাৰিষা আহিলেই বোকা পানী গচকি যমৰ যাতনা ভুগিবলগীয়াত পৰিছে পথচাৰী। অঞ্চলটোত এতিয়া সৰ্বত্ৰে চৰ্চিত হৈ পৰিছে এই সমস্যাটো। স্থানীয় লোকৰ অভিযোগ অনুসৰি নলবাৰী জিলা আয়ুক্তক সমস্যাটো অৱগত কৰাৰ পাছতো একো সুফল লাভ নকৰাত অসমৰ মুখ্যমন্ত্ৰীলৈ বাট চাই ৰৈছে অসহায় লোকসকলে। পিছে অসমৰ মুখ্যমন্ত্ৰীয়ে সমস্যাটোক লৈ কি পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব।

## বিটিচিৰ বিধান পৰিষদ আক্ৰমণত ৰাজনীতিৰ ৰং সনাৰ

কৰা মন্তব্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে নিখিল বড়ো ছাত্ৰ সন্থাই। মঙলবাৰে কোকৰাঝাৰৰ এবছুৰ কেন্দ্ৰীয় কাৰ্যালয় বডোফা ভৱনত আয়োজিত এক সংবাদমেলত সংগঠনটোৰ সভাপতি দ্বীপেন বড়োৱে কয়, "জাতিৰ সংকটকালত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে মূল ইছ্যুৰ পৰা ফালৰি কাটি ৰাজনীতিৰ ৰং সানি আমাৰ ওপৰত দোষ জাপি দিয়াটো অতি দুৰ্ভাগ্যজনক। জাতিৰ সংকট কালত হাগ্ৰামা মহিলাৰীয়ে প্ৰথমতে নিজৰ জাতিৰ কথা চিন্তা কৰিব লাগিছিল। দ্বিতীয়তে বিটিআৰৰ চাৰিসীমাত থকা ৩৫ লাখ জনগোষ্ঠীৰ ২৬টা জাতি-জনগোষ্ঠীৰ অধিকাৰৰ কথা ভাবিব লাগিব আৰু আমি ভাই ভাই আমি প্ৰত্যেকেই সমিলমিলেৰে জীয়াই থাকিব লাগিব। কাকো আমি হিংসা কৰা উচিত নহয়।" জাতি আৰু জাতীয় আন্দোলন কিয় হৈছিল বুলি প্ৰশ্ন উত্থাপন কৰি সভাপতি বড়োৱে কয়, "তেওঁ নিজেই জাতীয় আন্দোলনৰ নেতৃত্ব দিছিল, তেওঁ স্বয়ং নিজেই ষষ্ঠ অনুসূচী নিৰ্মাণ কৰি চুক্তি কৰিছে। পাছত এই ষষ্ঠ অনুসূচিত অঞ্চল শক্তিশালী কৰাৰ বাবে চুক্তি হৈছিল। এনেকুৱা এটা সময়ত হাগ্ৰামা মহিলাৰীয়ে নিজে নিৰ্মাণ কৰা ষষ্ঠ অনুসূচী অঞ্চলৰ ৰাজনৈতিক আৰু সাংবিধানিক অধিকাৰ সুনিশ্চিত কৰাৰ অস্তিত্বটো ক'ত এইটোহে আমাৰ প্ৰশ্ন। ২৯ নৱেম্বৰৰ উক্ত হিংসাত্মক কাণ্ডক কেন্দ্ৰ কৰি ৰাজনীতি বাতাবৰণ সৃষ্টি কৰিছে।" উক্ত ঘটনাত এবছু জড়িত থকাৰ এশ শতাংশ প্ৰমাণ দিব পাৰিলে জে'ললৈ যাব সাজু থকা বুলি মন্তব্য কৰে এবছুৰ সভাপতিগৰাকীয়ে। তেওঁ কয়, "আমি প্ৰতিবাদকাৰীসকলক সদায় শান্তিপূৰ্ণ, গণতান্ত্ৰিক আন্দোলন কৰাৰ বাবে আহ্বান জনাই আহিছো, হিংসাক প্ৰশ্ৰয় দিব নালাগে বুলিহে আমি কৈ আহিছো; কিন্তু আমাক দোষ জাপি দিয়াটো আমি কোনো কাৰণতে সহ্য নকৰো। যিসকলে আমাক দোষ জাপি দিব বিচাৰিছে তেওঁলোকক আমি প্ৰত্যাহ্বান জনাইছো ৰাজনৈতিক স্বাৰ্থত কাৰোবাক ৰং সানি দিয়াটো কেতিয়াও বিচৰা নাই। আমি ইউপিপিল আৰু বিপিএফ দুয়োটা দলক একত্ৰিত কৰাৰ বাবেহে কাম কৰি আহিছো। যোৱাটো সময়ত অৰ্থাৎ ২০০৫ চনত আমি হাগ্ৰামা মহিলাৰীক সমৰ্থন দিছিলো। ইয়াৰ পাছত ইছ্যু ভিত্তিক, জাতিৰ স্বাৰ্থত কেতিয়াবা ইউপিপিএলক সমৰ্থন কৰিছো।"

## বিপৰীত মেৰুত লাহৰীঘাট সম জিলাৰ দুই শীৰ্ষ বিষয়া

আৰক্ষী অধীক্ষক। দুই গৰাকী শীৰ্ষ বিষয়াৰ এনে স্থিতিৰ পাছত স্বাভাবিকতে লাহৰীঘাট সম জিলাত বিপদৰ সন্মুখীন হৈছে স্থানীয় ৰাইজ। দুখন গৰু ভৰ্তি ট্ৰাক অলপতে লাহৰীঘাট সমজিলা আয়ুক্ত শিল্পীকা কলিতাৰ নিৰ্দেশত জব্দ কৰাক কেন্দ্ৰ কৰি দুই বিষয়াৰ মাজত চলা শিতল যুঁজখন বৰ্তমান প্ৰকাশ্য যুঁজত পৰিণত হৈছে। উল্লেখ্য যে বৃহস্পতিবাৰে সংঘটিত হৈছিল এই ঘটনা। সেইদিনা দুপৰীয়া ভুৰাগাঁও - লাহৰীঘাট সংযোগী পথত দুখন বাহনসহ ৯টা গৰু জব্দ কৰিছিল লাহৰীঘাট সমজিলা আয়ুক্ত শিল্পীকা কলিতাই। চোৰাং গৰু সৰবৰাহৰ সন্দেহত জব্দ কৰা গৰুকেইটা অনা বাহনসহ লৈ যোৱা হৈছিল সমজিলা কাৰ্যালয়লৈ। পৰৱৰ্তী সময়ত গৰুখিনি মুকলাই দিয়াৰ নামত সম জিলা আয়ুক্তৰ কাৰ্যালয়ত দালালে দাম দৰ চলোৱা বুলিও অভিযোগ উঠিছিল লাহৰীঘাটত। ছাহজাহান আলী নামৰ লোক এজনে দালালৰ ৰূপত দাম দৰ চলোৱা বুলি তেনে অভিযোগ উঠিছিল। আনকি ছাহজাহান নামৰ লোকজনে জব্দকৃত গৰুৰ গৰাকীৰ পৰা গৰু মুকলাই দিয়াৰ বাবত সমজিলা কাৰ্যালয়তে ১০ হাজাৰ টকা চমজি লোৱা বুলিও অভিযোগ উঠিছিল। কিন্তু ধন দিয়াৰ পিছতো গৰু নোপোৱাত ভুক্তভোগীয়ে মুখ খোলে। ইফালে এনে ঘটনাৰ পাছত সমগ্ৰ ঘটনাৰ সন্দৰ্ভত সমজিলা আয়ুক্ত শিল্পীকা কলিতাই সংবাদ মাধ্যমৰ আগত স্পষ্ট ভাৱে মন্তব্য কৰিছিল যে- তেওঁ আয়ুক্ত হিছাবে নিযুক্তি লাভ কৰাৰ পাছৰে পৰা লাহৰীঘাটত একাংশ লোকে উপযুক্ত নথি - পত্ৰ নোহোৱাকৈ গৰু সৰবৰাহ কৰি অহা তেওঁৰ দৃষ্টিগোচৰ হৈছে। সেইদিনাও তেওঁলোকে গৰু কেইটাৰ প্ৰকৃত নথি পত্ৰ বিছাৰোতে দেখুৱাব নোৱাৰি গৰু এৰি পলায়ন কৰিছিল। সেই সময়ত আৰক্ষীক খবৰ দিয়া হৈছিল যদিও আৰক্ষী সময়ত উপস্থিত নোহোৱাৰ বাবেহে গৰু কেইটা গাড়ী সহ সম জিলা কাৰ্যালয়লৈ নিয়া হৈছিল। তদুপৰি তেওঁ স্পষ্ট ভাৱে সকিয়াই দিছিল যে - এইখন পবিত্ৰ ভূমিত এনে ধৰণৰ অবৈধ ব্যৱসায় তেওঁৰ বৰ্তমানত চলিব দিয়া নহব। অকল গৰু সৰবৰাহে নহয়, লাহৰীঘাট সমজিলাত চলা অন্যান্য অ-নৈতিক বে-আইনী কাম কাজ, ব্যৱসায় আদিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হব। কিন্তু সমজিলা আয়ুক্ত গৰাকীৰ এনে সকিয়নীৰ পাছতে আৰক্ষী বিভাগৰ মাজতো তোলপাৰ লাগে। এই সন্দৰ্ভত আৰক্ষীৰ স্থিতি জানিব বিছৰাত সম জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত বৰুৱাই বিপৰীত মন্তব্যত দুই শীৰ্ষ বিষয়াৰ অন্তৰ্দ্বন্দ স্পষ্ট ভাৱে প্ৰকাশ পাই। তেওঁ মন্তব্য অনুসৰি দুপৰীয়াতে গৰুসহ বাহন জব্দ কৰা বিষয়টো প্ৰথমে সমজিলা কাৰ্যালয়ে আৰক্ষীক জনোৱা নাছিল। ঘটনাৰ ৪ ঘণ্টাৰ পিছতহে আৰক্ষীক বিষয়টো অৱগত কৰিছিল সম জিলা কাৰ্যালয়ে। জিলা আয়ুক্ত শিল্পীকা কলিতাই চোৰাংকৈ সৰবৰাহ কৰাৰ সন্দেহত বাহনসহ গৰু জব্দ কৰাৰ লগে লগে কিয় আৰক্ষীক জনোৱা নহ'ল সেইলৈয়ো প্ৰশ্ন উত্থাপন কৰিছিল দিগন্ত বৰুৱাই। অৱশ্যে এনে বাদ বিবাদৰ মাজতে সেইদিনা সন্ধ্যা পাছ মান বজাত লাহৰীঘাট থানা আৰক্ষীয়ে গৰু কেইটা চমজি লৈ সমজিলা আৰক্ষী অধীক্ষক দিগন্ত বৰুৱাৰ নেতৃত্বত ঘটনাৰ তদন্ত আৰম্ভ কৰে। কিন্তু তদন্ত আৰম্ভ কৰিয়ে গৰুৰ মালিকৰ অভিযোগৰ ভিত্তিত গৰুখিনি মোকলাই দিয়াৰ বাবে সম জিলা আয়ুক্তৰ কাৰ্যালয়ত দালালি কৰাৰ অভিযোগত ছাহজাহান আলীক লাহৰীঘাট আৰক্ষীয়ে আটক কৰে ঘটনাৰ দুদিন পিছত। সোধ পোছ আৰম্ভ কৰি প্ৰায় ২২ ঘণ্টা থানাত ৰাখি অৱশেষত ছাহজাহানক আৰক্ষীয়ে মোকলাই দিয়ে যদিও বৰ্তমান ছাহজাহান আৰক্ষীৰ নজৰবন্দীত আছে। আৰক্ষীয়ে বিছাৰিলেই থানাত হাজিৰ হব লাগিব ছাহজাহান। এনেক্ষেত্ৰত ঘটনাই কি ৰূপ লয় সেয়া লক্ষণীয় হব। লাহৰীঘাট সম জিলাৰ দুই শীৰ্ষ বিষয়াৰ মাজত গৰু জব্দ কৰা ঘটনা টোক লৈ চলা ক্ৰীয়া প্ৰতিক্ৰীয়াক লৈ এতিয়া লাহৰীঘাটৰ সৰ্বতে চৰ্চা আৰম্ভ হৈছে।

## শ্ৰীলংকালৈ সহায়ৰ হাত ভাৰতৰ

সৰ্বসাধাৰণ জনতা নানান সমস্যাত পৰিব লগা হৈছে। বহু ঠাইত সৃষ্টি হৈছে প্ৰলংকাৰী বানৰ। উটুৱাই নিছে ঘৰ- বাৰী। আশ্ৰয়হীন হৈ পৰিছে ভালেসংখ্যক পৰিয়াল। শ্ৰীলংকাৰ এনে বিপৰ্যয় সহ্য কৰিব নোৱাৰি ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে প্ৰেৰণ কৰিছে ভাৰতীয় সেনাৰ এটি দল। ইতিমধ্যে বুধবাৰে পুৱাই উপকূলীয় দেশখনৰ কলম্বোত অৱতৰণ কৰিছে উদ্ধাৰকাৰী ভাৰতীয় সেনা জোৱান কঢ়িয়াই নিয়া আই এফ চি ১৭ বিমান। এই অভিযানক নাম দিয়া হৈছে সাগৰ বন্ধু বুলি। সাগৰ বন্ধু অভিযানৰ দ্বাৰা ভাৰতীয় সেনা বাহিনীয়ে শ্ৰীলংকাৰ জনতাক উদ্ধাৰ কৰিব দিতৱাহৰ পৰা। উল্লেখযোগ্য যে, এই সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰে কয় যে, 'শ্ৰীলংকাৰ বান সাহায্য প্ৰচেষ্টা অব্যাহত ৰাখিছে ভাৰত চৰকাৰে। অত্যাৱশ্যকীয় সা- সামগ্ৰীৰ লগতে খাদ্য সামগ্ৰী ইতিমধ্যে প্ৰেৰণ কৰা হৈছে শ্ৰীলংকালৈ। 'তদুপৰি জনসাধাৰণক উদ্ধাৰৰ বাবে সাগৰ বন্ধু নামে এক অভিযানো আৰম্ভ কৰা হৈছে। এই অভিযানৰ অংশস্বৰূপে ভাৰতীয় সেনা বাহিনীৰ এটা উদ্ধাৰকাৰী দলো দেশখনলৈ পঠিওৱা হৈছে। তেওঁলোকৰ সৈতে একেলগে চিকিৎসা সামগ্ৰী, ঔষধ-পাতিৰ উপৰিও চিকিৎসক, নাৰ্চ, স্বাস্থ্যকৰ্মী আদিৰ এটি দল গৈছে দেশখনলৈ।

## ধুবুৰীত নিচাজাতীয় ড্ৰাগছসহ আটক সৰবৰাহকাৰী

বুজন পৰিমাণৰ নিচাজাতীয় ড্ৰাগছ সহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ড্ৰাগছ সৰবৰাহকাৰীজন মধুশৌলমাৰী প্ৰথম খণ্ড গাঁৱৰ বাবুল আলীৰ লৰা মোস্তাফিজুৰ ৰহমান (২৫) বুলি জানিব পৰা গৈছে। অঞ্চলটোত দীৰ্ঘদিনৰ পৰাই অবৈধ ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই অহাৰ গুৰুতৰ অভিযোগ আছিল কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী জনৰ বিৰুদ্ধে। ইয়াৰ পূৰ্বেও অবৈধ ড্ৰাগছৰ সৈতে গৌৰীপুৰ আৰক্ষীয়ে কৰায়ত্ত কৰিছিল কুখ্যাত ৰহমানক। কালি নিশা ধুবুৰী সদৰ আৰক্ষী থানাৰ চহৰ পৰিদৰ্শক ৰিতু বৈৰাগীৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি দলে চান্দাখোল বজাৰৰ পৰা বুজন পৰিমাণৰ নিচাজাতীয় ড্ৰাগছ সহ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী মোস্তাফিজুৰ ৰহমানক হাতে -লোটে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে ধুবুৰী আৰক্ষীয়ে ৰহমানক আটক কৰি থানালৈ আনি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে।

## গৰ্ভৱতী মহিলা আঠ বছৰীয়া পুত্ৰক ঘূৰাই

চৰকাৰে বাংলাদেশলৈ বিতাড়িত এগৰাকী গুৰুতৰ গৰ্ভৱতী মহিলা আৰু তেওঁৰ আঠ বছৰীয়া পুত্ৰক ভাৰতলৈ ঘূৰাই অনাৰ বাবে সন্মতি জনাইছে। বুধবাৰে মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মল্য বাগচীৰ খণ্ডপীঠৰ সন্মুখত কেন্দ্ৰই স্পষ্ট কৰে যে এই সিদ্ধান্ত "কেৱল মানৱীয় কাৰণতহে" লোৱা হৈছে আৰু ই বিতাড়নৰ আদেশৰ বৈধতাৰ ওপৰত কোনো প্ৰভাৱ নেপেলায়। ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই আদালতত কয়, "চৰকাৰী মাধ্যমেৰে মাতৃ আৰু সন্তানক ঘূৰাই অনা হ'ব, কিন্তু এয়ে যাতে কোনো বেয়া নজিৰ নহয়, তাৰ প্ৰতি আমি সচেতন।" তেওঁ জোৰ দি কয় যে, এই পদক্ষেপে কেন্দ্ৰৰ মূল গোচৰটোক কোনো প্ৰকাৰে দুৰ্বল নকৰে। মহিলাগৰাকীৰ পিতৃ ভোডু শেখে দাখিল কৰা আবেদনৰ ভিত্তিতে এই গোচৰটো চলি আছে। পূৰ্বৰ শুনানিত উচ্চতম ন্যায়ালয়ে কেন্দ্ৰক কঠোৰ ভাষাৰে প্ৰশ্ন কৰিছিল যে, "মাতৃ আৰু সন্তানক কিয় পৃথক কৰা হ'ল? গৰ্ভৱতী মহিলাৰ স্বাস্থ্যৰ অৱস্থাৰ প্ৰতি কিয় গুৰুত্ব দিয়া নহ'ল?" আদালতে স্পষ্ট কৰিছিল যে মাতৃ-সন্তানৰ সম্পৰ্ক কেতিয়াও বিচ্ছেদ কৰিব নোৱাৰি। কেন্দ্ৰই আদালতত আশ্বাস দিয়ে যে, মহিলাগৰাকীক ভাৰতলৈ অনাৰ পিছত বিনামূলীয়া চিকিৎসা আৰু প্ৰয়োজনীয় সকলো সুবিধা প্ৰদান কৰা হ'ব। লগতে আঠ বছৰীয়া শিশুটিৰ দৈনন্দিন যতনৰ দায়িত্বও কৰ্তৃপক্ষই ল'ব। এই গোচৰটোৰ মূল উৎপত্তি ছেপ্টেম্বৰ মাহত কলিকতা উচ্চ ন্যায়ালয়ে এই মহিলা আৰু তেওঁৰ পুত্ৰকে ধৰি কেইগৰাকীমান ব্যক্তিক ভাৰতলৈ ঘূৰাই অনাৰ নিৰ্দেশ দিয়াৰ পৰা। সেই আদেশৰ বিৰুদ্ধে কেন্দ্ৰই উচ্চতম ন্যায়ালয়ত বিশেষ অনুমতিৰ আবেদন দাখিল কৰিছিল। গোচৰটোৰ পৰৱৰ্তী শুনানি ১০ ডিচেম্বৰত অনুষ্ঠিত হ'ব। তেতিয়ালৈকে মাতৃ-পুত্ৰক ভাৰতলৈ ঘূৰাই অনাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি আশা কৰা হৈছে।

## অৰুণোদয় হিতাধিকাৰীলৈ অতিৰিক্ত ৩০০ টকাৰ

সুলভ মূল্যত চাউল, মচুৰ দাইল-চেনি-নিমখৰ পাছত চৰকাৰে ৰাজসাহায্য আগবঢ়াবলৈ সাজু হৈছে। মঙলবাৰে অসমবাসীৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিলে এই ডাঙৰ খবৰ। এতিয়াৰে পৰা প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰত প্ৰতিগৰাকী যোগ্যবিবেচিতই লাভ কৰিব ৩০০ টকাৰ অতিৰিক্ত ৰাজসাহায্য। সামাজিক মাধ্যমযোগে এই ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লিখিছে, "সুলভ মূল্যত চাউল, মচুৰ দাইল-চেনি-নিমখ বিতৰণৰ পাছত এইবাৰ আমি প্ৰতিগৰাকী যোগ্যবিবেচিতলৈ প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰত ৩০০ টকাৰ ৰাজসাহায্যৰে অতিৰিক্ত ৰেহাই দিবলৈ আগবাঢ়িছোঁ। 'মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনি'য়ে ৰাজ্যৰ ২০ লাখ অৰুণোদয় পৰিয়াললৈ স্বস্তি আৰু আনন্দ কঢ়িয়াই আনিব বুলি আমি আশাবাদী। "উল্লেখযোগ্য যে ৰাজ্যৰ ২০ লাখ 'অৰুণোদয়'ৰ হিতাধিকাৰীৰ পৰিয়ালে 'মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনি'ৰ অধীনত এই সুবিধা লাভ কৰিব। অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰা হিতাধিকাৰীসকলে প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰ ৩০০ টকাৰ অতিৰিক্ত ৰাজসাহায্য লাভ কৰিব। আজিৰ তাৰিখত অসমত প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৯০২টকা। ৫২ টকা ৰাজসাহায্য সকলো উপভোক্তাই লাভ কৰে। প্ৰধানমন্ত্ৰী উজ্জ্বলা সংযোগ থকাসকলেও পাই ৩০০ টকাৰ ৰেহাই। এতিয়া অৰুণোদয় হিতাধিকাৰীসকলক অতিৰিক্ত ৩০০ টকা ৰেহাই দিব ৰাজ্য চৰকাৰে। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে উজ্জ্বলা আঁচনিৰ অধীনত প্ৰতিগৰাকী হিতাধিকাৰীলৈ ৰন্ধন গেছৰ চিলিণ্ডাৰত ৩০০ টকাৰ ৰাজসাহায্য আগবঢ়াই আহিছে। এতিয়া ৰাজ্য চৰকাৰৰ অৰুণোদয় হিতাধিকাৰীসকলক ৩০০ টকাৰ অতিৰিক্ত ৰাজসাহায্য প্ৰদান কৰিব। ২০১৬ চনৰ ১ মে'তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰিছিল 'প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা'। দেশৰ গৃহিণীসকলক ধোঁৱাৰ পৰা মুক্তি দিয়াৰ উদ্দেশ্যৰে প্ৰধানমন্ত্ৰীয়ে এই আঁচনি প্ৰৱৰ্তন কৰিছিল।

## মন্ত্ৰী অশোক সিংহলৰ দৰমহা কৰ্তনৰ দাবী দেৱব্ৰত শইকীয়াৰ

স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ দৰমহা কৰ্তন আৰু তেওঁৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। শইকীয়াই অভিযোগ কৰিছে যে, শেহতীয়া বিধানসভা অধিৱেশনৰ সময়ত মন্ত্ৰীগৰাকী একেৰাহে পাঁচদিন বিধানসভা আৰু চৰকাৰী দায়িত্বৰ পৰা অনুপস্থিত আছিল আৰু সচিবালয়ৰ বাহিৰত ব্যক্তিগত কামত ব্যস্ত আছিল। শইকীয়াই এই পত্ৰত চৰকাৰৰ "দ্বি-মুখী নীতি"ৰ তীব্ৰ সমালোচনা কৰিছে। তেওঁ লিখিছে, "ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে দীৰ্ঘদিনৰ পৰা সমান দৰমহা, ভাত্তা, নিয়মীয়াকৰণ আৰু চাকৰিৰ নিৰাপত্তাৰ দাবীত শান্তিপূৰ্ণ প্ৰতিবাদ কৰিছে। তাৰ পৰিবৰ্তে চৰকাৰে তেওঁলোকৰ দৰমহা কাটি শাস্তি দিছে। কিন্তু একেটা চৰকাৰৰে কেবিনেট মন্ত্ৰীয়ে সাংবিধানিক দায়িত্বৰ পৰা একেৰাহে পাঁচদিন অনুপস্থিত থাকিলে কোনো ব্যৱস্থা নলয়। এয়ে চৰকাৰৰ নৈতিক কৰ্তৃত্বৰ প্ৰশ্ন উত্থাপন কৰিছে।" বিৰোধী দলপতিগৰাকীয়ে সোঁৱৰাই দিয়ে যে, ক'ভিড মহামাৰীৰ সন্মুখৰ পৰা যুঁজ দিয়া এই এনএইচএম কৰ্মীসকলক উপযুক্ত সুৰক্ষা আৰু সা-সুবিধা নিদিয়াকৈয়ে কাম কৰিবলৈ বাধ্য কৰা হৈছিল। "এতিয়া তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগৰ বাবে শাস্তি দিয়াটো কেৱল অন্যায় নহয়, অমানৱীয়" বুলি তেওঁ মন্তব্য কৰে। শইকীয়াই অসম বিধানসভাৰ দৰমহা আৰু ভাত্তা আইনৰ ২৪ নং নিয়ম আৰু মন্ত্ৰীসকলৰ আচৰণ বিধিক উল্লেখ কৰি দাবী কৰে যে, যিদৰে এনএইচএম কৰ্মীৰ প্ৰতিবাদৰ দিনৰ দৰমহা কটা হৈছে, ঠিক তেনেদৰেই স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰো পাঁচদিনৰ দৰমহা কৰ্তন কৰা হওক আৰু তেওঁৰ বিৰুদ্ধে উপযুক্ত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হওক।" যদি নিম্নস্তৰৰ কৰ্মচাৰীৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য হয়, তেন্তে কেবিনেট মন্ত্ৰীৰ ক্ষেত্ৰত কিয় ব্যতিক্ৰম?" বুলি প্ৰশ্ন কৰি শইকীয়াই কয়, "এয়ে চৰকাৰৰ দ্বৈত নীতিৰ উদাহৰণ।" এই পত্ৰই ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে আৰু চৰকাৰে এই বিষয়ে কি স্পষ্টীকৰণ দিয়ে, সেয়া লক্ষণীয় হৈ পৰিছে।

## ভুৱা বাতৰি আৰু ডিপফেকৰ বিৰুদ্ধে কঠোৰ হ'ব চৰকাৰ

মনোভাৱ প্ৰকাশ কৰে। তেওঁ সদনক জনায় যে, এইসমূহে ভাৰতৰ গণতন্ত্ৰৰ মূল ভিত্তিতে আঘাত হানিছে আৰু ইয়াৰ বিৰুদ্ধে আইনী কাঠামোক আৰু শক্তিশালী কৰাৰ প্ৰক্ৰিয়া তীব্ৰতৰ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, "ভুৱা বাতৰি কেৱল এক সামাজিক সমস্যা নহয়, ই আমাৰ গণতন্ত্ৰৰ প্ৰতি প্ৰত্যক্ষ ভাবুকি। যিসকলে ইচ্ছাকৃতভাৱে ভুৱা বা ভ্ৰামক তথ্য প্ৰচাৰ কৰে, তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় আইনৰ কঠোৰতম ধাৰা প্ৰয়োগ কৰা হ'ব।" তেওঁ লগতে উল্লেখ কৰে যে, ডিপফেক প্ৰযুক্তিৰ অপব্যৱহাৰে ব্যক্তিৰ মৰ্যাদা আৰু ৰাষ্ট্ৰীয় সুৰক্ষা দুয়োটাৰে ক্ষতি কৰিব পাৰে বাবে এই ক্ষেত্ৰত শূন্য সহনশীলতা নীতি গ্ৰহণ কৰা হৈছে। সদনত সংসদীয় প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে জনায় যে, সামাজিক মাধ্যম মঞ্চসমূহৰ বাবে শেহতীয়াকৈ প্ৰৱৰ্তিত নিয়ম অনুসৰি ভুৱা বা ক্ষতিকাৰক তথ্য ৩৬ ঘণ্টাৰ ভিতৰতে আঁতৰোৱাটো বাধ্যতামূলক কৰা হৈছে। ইয়াৰ উপৰিও এআইৰ দ্বাৰা সৃষ্ট ডিপফেক চিনাক্তকৰণ আৰু তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবে এক বিশদ খচৰা নিয়ম প্ৰকাশ কৰা হৈছে আৰু বিভিন্ন অংশীদাৰৰ সৈতে তাৰ ওপৰত ব্যাপক আলোচনা চলি আছে। "এই নতুন ব্যৱস্থাৰ জৰিয়তে সমগ্ৰ তথ্য-পৰিৱেশ তন্ত্ৰক অধিক সুৰক্ষিত আৰু বিশ্বাসযোগ্য কৰা হ'ব, "বৈষ্ণৱে কয়। মন্ত্ৰীগৰাকীয়ে বাক্ স্বাধীনতা আৰু গণতান্ত্ৰিক সুৰক্ষাৰ মাজত থকা সূক্ষ্ম ভাৰসাম্যৰ কথা উল্লেখ কৰি আশ্বাস দিয়ে যে, চৰকাৰ এই বিষয়ত অতি সংবেদনশীল আৰু সচেতন। তেওঁ কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ডিজিটেল ইণ্ডিয়াৰ জৰিয়তে প্ৰযুক্তিৰ গণতান্ত্ৰিকৰণ ঘটিছে। সামাজিক মাধ্যমে প্ৰতিগৰাকী নাগৰিকক মত প্ৰকাশৰ এক শক্তিশালী মঞ্চ দিছে। কিন্তু এই মঞ্চৰ অপব্যৱহাৰ ৰোধ কৰাটো আমাৰ সকলোৰে দায়িত্ব।" সংসদীয় স্থায়ী সমিতিৰ অধ্যক্ষ নিশিকান্ত ডুবে আৰু অন্যান্য সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, সমিতিয়ে দাখিল কৰা প্ৰতিবেদনৰ পৰামৰ্শসমূহক নতুন আইনী কাঠামোত সন্নিৱিষ্ট কৰা হ'ব। উল্লেখ্য যে, বিগত কেইমাহমানৰ ভিতৰতে ৰাজনৈতিক নেতা, চলচ্চিত্ৰ ব্যক্তিত্ব আৰু সাধাৰণ নাগৰিকৰ ডিপফেক ভিডিঅ'ৰ ঘটনা বৃদ্ধি পোৱাৰ পিছতেই চৰকাৰে এই বিষয়ত অধিক তৎপৰতা দেখুৱাইছে। নতুন নিয়মাৱলী বলৱৎ হ'লে ভাৰতত ভুৱা তথ্যৰ বিৰুদ্ধে বিশ্বৰ অন্যতম কঠোৰ ব্যৱস্থা হিচাপে পৰিগণিত হ'ব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

**দিহানাম প্ৰদৰ্শন, ৰাস মহোৎসৱ, জুবিন গাৰ্গৰ গীত, নৃত্য কথাৰ আয়োজন**

# ৫, ৬, ৭ ডিচেম্বৰত অসম শিল্পী কানন তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় ৰাস মহোৎসৱ

**অসম বাৰ্তা, নগাঁও, ৩ ডিচেম্বৰ ঃ** অসম শিল্পী কানন কেন্দ্ৰীয় সমিতিৰ উদ্যোগত তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় ৰাস মহোৎসৱ আৰু অসম ভিত্তিত দিহানাম প্ৰদৰ্শন লগতে অসমীয়াৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি নগাঁৱৰ নেহৰুবালীত ৫-৬-৭ ডিচেম্বৰত আয়োজন কৰা হৈছে। তদুপলক্ষে ৫ ডিচেম্বৰৰ পুৱা দহ বজাত পৰিৱেশ নিকাকৰণ, দিনৰ ১১ বজাত আৰ্তজনলৈ বিশেষ সহায়ৰ হাত শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান, বিয়লি ২: ৩০ বজাত প্ৰতিনিধি শিবিৰ উন্মোচন কৰিব উৰ্মিলা দেৱীয়ে।৬ডিচিম্বৰৰ পুৱা ৯বজাত অসম শিল্পী কাননৰ পতাকা উত্তোলন কৰিব অসম শিল্পী কাননৰ কাৰ্যকৰী সভাপতি কাৰ্তিক সাহাই। ৯: ৪৫বজাত স্মৃতি আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অৰ্পনৰ কৰিব সদ্পাদক প্ৰধান অসম শিল্পী কাননৰ মৃদুপৱন বৰাই। পুৱা দহ বজাৰ পৰা পঞ্জীয়ন কাৰ্যসূচীৰ আৰম্ভ। ইয়াৰ লগে লগে সদৌ অসম ভিত্তিত আয়োজিত দিহা নাম প্ৰদৰ্শন কাৰ্যসূচী উদ্বোধন কৰিব বিশিষ্টা সমাজ সেৱিকা বনদীপা হাজৰিকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অমিয়া ডেকা, বিভা মহন্ত, অমিয়া মহন্ত। দিনৰ ১বজাৰ পৰা ১: ৩০ বজালৈ অসম ভিত্তিক দিহানাম প্ৰদৰ্শন কৰা হব। দুপৰীয়াৰ আহাৰ বিৰতিৰ পাচত পুনৰ দিহানাম প্ৰদৰ্শন কৰাৰ পাছত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পনেৰে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হব। উক্ত কাৰ্যসূচীটি শুভাৰম্ভ কৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা অসম শিল্পী কাননৰ সভাপতি ডাঃ হিতেশ বৰুৱাই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব জিলা আয়ুক্ত দেৱাশিস শৰ্মা, অতিৰিক্ত আয়ুক্ত শৌভিক ভূঞা, বাদ্যযন্ত্ৰী শিল্পী ৰাজা বৰুৱা, কণ্ঠশিল্পী কৃষ্ণমনি নাথ, সাংস্কৃতিক কৰ্মী ৰঞ্জিত বৰা আদি। বিয়লি ৩: ৩০ বজাত "অসম শিল্পী কাননৰ উত্তৰণত আপোনাৰ ভূমিকা" শীৰ্ষক এক আলোচনা চক্ৰ আৰু বাৰ্ষিক মুখপত্ৰ লগতে জুবিন গাৰ্গৰ বিশেষ শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচনী অনুষ্ঠানটি উদ্বোধক হিচাপে উপস্থিত থাকিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ডঃশৰৎ বৰকটকী। বাৰ্ষিক মুখপত্ৰ উন্মোচন কৰিব ডঃহিতেশ ডেকাই। অনুষ্ঠানত বহুকেইজন নিমন্ত্ৰণ অতিথি উপস্থিত থাকিব। সন্ধিয়া পুনৰ দিহানাম প্ৰদৰ্শন আৰু জুবিন গাৰ্গৰ গীত নৃত্য কথা কবিতাৰ এক মনোৰম অনুষ্ঠান সম্পন্ন হব। সন্ধিয়া সাত বজাৰ লগে লগে গন্ধৰ্ব বাদন অনুষ্ঠান হব। আনহাতে, ৭ডিচেম্বৰৰ দিনৰ ১১বজাত নামাচাৰ্য তেজাৰাম শইকীয়া আৰু সহযোগী সকলৰ দ্বাৰা নাম প্ৰসংগ, দুপৰীয়া প্ৰসাদ বিতৰণ, বিয়লি বিশেষ শিল্পী সম্বৰ্দ্ধনা, সন্ধিয়া ৫: ৩০বজাত শংকৰী সংস্কৃতিৰ একনিষ্ঠ সাধক, শিক্ষাবিদ প্ৰয়াত তিলক চন্দ্ৰ মজুমদাৰ দেবলৈ মৰোণোত্তৰ ভাৱে অসম শিল্পী কাননৰ "জীৱনজোৰা" সাধনা বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন হব। সন্ধিয়া সাত বজাত কেন্দ্ৰীয় ৰাস মহোৎসৱৰ উদ্বোধন কৰিব নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। এই আটাইকেইদিনৰ সমূহ অনুষ্ঠানতে নগাঁও বাসী ৰাইজৰ সহায় সহযোগ তথা উপস্থিতি একান্ত ভাৱে কামনা কৰিচে অসম শিল্পী কানন সম্পাদক প্ৰধান মৃদুপৱন বৰা, সাংগঠনিক সম্পাদক মুৰুলী কাকতিকে প্ৰমুখ্যে কৰি অনান্য বিষয়ববীয়া সকলে।

# কৰুণাধাৰা ন্যাসৰ মৰিগাঁও শাখাৰ উদ্যোগত জটিল ৰোগত আক্ৰান্ত ২ জন ব্যক্তিলৈ আৰ্থিক সাহায্যৰ চেক



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩ ডিচেম্বৰ ঃ** আৰ্তজনৰ সেৱাৰ বাবে কাম কৰি অহা অসমৰ জনহিতকৰ অনুষ্ঠান কৰুণাধাৰা মৰিগাঁও শাখাৰ উদ্যোগত মৰিগাঁও জিলাৰ ২ জন জটিল ৰোগত আক্ৰান্ত ব্যক্তিক আজি আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰা হয়। এই উপলক্ষে আজি মৰিগাঁও চহৰৰ মুহিলা হোম মডেল বিদ্যালয়ৰ নিপুণ ভৱনত অনুষ্ঠিত হয় এখন বিশেষ সভা। বিশিষ্ট শিল্পী তথা কৰুণাধাৰা ন্যাসৰ মৰিগাঁও শাখাৰ সভাপতি অশোক ডেকাৰ সভাপতিত্বত আৰু বিশিষ্ট সাহিত্যিক তথা কৰুণাধাৰা মৰিগাঁও শাখাৰ সম্পাদক মিলেশ্বৰ পাতৰে আঁত ধৰা সভাখনত ২০১১ চনত জন্ম হোৱা কৰুণাধাৰা ন্যাসৰ কৰ্মৰাজীৰ ওপৰত আলোকপাত কৰা হয়। জ্যেষ্ঠ নাগৰিক ডাঃ তুলেশ্বৰ নাথ, কমল চন্দ্ৰ ডেকা, সত্যব্ৰত বৰঠাকুৰ, ৰীনা ডেকা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি ক্ৰমে বিৰিঞ্চি শৰ্মা, জগদীশ চন্দ্ৰ নাথ, প্ৰাক্তন সম্পাদক জিতুমনি নাথ, কপাহেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আবুল হাসাম আল আমান আদি কৰি উপস্থিত থকা সভাখনত দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ থকা মৰিগাঁও জিলাৰ মিকিৰভেটা থানাৰ অন্তৰ্গত বৰমাণিপুৰ কমলাপট্টিৰ মুজিবুৰ ৰহমানক ১৫ হাজাৰ টকা আৰু মৰিগাঁও সদৰ থানাৰ অন্তৰ্গত মৰিমুছলমান গাঁৱৰ হিম্মত আলীক ১২ হাজাৰ টকাৰ অৰ্থ সাহায্যৰ চেক প্ৰদান কৰা হয়। উল্লেখ্য যে কৰুণাধাৰা ন্যাসৰ উদ্যোগত সমগ্ৰ ৰাজ্যত বিগত ১৪ বছৰ ধৰি নিৰ্দ্দিষ্ট কোনো আয়ৰ উৎস নথকা তথা আৰ্থিক ব্যয় পূৰণ কৰিব নোৱাৰা পিতৃ-মাতৃ, আত্মীয় স্বজন নথকা শাৰীৰিক আৰু মানসিকভাৱে অক্ষম লোকসকলৰ ভৰণ-পোষণ, ঔষধ আদিৰ বাবে সম্ভৱপৰ আৰ্থিক সাহায্য আগবঢ়োৱা, ধনৰ অভাৱত উন্নত চিকিৎসাৰ পৰা বঞ্চিত হোৱা কোনো ধৰণৰ জটিল ৰোগত আক্ৰান্ত ৰোগীসকলক সম্ভৱপৰ আৰ্থিক সকাহ দিয়া, এই লোকসকলেও যাতে সমাজত মৰ্য্যাদাসহকাৰে মনোবেদনা নোপোৱাকৈ জীৱন যাপন কৰিব পাৰে তাৰবাবে সমাজ তথা চৰকাৰক তেওঁলোকৰ কৰণীয় সম্পৰ্কে সজাগ কৰা আৰু এনেধৰণৰ লোকসকলৰ কল্যাণৰ বাবে আৰু তেওঁলোকৰ সামাজিক মান উন্নত কৰিব বাবে আন সম্ভৱপৰ সকলো ব্যৱস্থা কৰা লক্ষ্যৰে কাম কৰি আহিছে।

# লেংটিছিঙাত সমগ্ৰ শিক্ষাৰ মধ্যাহ্ন ভোজনৰ ৰন্ধন প্ৰতিযোগিতা



**অসম বাৰ্তা, অভয়াপুৰী, ৩ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ শিক্ষা, বঙাইগাঁৱৰ উদ্যোগত আৰু লেংটিছিঙা মণ্ডল সমল কেন্দ্ৰৰ সহযোগত আজি লেংটিছিঙাৰ জানেৰমুখ পূৱ প্ৰাথমিক বিদ্যালয়ত এটি ৰন্ধন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত লেংটিছিঙা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত দহখন বিদ্যালয়ে অংশ গ্ৰহণ কৰে। আনুষ্ঠানিকভাৱে প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে বঙাইগাঁও জিলা সমগ্ৰ শিক্ষাৰ ডি পি অ ছাবিনা ইয়াছমিনে। অতিথি হিচাপে উপস্থিত থাকি ছাবিনা ইয়াছমিনৰ লগতে অৱসৰী শিক্ষক ছুৰমান আলী, সৃজনগ্ৰাম শিক্ষাখণ্ডৰ সমল ব্যক্তি ছামছুল আলম, বঙাইগাঁৱৰ জিলা সমগ্ৰ শিক্ষাৰ ৰিংকু নাথ, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মহম্মদ হাতেম আলী, অৰূপ কুমাৰ দত্ত আৰু ড° ছিৰখাত হুছেইনে পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীতসকলক বঁটা আৰু মানপত্ৰ প্ৰদান কৰে। আজিৰ এই ৰন্ধন প্ৰতিযোগিতাত ২ নং ঝাৰপাৰা বাপুজী ছোৱালী প্ৰাথমিক বিদ্যালয়ে প্ৰথম স্থান, ঝাৰপাৰা বাপুজী ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ে দ্বিতীয় স্থান আৰু জানেৰমুখ পূৱ প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে।

# গোৱালপাৰা আক্ৰাছু আৰু কোচ ৰাজবংশী জাতীয় দল-সংগঠনৰ যৌথ উদ্যোগত এশঘণ্টীয়া গণ অনশন

**অসম বাৰ্তা, আগমনি, ৩ ডিচেম্বৰ ঃ** কমতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিলৰ ধুবুৰী জিলা সমিতিৰ লগতে অবিভক্ত গোৱালপাৰা আক্ৰাছু আৰু কোচ ৰাজবংশী জাতীয় দল-সংগঠনৰ যৌথ উদ্যোগত এশঘণ্টীয়া গণ অনশন কাৰ্যসূচী পালন কৰিছে। আজিৰ পৰা আৰম্ভ কৰিলে এশঘণ্টীয়া গণ অনশন। উল্লেখ কৰামতে কে এল অ'ৰ লগত দ্ৰুত শান্তি চুক্তিৰ মাধ্যমত কমতাপুৰ ৰাজ্য পুনৰ গঠন, কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ কৰা আৰু মাতৃভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবীত কমতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিল, অবিভক্ত গোৱালপাৰা আক্ৰাছু আৰু কোচ ৰাজবংশী জাতীয় দল-সংগঠনৰ যৌথ উদ্যোগত এশঘণ্টীয়া গণ অনশন কাৰ্যসূচী পালন কৰিছে। সেই মৰ্মে আজি ৰাতি পুৱা ১০ বজাৰ পৰা গোলকগঞ্জ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ, আগমনি ৰাজহ চক্ৰৰ কাৰ্যালয়, বিলাসীপাৰা সমজিলা, হাতীধুৰা হৰিমন্দিৰৰ কাষত অনশন পালন কৰি আছে। আনহাতে অসমৰ লগতে বিহাৰ আৰু পশ্চিমবংগতো অনশন পালন কৰা হৈছে। উক্ত অনুষ্ঠানত কমতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিলৰ ধুবুৰী জিলা সভাপতি আৰ্য কোচ, বিত্ত সম্পাদক শান্তনু মোহন ৰায়, সহঃ সম্পাদক ললিত চন্দ্ৰ ৰায়, কেন্দ্ৰীয় কাৰ্যবাহী পৰিষদৰ সহঃ বাণিজ্যিক সম্পাদক তাৰিণী চন্দ্ৰ মণ্ডল আৰু আগমনি ব্লক সভাপতি দ্বিজেন্দ্ৰ নাথ মণ্ডলকে, অবিভক্ত গোৱালপাৰা আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি যুগল চন্দ্ৰ ৰায়, কোচ ৰাজবংশী জাতীয় দল-সংগঠনৰ, কেন্দ্ৰীয় সম্পাদক, সোণাধৰ ৰায়ক ধৰি বিভিন্ন নেতৃবৰ্গ উপস্থিত থাকে।

# ১০ আৰু ১১ জানুৱাৰী ২০২৬ত মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

## উদ্‌যাপন সমিতি গঠন




**অসম বাৰ্তা, উজনী মাজুলী, ৩ ডিচেম্বৰ ঃ** মাজুলীৰ প্ৰথম প্ৰণালীবদ্ধ কৰা ভাস্কৰ্যৰ শিক্ষানুষ্ঠান, ২০০০ চনতে স্থাপিত হোৱা ৰূপ বৰণ চিত্ৰ কলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অহা ১০ আৰু ১১ জানুৱাৰী ২০২৬ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বৰ্তমান কমলাবাৰীৰ ব্লক তিনিআলিত স্থাপন কৰা বিদ্যালয়ৰ জৰিয়তে মাজুলীৰ ছাত্ৰ ছাত্ৰীক থলুৱা শিল্প কলা আৰু ভাস্কৰ্য, চিত্ৰাংকন, কেনভাছ, গ্লাছ, ফ্ৰেবিক ৰঙৰ শিক্ষা প্ৰদান কৰা হয়। বিদ্যালয়খনৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপনৰ বাবে আজি বিয়লি ২ বজাৰ পৰা অৱসৰ প্ৰাপ্ত শিক্ষক প্ৰদীপ গায়নৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ দীপু বৰাই। সভাত মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূএঞা, অসম সেনা আহ্বায়ক দীপক নেওগ, যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক সীমান্ত বৰা, অমৰ জ্যোতি ভূএঞা, শেখৰ জ্যোতি গাম, আৰু পল্লৱী পূজাৰীয়ে গঠন মূলক পৰামৰ্শ আগবঢ়ায়। সভাত মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আনন্দ হাজৰিকাক সভাপতি, মুনীন্দ্ৰ ভূএঞাক কাৰ্যকৰী সভাপতি, বিপুল শইকীয়া, লিয়াৰ্ড ৰেইন, সীমান্ত বৰাক উপ সভাপতি, দীপু বৰাক সাধাৰণ সম্পাদক, অমৰজ্যোতি ভূএঞা, শেখৰ জ্যোতি গামক সহ সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন সমিতি গঠন কৰা হয়। সভাই অহা ৬ ডিচেম্বৰত বিয়লি ৩ বজাত উদযাপন সমিতিৰ এখন সভা অনুষ্ঠিত কৰি পৰৱৰ্তী পৰ্যায়ৰ কাম কাজ সমূহ আগবঢ়ায় নিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

# মাজুলীত সৰ্বাত্মক শিক্ষাৰ উদ্যোগত আন্তৰ্জাতিক দিব্যাংগ দিৱস উদ্‌যাপন

**দিব্যাংগ ছাত্ৰ ছাত্ৰীৰ মাজতপ্ৰতিযোগিতা; গোবিনপুৰ প্ৰাথমিক নৱনিৰ্মিত অতিৰিক্ত শ্ৰেণীকোঠা উদ্বোধন**



**অসম বাৰ্তা, উজনী মাজুলী, ৩ ডিচেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ উদ্যোগত, মাজুলীৰ সৰ্বাত্মক শিক্ষাৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস গোবিনপুৰ প্ৰাথমিক বিদ্যালয়ত উদযাপন কৰা হয়। সমগ্ৰ মাজুলীৰ দিব্যাংগ ছাত্ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰা উক্ত দিৱসৰ শুভাৰম্ভ কৰা হয় স্মৃতি তৰ্পণেৰে। স্মৃতি তৰ্পণৰ শুভাৰম্ভ কৰে বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰী অংকিতা দাসে। দিৱস উপলক্ষে গছপুলি ৰোপণ কৰে গড়মূৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী বিজু দত্তই। উক্ত দিৱসৰ লগত সংগতি ৰাখি বিশেষ প্ৰয়োজন সাপেক্ষে ছাত্ৰ ছাত্ৰীসকলৰ মাজত উলিওৱা শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে গোবিনপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম দত্তই। উক্ত দিৱসত দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ উদ্দেশ্যে চিত্ৰাংকণ, পানী পাৰ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত দিৱসত মুখ্য অতিথি হিচাপে মাজুলীৰ বিধায়ক মহোদয় ভূবন গাম উপস্থিত থাকি আন্তৰ্জাৰ্তিক দিব্যাংগ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। অনুষ্ঠানত বিধায়ক ভূবন গামে গোবিনপুৰ প্ৰাথমিক বিদ্যালয়ৰ নৱনিৰ্মিত অতিৰিক্ত শ্ৰেণীকোঠাটো উদ্বোধন কৰে। উক্ত, উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাজুলীৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ বৰা, মাজুলী জিলা পৰিষদৰ সদস্যা নিলীমা শৰ্মা, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামী, গড়মূৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী বিজু দত্ত আদিয়ে অংশগ্ৰহণ কৰে। দুপৰীয়া এঘাৰ বজাৰ পৰা আন্তৰ্জাতিক দিব্যাংগ দিৱসৰ মূল সভা শুভাৰম্ভ কৰে গোবিনপুৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে। সভাত সভাপতিত্ব কৰে মাজুলী শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱৰত্ন কাকতিয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অতিৰিক্ত সমল ব্যক্তি বিশ্বজিৎ দত্তই। উদ্দেশ্য ব্যাখ্যাত তেওঁ আজি ৩ ডিচেম্বৰত সমগ্ৰ বিশ্বতে উদযাপন কৰা আন্তৰ্জাতিক দিব্যাংগ দিৱসৰ তাৎপৰ্য দাঙি ধৰে। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে গড়মূৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মনোৰঞ্জন কলিতাই। কলিতাই নিজৰ ভাষণত ছাত্ৰ ছাত্ৰী সকল উপকৃত হোৱাকৈ দিব্যাংগ দিৱসৰ ওপৰত বক্তৃতা প্ৰদান কৰে। মাজুলীৰ সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি ৰমেন বৰুৱা আৰু সুনীল শইকীয়াই পৰিচালনা কৰা উক্ত অনুষ্ঠানত বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ ছাত্ৰী সকলে গীত মাত পৰিৱেশন কৰাৰ লগতে কবিতা আবৃত্তি কৰে। অনুষ্ঠানত বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান কৰা হয়। উক্ত দিৱসতে সদ্য ঘোষিত অসম চৰকাৰৰ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা দিব্যাংগ ছাত্ৰ প্ৰসেন ৰাজখোৱা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা দিব্যাংগ ছাত্ৰ পূজা সৰকাৰক সম্বৰ্ধনা জনোৱা হয়। উক্ত, দিৱসত বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীক চিকিৎসা আগবঢ়োৱা মাজুলীৰ চিকিৎসকসকলকো সম্বৰ্ধনা জনোৱা হয়। সভাত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতা, মাজুলীৰ সৰ্বাত্মক শিক্ষাৰ প্ৰকল্প পৰিচালক দেৱজিৎ কলিতা, খণ্ড সমন্বয়ক ৰূপজ্যোতি শইকীয়া, অতিৰিক্ত সমল ব্যক্তি জ্যোতিকা কুটুম, মহেন্দ্ৰ বৰা আদিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গোবিনপুৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, মাতৃ গোট, ছাত্ৰ ছাত্ৰীসকলৰ লগতে অভিভাৱক সকলো উপস্থিত থাকে। সভাত শলাগ জ্ঞাপন কৰে অসীম দত্তই।

# মাজুলী জিলা চিকিৎসালয়ৰ পৰা প্ৰেৰণ কৰা প্ৰসূতিক ব্ৰহ্মপুত্ৰৰ মাজতে সুকলমে সন্তান প্ৰসৱ কৰালে ১০৮ চিকিৎসা কৰ্মীয়ে

**অসম বাৰ্তা, উজনী মাজুলী, ৩ ডিচেম্বৰ ঃ** মাজুলীৰ জিলা চিকিৎসালয়ৰ পৰা উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা এগৰাকী প্ৰসূতিক কেইগৰাকীমান সাধাৰণ চিকিৎসা কৰ্মীয়ে নৌকা এম্বুলেন্সতে সুকলমে সন্তান প্ৰসৱ কৰোৱাৰ কথাই এতিয়া বিশেষ চৰ্চা লাভ কৰিছে। জানিব পৰা মতে দক্ষিণপাট কৈৱৰ্ত গাঁৱৰ সীমান্ত দাসৰ গৰ্ভৱতী পত্নী পাৰ্বতী দাসক সন্তান প্ৰৱসৰ বাবে মাজুলীৰ গড়মূৰ স্থিত শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়লৈ লৈ গৈছিল। কিন্তু প্ৰসূতি গৰাকীক উন্নত চিকিৎসাৰ বাবে চিকিৎসালয় খনে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। সেইঅনুসৰি পৰিয়ালৰ লোকে কালি পুৱাৰ ভাগত ১০৮ নৌকা এম্বুলেন্সৰ জৰিয়তে প্ৰসূতিগৰাকীক জে.এম.চি.এইছলৈ বুলি নি থাকোঁতেই ব্ৰহ্মপুত্ৰৰ মাজভাগত নৌকা এম্বুলেন্সতে প্ৰসূতিগৰাকীয়ে প্ৰসৱ যন্ত্ৰণাত ভোগে। ইয়াৰ পিছতেই ১০৮ নৌকা সেৱাৰ ই.এম টি ঈশানন্দ নৰহ, নৌকা চালক দশৰথ শ্বাহ আৰু মাধৱ দাসৰ তৎপৰতাত প্ৰসূতি গৰাকীয়ে অৱশেষত এটি কণ্যা সন্তান নৌকা এম্বুলেন্সতে প্ৰসৱ কৰে। ইয়াৰ পিছতেই প্ৰসূতি গৰাকীক সন্তান সহ যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ পৰৱৰ্তী চিকিৎসাৰ বাবে লৈ গৈ ভৰ্তি কৰে। বৰ্তমান প্ৰসূতি আৰু কণ্যা সন্তান দুয়ো সুস্থ বুলি জানিব পৰা গৈছে। ইফালে গড়মূৰ জিলা চিকিৎসালয়ৰ চিকিৎসকে যোৰহাটলৈ প্ৰেৰণ কৰা এগৰাকী প্ৰসূতিক সাধাৰণ EMT কৰ্মী ঈশানন্দ নৰহৰ নেতৃত্বতে চিকিৎসা কৰ্মীয়ে সাধাৰণ ভাৱেই প্ৰসৱ কৰোৱাৰ কাৰ্য্যয়ে এতিয়া মাজুলীত বিশেষ চৰ্চা লাভ কৰিছে। পূৰ্বেও একেজন ই.এমটি কৰ্মীৰ নেতৃত্বতে আন প্ৰসূতিকো নৌকা এম্বুলেন্সতে সুকলমে সন্তান প্ৰৱস কৰাবলৈ সক্ষম হৈছিল।

# ৫ ডিচেম্বৰত শিৱসাগৰ গ্ৰন্থ উৎসৱ বাকৰিত সাংস্কৃতিক মহাসভাৰ উদ্যোগত অসম ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আয়োজন

**অসম বাৰ্তা, জয়সাগৰ, ৩ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত অসম ভিত্তিত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ আধাৰত একক আৰু দলীয় সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইতিমধ্যে শিৱসাগৰ স্বেচ্ছাসেৱী অনুষ্ঠান "খোজ"ৰ উদ্যোগত শিৱসাগৰ জিলাবাসীৰ সহযোগত জুবিন গাৰ্গ সাহিত্য ক্ষেত্ৰ, বৰ্ডিং খেলপথাৰত অনুষ্ঠিত হোৱা শিৱসাগৰ গ্ৰন্থ উৎসৱ বাকৰিত পাঁচ নৱেম্বৰ পুৱা ১০-৩০ বজাৰ পৰা উল্লিখিত প্ৰতিযোগিতা খনি অনুষ্ঠিত হ'ব। একক নৃত্য প্ৰতিযোগিতা খনি তিনিটা শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখা - চতুৰ্থ শ্ৰেণীলৈ 'খ' শাখা- পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ আৰু 'গ' শাখা- অষ্টম শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ। দলীয় নৃত্য প্ৰতিযোগিতা খনি মাথোঁ এটা শাখাত হে অনুষ্ঠিত হ'ব। অনলাইনত পঞ্জীয়ন চলি আছে যদিও সেইদিনা পুৱা ১১-০০বজাৰ ভিতৰত যোগদান নিশ্চিত কৰিব লাগিব। এই দুয়োখন প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ বিজয়ী প্ৰতিযোগী সকলক সোৱঁৰণী ট্ৰফী আৰু মানপত্ৰ আদি প্ৰদান কৰা হ'ব। একেদৰে অতিৰিক্ত ১০ গৰাকী বিজয়ী প্ৰতিযোগীক মানপত্ৰ সহ পুৰস্কাৰ সমূহ প্ৰদান কৰা হ'ব। স্মৰ্তব্য যে, যোগদান কৰা সকলোকে ভূপেন আৰু জুবিনৰ ফটো সম্বলিত এ থ্ৰি ছাইজৰ মানপত্ৰ আদি পজিচন ৰাইজ প্ৰদান কৰা হ'ব। সেয়েহে হ'ব লগা আকৰ্ষণীয় প্ৰতিযোগিতা খনিত ইচ্ছুক প্ৰতিযোগীক যোগদান নিশ্চিত কৰি সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে উদ্যোক্ত সকলে আহ্বান জনাইছে। তদুপৰি অংশগ্ৰহণ কৰা প্ৰতিভাৱান প্ৰতিযোগী তথা নৃত্য শিল্পী সকলক উৎসাহিত কৰিবৰ বাবে গ্ৰন্থ উৎসৱৰ বাকৰিৰ ৰভা মণ্ডপত শুভাকাংখী ৰাইজক নিৰ্দিষ্ট সময়ত উপস্থিত থাকিবৰ বাবে শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ, কাৰ্যকৰী সভাপতি ৰমা গগৈ আৰু সাধাৰণ সম্পাদক ত্ৰৈলোক্য দত্তই আহ্বান জনাইছে। তদুপৰি সবিশেষ জানিবৰ বাবে- 8486709555 9365911056, 9101173014নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বাঘজানত উজনি অসম ভিত্তিত আমন্ত্ৰণমূলক দিবা-নৈশ ছোৱালী কাবাডী প্ৰতিযোগিতাৰ সামৰণি

**সাপেখাটী কাবাডী দল চেম্পিয়ন**



**অসম বাৰ্তা বিশেষ, তিনিচুকীয়া, ৩ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা কাবাডী সন্থাৰ তত্বাৱধানত অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ পৃষ্ঠপোষকতাত বাঘজান কঁহুৱা চচাইটিৰ উদ্যোগত বাঘজান অঞ্চলৰ জাতীয়-জনগোষ্ঠীয় দল-সংগঠন আৰু ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহযোগত যোৱা ইং ২৯-৩০ নৱেম্বৰ, ২০২৫ তাৰিখে বাঘজান গাঁও ৰাজহুৱা খেলপথাৰত দুদিনীয়াকৈ অনুষ্ঠিত ২০ বছৰ অনূৰ্ধ্ব ছোৱালীৰ উজনি অসম ভিত্তিত আমন্ত্ৰণমূলক দিবা-নৈশ প্ৰাইজমানি কাবাডী প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। প্ৰতিযোগিতাখনত নামৰূপ, যোৰহাট, ধেমাজি, লক্ষ্মীমপুৰ, গোগামুখ, চৰাইদেউ, সাপেখাটী, ডিব্ৰুগড়, বাঘজান, শদিয়া, তিনিচুকীয়া, গুৰু টেগবাহাদুৰ (তিনিচুকীয়া) মুঠ ১২টাকৈ দলে অংশগ্ৰহণ কৰিছিল। সাপেখাটী আৰু নামৰূপৰ মাজত অতি উত্তেজনামূলকভাৱে অনুষ্ঠিত চূড়ান্ত খেলত ৩৭-৩৮ পইণ্টৰ ব্যৱধানত সাপেখাটী কাবাডী দলে চেম্পিয়ন হৈ বিজয়ৰ হাঁহি মাৰিবলৈ সক্ষম হয়। কঁহুৱা চচাইটিৰ সভাপতি ৰূপম মৰাণ, অভ্যৰ্থনা সমিতিৰ সভাপতি বিশ্বজিৎ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত অসম মৰাণ সভাৰ কেন্দ্ৰীয় সভাপতি ৰাজীৱ বড়া, সহকাৰী সাধাৰণ সম্পাদক অৰূপ মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি জয়কান্ত মৰাণ, জিলা পৰিষদৰ উপ-সভানেত্ৰী চিত্ৰলেখা দুৱৰা ছোনা, বাঘজান গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য সননজ্যোতি গোহাঁই, অসম মৰাণ সভা বাঘজান শাখাৰ সাধাৰণ সম্পাদক অনুপম নেওগ, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ উপদেষ্টা প্ৰাঞ্জল গগৈ, সভাপতি তিলক নেওগ, সাধাৰণ সম্পাদক জিণ্টু হাজৰিকা, বাঘজান স্পৰ্টছ ক্লাবৰ সভাপতি মণ্টু মৰাণ, সম্পাদক মিণ্টু মৰাণ, বাঘজান-দীঘলটৰং ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ যদুমণি বৰুৱা, বান্দৰখাটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সত্যজিৎ দত্ত, বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ চেতিয়া, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতি, এনবি নিউজৰ সাংবাদিক প্ৰতাপ মৰাণ, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাণাদ্বীপ দুৱৰা, ফটো সাংবাদিক কমল চাউৰকসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিজয়ী দলক স্মাৰক, মেডেলসহ নগদ ২৫ হাজাৰ এটকা, বিজেতা দলক ২০ হাজাৰ এটকা, বেষ্ট ৰেডাৰ কৃতি ৰায়, বেষ্ট ডিফেণ্ডাৰ সুস্মিতা বৰাকো স্মাৰক, মেডেলসহ নগদ মাননিৰে পুৰস্কৃত কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন